Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, APRIL 09, 2025 ■ বুধবাৰ, ২৬ চ'ত, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১০২ Guwahati, Assam ।। মূল্যঃ এটকা

# বিদেশত মৃত্যু মেঘালয়ৰ প্ৰধান সচিব ৰাজীৱ




**শ্বিলং, ৮ এপ্ৰিলঃ** ব্যক্তিগত বিদেশ ভ্ৰমণৰ সময়তে মৃত্যুক সাৱটিলে মেঘালয়ৰ ২ পৃষ্ঠাত

# ‘মিছলীয়া’ মোদীৰ জীৱনীৰ নাম ঘোষণা ৰাহুলৰ

**‘মাই এক্সপেৰিমেণ্ট উইথ লাই’ শীৰ্ষক নাম দিব লাগিব বুলি প্ৰধানমন্ত্ৰীক কটাক্ষ**





**পাটনা, ৮ এপ্ৰিলঃ** "মহাত্মা গান্ধীয়ে তেওঁৰ আত্মজীৱনীৰ নাম দিছিল 'মাই এক্সপেৰিমেণ্ট উইথ ট্ৰুথ', আৰু যদি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজৰ আত্মজীৱনী লিখে, তেন্তে সেই কিতাপখনৰ নাম হ'ব পাৰে 'মাই এক্সপেৰিমেণ্ট উইথ লাই' (মিছাৰ সৈতে মোৰ অন্বেষণ)।"- এনেদৰেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক শেষাংশ ৯ পৃষ্ঠাত

## ৰঙালীত হেৰাল ৰং, সকলোকে একেলগে দিব নোৱাৰিলে দৰমহা-পেঞ্চন

# অভাৰড্ৰাফটত চৰকাৰ! বিহুতো ঠিকাদাৰে নাপাব বিল

### বিত্তীয় দায়বদ্ধতা, বাজেট ব্যৱস্থাপনা সুস্থিৰ কৰি ৰখাত ব্যৰ্থ

**ই-সংবাদ বিশেষ, ৮ এপ্ৰিলঃ** বিত্তীয় দায়বদ্ধতা আৰু বাজেট ব্যৱস্থাপনা সুস্থিৰ নোহোৱা বাবেই অসম চৰকাৰে অভাৰড্ৰাফট ৰিজাৰ্ভ দ্বিতীয় পৃষ্ঠাত

**ঋণৰ ওপৰত ঋণ লৈ ব্যৰ্থতা ঢাকি ৰখাৰ প্ৰয়াস মুখ্যমন্ত্ৰীৰ**

# আছাৰ সভাপতি প্ৰদীপ নাগৰ বিয়োগ



**ই-সংবাদ, ওদালগুৰি, ৮ এপ্ৰিলঃ** আদিবাসীসকলৰ প্ৰাপ্য অধিকাৰ ২ পৃষ্ঠাত

# চৰকাৰৰ সিদ্ধান্ত খাৰিজ কৰি উচ্চ ন্যায়ালয়ৰ ৰায়

**গুৱাহাটী, ৮ এপ্ৰিলঃ** অনুকম্পামূলক নিযুক্তি বন্ধ কৰাৰ অসম চৰকাৰৰ সিদ্ধান্তৰ বিৰোধিতাৰে এক গুৰুত্বপূৰ্ণ ৰায় প্ৰদান কৰিছে গুৱাহাটী উচ্চ শেষাংশ ৩ পৃষ্ঠাত

# চিডিপিঅ’ সূৰ্যক গ্ৰেপ্তাৰ, ৫৪ লাখ উদ্ধাৰ গাড়ী, পেট্ৰ'ল পাম্প, মাটিসহ সম্পত্তিৰ তথ্য লাভ



**ই-সংবাদ, ৮ এপ্ৰিলঃ** গৰিব-দৰিদ্ৰৰ বাবে চৰকাৰে আৱণ্টন দিয়া টকা লুণ্ঠন কৰি পৰ্বতসম সম্পত্তি গঢ়া বিষয়াৰ অভাৱ নাই এইখন অসমত। সৰ্বসাধাৰণৰ উন্নয়ন ৫ পৃষ্ঠাত চাওক

# দেশজুৰি বলৱৎ হৈ পৰিল ৱাকফ আইন

**নতুন দিল্লী, ৮ এপ্ৰিলঃ** আজিৰে পৰা সমগ্ৰ দেশতে কাৰ্যকৰী হ'ল ৪ পৃষ্ঠাত

# মদৰ দোকান নিশা ১১ বজালৈ

**ই-সংবাদ, ৮ এপ্ৰিলঃ** ৰঙালী বিহুৰ প্ৰাকমুহূৰ্তত ৰাজ্যৰ ৰাজকোষ উদং হৈ ৫ পৃষ্ঠাত

# আকৌ সৰৱ কংগ্ৰেছ এপেক্স বেংকৰ এমডি শইকীয়াক নিলম্বনৰ দাবী

**গুৱাহাটী, ৮ এপ্ৰিলঃ** এপেক্স বেংকৰ দুৰ্নীতিত জড়িতৰ বিৰুদ্ধে শাস্তিমূলক ৪ পৃষ্ঠাত

## বাণিজ্য যুদ্ধৰ দামামা!


# ট্ৰাম্পৰ শুল্ক নীতিক প্ৰত্যাহ্বান বেইজিঙৰ

**ৱাশ্বিংটন, ৮ এপ্ৰিলঃ** পুনৰ আৰম্ভ হ'বলৈ ওলাইছে শুল্ক যুদ্ধ। এইবাৰ সন্মুখ সমৰত নামিছে ৱাশ্বিংটন আৰু বেইজিং মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ৩ পৃষ্ঠাত চাওক

## ৰণভূমিলৈ চলিছে প্ৰস্তুতি, লক্ষ্য অসম-বংগৰ নিৰ্বাচন

# মোদী-শ্বাহৰ ৰাজ্যত কংগ্ৰেছৰ ৱৰ্কিং কমিটীৰ বৈঠক

**আহমেদাবাদ, ৮ এপ্ৰিলঃ** মোদী-শ্বাহক প্ৰত্যাহ্বান জনাই গুজৰাটত কঁকালত টঙালি বান্ধিছে কংগ্ৰেছে। গান্ধী- ৩ পৃষ্ঠাত



# তামিলনাডুৰ ৰাজ্যপালক ছুপ্ৰিম ক'ৰ্টৰ তিৰস্কাৰ

**নতুন দিল্লী, ৮ এপ্ৰিলঃ** অবিজেপি শাসিত ৰাজ্যৰ চৰকাৰৰ কাম-কাজত হেঙাৰ দিয়া ৰাজ্যপালৰ ভূমিকাক কঠোৰ ভাষাৰে সমালোচনা কৰি কাঠগড়াত ৯ পৃষ্ঠাত

# ফৰেনচিকলৈ প্ৰেৰণ মনোৰঞ্জনৰ কল ৰেকৰ্ডিং

**ই-সংবাদ, ৮ এপ্ৰিলঃ** অসমত চিপিআইএমৰ বিধায়ক শূন্য হ'ব। চিপিআইএমৰ হাতত থকা একমাত্ৰ বিধায়কজনৰ বিধায়ক পদ খাৰিজ হ'ব পাৰে। সৰভোগৰ চিপিআইএমৰ বিধায়ক মনোৰঞ্জন তালুকদাৰৰ বিৰুদ্ধে চুপাৰিৰ ছিণ্ডিকেট চলোৱা লোকৰ পৰা শকত ৪ পৃষ্ঠাত চাওক



**বিধায়ক মনোৰঞ্জন তালুকদাৰৰ ভাইৰেল কল ৰেকৰ্ডিঙক লৈ এথিক্স কমিটীৰ বৈঠক**

প্ৰথম পৃষ্ঠাৰ পৰা...

# অভাৰড্ৰাফটত চৰকাৰ! বিহুতো ঠিকাদাৰে

বেংকৰ পৰা ঋণ ল'বলগীয়া পৰিস্থিতিৰ উদ্ভৱ হোৱাৰ আশংকা হৈছে। ৰাজ্য চৰকাৰৰ বিত্ত বিভাগৰ এক সূত্ৰই প্ৰকাশ কৰা মতে, ৰিজাৰ্ভ বেংকৰ অনুমোদন সাপেক্ষে 'Ways and Means Advances' (WMA) ৰ পৰা ৰাজ্য চৰকাৰে আগধন লৈ পৰিস্থিতি মোকাবিলা কৰিবলগীয়া এক অৱস্থাৰ উদ্ভৱ হৈছে। সূত্ৰটোৰ মতে, ৰাজ্যিক কৰ্মচাৰীক বিহুৰ পূৰ্বে দৰমহা আৰু পেঞ্চন দিবৰ বাবে চৰকাৰৰ ৰাজকোষত পুঁজিৰ নাটনি হৈছে। যাৰবাবে ৱেজ এণ্ড মিন্স শিতানৰ পৰা আগধন লৈ এই নাটনিৰ মোকাবিলা কৰিবলৈ চেষ্টা চলোৱা হৈছে। উল্লেখ্য যে বিত্তীয় বৰ্ষৰ শেষৰটো মাহত আয়-ব্যয়ৰ হিচাপ মিলাবৰ বাবে বাজেটত পুঁজিৰ অভাৱ ঘটে যদিও এইবাৰ নাটনি চকুত লগা বুলি উল্লেখ কৰি সূত্ৰটোৱে কয় যে ৰাজ্যিক কৰ্মচাৰীৰ দৰমহা আৰু পেন্সন আংশিকভাৱে মুকলি কৰি দিয়া হৈছে। এই শিতানত ৮০৫ কোটি টকা মুকলি কৰি দিয়া বুলি সূত্ৰটোৱে জানিবলৈ দিছে। ৰাজ্য চৰকাৰৰ বিভিন্ন হিতাধিকাৰী আঁচনি আৰু য'তে-ত'তে উৰণীয়া সেতু নিৰ্মাণৰ কাম হাতত লোৱা বাবে চৰকাৰে বিভিন্ন শিতানত উচ্চ হাৰত ঋণ ল'বলগীয়া হৈছে। এই ঋণৰ ম্যাদ ২০ বছৰলৈ বৃদ্ধি কৰাৰ ফলত সুদৰ হাৰ অত্যধিক হৈছে আৰু বছৰটোত প্ৰায় ৯৬৭ হাজাৰ কোটি টকা সুদ হিচাপে আদায় দিবলগীয়া হৈছে। এই সুদৰ হাৰ বিত্তীয় বৰ্ষৰ শেষলৈ আৰু বৃদ্ধি পাব বুলি সূত্ৰটোৱে আশংকা কৰিছে। ২০২৬ ৰ নিৰ্বাচনৰ আগে আগে ৰিজাৰ্ভ বেংকৰ পৰা অভাৰড্ৰাফট ল'বলগীয়া পৰিস্থিতি নিশ্চিত হ'ব বুলি উল্লেখ কৰি সূত্ৰটোৱে কয় যে বিত্তীয় দায়বদ্ধতা আৰু বাজেট ব্যৱস্থাপনা আইন সঠিকভাৱে পালন কৰাত ব্যৰ্থ হোৱা বাবেই বিত্ত বিভাগ এই সমস্যাত পৰিছে। সূত্ৰটোৱে স্পষ্ট কৰি দিয়ে যে জলজীৱন মিছনৰ কেইবাহাজাৰ কোটি টকা এতিয়াও ঠিকাদাৰক দিবলৈ আছে। লোকনিৰ্মাণ, জলসম্পদ, কৃষি, চহৰ উন্নয়ন আদি বিভাগসমূহৰ হিচাপ ধৰিলে ২২,৯০০ কোটিতকৈয়েও অধিক টকা ঠিকাদাৰসকলক চৰকাৰে আদায় দিবলৈ আছে। নিৰ্বাচনমুখী বাজেট প্ৰস্তুত কৰা বাবে চৰকাৰৰ আয়তকৈ ব্যয় বৃদ্ধি পাইছে আৰু নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত ঠিকাদাৰসকলৰ বিল আদায় দিয়াৰ পৰিকল্পনা কৰি চৰকাৰ অভাৰড্ৰাফটৰ সন্মুখীন হ'ব। উল্লেখ্য যে ইয়াৰ পূৰ্বে অগপ চৰকাৰে অভাৰড্ৰাফট ল'বলগীয়া হৈছিল আৰু মাহত মাত্ৰ কেইটামান দিনহে কোষাগাৰ খুলি দিব পাৰিছিল। শিক্ষক-কৰ্মচাৰীয়ে দৰমহা ল'বৰ বাবে কোষাগাৰাৰ সন্মুখত ঘণ্টাৰ পিছত ঘণ্টা অপেক্ষা কৰিবলগীয়া হৈছিল। অভাৰড্ৰাফট সমস্যাৰ বাবেই সেই সময়ত অগপ চৰকাৰৰ পতন ঘটিছিল বুলিও ৰাজনৈতিক বিশ্লেষকসকলে মত পোষণ কৰি আহিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিদেশত মৃত্যু মেঘালয়ৰ প্ৰধান সচিব

প্ৰধান সচিব চৈয়দ মহম্মদ এ ৰাজীয়ে। চৰকাৰী সূত্ৰ অনুসৰি, উজবেকিস্তানৰ বুখাৰা চহৰৰ হোটেলৰ কোঠাত উদ্ধাৰ হয় ৰাজীৰ মৃতদেহ। উল্লেখ্য যে, ২০২১ চনৰ পৰা মেঘালয়ত ডেপুটেচনত থকা আইআৰটিএছ বিষয়া চৈয়দ মহম্মদ এ ৰাজীয়ে ব্যক্তিগত ভ্ৰমণসূচীৰে উজবেকিস্তানলৈ গৈছিল আৰু ৪ এপ্ৰিলৰ পৰা বুখাৰৰ এখন হোটেলত আছিল। প্ৰাথমিক খবৰ অনুসৰি, হোটেলৰ কোঠাত হৃদৰোগত আক্ৰান্ত হৈ তেওঁৰ মৃত্যু ঘটে। চৰকাৰী এগৰাকী শীৰ্ষ বিষয়াই জনোৱা মতে, সোমবাৰে পুৱা ফোন কলৰ কোনো সঁহাৰি নোপোৱাৰ পিছত হোটেলৰ কৰ্মচাৰীয়ে দুৱাৰ ভাঙি ৰাজীৰ নিথৰ দেহ উদ্ধাৰ কৰে। ইফালে প্ৰধান সচিব ৰাজীৰ বিয়োগত শোক প্ৰকাশ কৰিছে মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই। তেওঁ জানিবলৈ দিয়া মতে, প্ৰয়োজনীয় আনুষ্ঠানিকতা চলাই থকা হৈছে আৰু ইতিমধ্যে ৰাজীৰ পত্নী বুখাৰালৈ ৰাওনা হৈছে। এক্সত শোক প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে লিখিছে, "চৈয়দ মহম্মদ এ ৰাজীৰ অকাল মৃত্যুত অত্যন্ত ব্যথিত হৈছো। তেওঁৰ অসাধাৰণ দক্ষতা আৰু নিষ্ঠা প্ৰতিটো বিভাগতে স্পষ্টকৈ প্ৰতিফলিত হৈছে। তেওঁ নিজৰ প্ৰতিটো কৰ্তব্য নিজস্ব হিচাপে পালন কৰিছিল, যিয়ে তেওঁৰ চৌপাশৰ সকলোকে অনুপ্ৰাণিত কৰিছিল। অৱশ্যে কামৰ বাহিৰত, ৰাজী আছিল এগৰাকী সজীৱ, হাঁহিমুখীয়া।"

প্ৰথম পৃষ্ঠাৰ পৰা...

# আছাৰ সভাপতি প্ৰদীপ নাগৰ বিয়োগ

বিচাৰি দীৰ্ঘদিন ধৰি নিজৰ সংগ্ৰাম অটুট ৰখা বলিষ্ঠ তথা প্ৰতিভাসম্পন্ন নেতা, সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ 'আছা'ৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি প্ৰদীপ নাগ আৰু নাই । ১৯৭৭ চনৰ ৪ নৱেম্বৰত ওদালগুৰি জিলাৰ অতি পিছপৰা বেঘাপাৰা বৰ্নগাঁৱত খ্ৰীষ্ট'ফাৰ নাগৰ ঔৰসত আৰু ভেৰণিকা নাগৰ গৰ্ভত জন্ম গ্ৰহণ কৰা নাগে প্ৰাথমিক শিক্ষা টংলা ডনবক্স স্কুলত, উচ্চতৰ মাধ্যমিক তেজপুৰ মুক্তিনাথ চেমিনাৰত আৰু টংলা মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী গ্ৰহণ কৰে। এইগৰাকী নেতাৰ আজি পুৱতি নিশা নতুন দিল্লীৰ মেদান্তা চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। ৮ মাৰ্চত হঠাৎ শাৰীৰিকভাৱে অসুস্থ হোৱাৰ বাবে প্ৰথমে গুৱাহাটী নেমকেয়াৰ চিকিৎসালয়ত চিকিৎসাধীন হয় যদিও স্বাস্থ্যৰ অৱনতি ঘটাত 'আছা' সংগঠনৰ দাবীৰ প্ৰতি সঁহাৰি জনাই অসম চৰকাৰে ১৫ মাৰ্চত এয়াৰ এম্বুলেন্সেৰে নতুন দিল্লীলৈ উন্নত চিকিৎসাৰ বাবে লৈ যায়। ৰাজ্য চৰকাৰে 'আছা' নেতাগৰাকীৰ চিকিৎসাৰ খৰচ বহন কৰাৰ পিছতো আজি পুৱতি নিশা নেতাজনে শেষ নিশ্বাস ত্যাগ কৰে। জীৱনৰ সৰহখিনি সময়েই নিজৰ জাতিৰ স্বাৰ্থত সংগ্ৰাম অটুট ৰখা প্ৰদীপ নাগৰ মৃত্যু ৰ লগে লগে যেন যৱনিকা পৰিল এটা জাতিৰ বলিষ্ঠ কণ্ঠ। আদিবাসী ছাত্ৰ সংগঠন সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ 'আছা'ৰ লগত জড়িত হৈ ২০০৩ চনৰ পৰা ২০০৭ চনৰ লৈকে হৰিশিঙা আঞ্চলিক সমিতিৰ সভাপতি দায়িত্ব পালন কৰাৰ পিছত ২০০৭ চনৰ পৰা ২০১৩ চনৰ লৈকে ওদালগুৰি জিলাৰ সভাপতি হোৱাৰ উপৰি 'আছা'ৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতিৰ দায়িত্ব নিষ্ঠা আৰু সততাৰে পালন কৰি ২০১৬ চনৰ পৰা বৰ্তমানলৈকে সংগঠনটোৰ কেন্দ্ৰীয় সভাপতিৰ পদত কাৰ্যনিবাহ কৰিছিল। এইগৰাকী সাহসী নেতাৰ মহাপ্ৰস্থানত সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক দেবেন ওৰাঙে সংবাদ মাধ্যমক জনোৱা অনুসৰি 'আছা'ৰ সংগঠনে আজি এজন পিতৃতুল্য ব্যক্তিক চিৰদিনৰ বাবে হেৰুৱালে। তেখেতৰ মৃত্যু সমগ্ৰ জাতিটোৰ বাবে বৃহৎ ক্ষতি। যিজন নেতাই কোনো কাৰণতে কাৰো সৈতে আপোচ নকৰি জাতিৰ স্বাৰ্থক সদায় অগ্ৰাধিকাৰ দি অহা প্ৰয়াত প্ৰদীপ নাগ এনেদৰে আমাৰ মাজৰ পৰা চিৰ বিদায় ল'ব বুলি কোনো কাৰণতে ভাবিব নোৱাৰি বুলি ব্যক্ত কৰে। মৃত্যুৰ সময়ত তেখেতে পত্নীৰ লগতে দুগৰাকী সন্তানক এৰি যায়। দীৰ্ঘদিন ধৰি দিল্লী-দিছপুৰত নিজৰ অধিকাৰ বিচাৰি ৰাজপথত আন্দোলন কৰি অহা নাগৰ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালৈ সমবেদনা জ্ঞাপন কৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ট্ৰাম্পৰ শুল্ক নীতিক প্ৰত্যাহ্বান বেইজিঙৰ

চীনৰ সামগ্ৰীৰ ওপৰত অতিৰিক্ত ৫০ শতাংশ শুল্ক আৰোপ কৰাৰ ভাবুকি দিয়াৰ পিছতে বেইজিঙে ইয়াৰ উত্তৰত কয় যে যদিহে আমেৰিকাই পুনৰ বাণিজ্য যুদ্ধ আৰম্ভ কৰে তেন্তে চীনে শেষলৈকে যুঁজিব। মঙলবাৰে চীনৰ বৈদেশিক মন্ত্ৰালয়ৰ মুখপাত্ৰ লিন জিয়ানে কঠোৰ সুৰত কয় যে যদি আমেৰিকাই শুল্ক বা বাণিজ্যিক যুদ্ধ আৰম্ভ কৰিব বিচাৰে তেন্তে চীনেও শেষলৈকে যুঁজিব। এই মন্তব্যৰ লগে লগে দুয়োখন মহাশক্তিৰ মাজত বাণিজ্যিক উত্তেজনাৰ পাৰা পুনৰ বৃদ্ধি পাইছে। চীনৰ বাণিজ্য মন্ত্ৰালয়ে আমেৰিকাৰ শুল্কক “একপক্ষীয় আৰু ভিত্তিহীন আগ্ৰাসন” বুলি অভিহিত কৰিছে। তেওঁলোকে কয় যে চীনৰ প্ৰতিকাৰৰ ব্যৱস্থা কেৱল নিজৰ সাৰ্বভৌমত্ব, নিৰাপত্তা আৰু উন্নয়ন ৰক্ষাৰ বাবেহে। ইয়াৰ উদ্দেশ্য আন্তঃৰাষ্ট্ৰীয় বাণিজ্য ব্যৱস্থাকো সুৰক্ষা দিয়া। ইয়াৰ পূৰ্বে সোমবাৰে ট্ৰাম্পে নিজৰ ছ’চিয়েল মিডিয়া একাউন্ট ট্ৰুথ ছ’চিয়েলত লিখিছিল, চীনে তেওঁলোকৰ পূৰ্বৰ অভুতপূৰ্ব শুল্ক, অ-মুদ্ৰা বাধা, অবৈধ ৰাজসাহায্য আৰু দীৰ্ঘম্যাদী মুদ্ৰাৰ হেৰফেৰকে ধৰি ৩৪% প্ৰতিশোধমূলক শুল্ক আৰোপ কৰিছে।” তেওঁ লগতে সকীয়াই দিয়ে যে, “যদি চীনে ৮ এপ্ৰিলৰ ভিতৰত নিজৰ শুল্ক প্ৰত্যাহাৰ নকৰে তেন্তে আমি ৯ এপ্ৰিলৰ পৰা চীনৰ সামগ্ৰীৰ ওপৰত অতিৰিক্ত ৫০ শতাংশ শুল্ক আৰোপ কৰিম।” ট্ৰাম্পে লগতে কয় যে যদি কোনো দেশে আমেৰিকাৰ ওপৰত শুল্ক আৰোপ কৰে তেন্তে তৎক্ষণাত ইয়াতকৈও কঠোৰ শুল্ক আৰোপ কৰা হ’ব। লগতে চীনৰ সৈতে চলি থকা সকলো বাণিজ্যিক আলোচনা স্থগিত ৰখাৰ কথাও ঘোষণা কৰে। এই শুল্ক যুদ্ধৰ সময়ত চীনৰ অৰ্থনীতি ইতিমধ্যে দুৰ্বল ঘৰুৱা চাহিদা আৰু গৃহ নিৰ্মাণৰ সংকটৰ বাবে হেঁচাত পৰিছে। এই পৰিস্থিতিত বাণিজ্যিক উত্তেজনা বেইজিঙৰ বাবে আৰু ডাঙৰ আঘাত হ’ব পাৰে। মন কৰিবলগীয়া যে, চীনে ২০২৫ চনৰ বাবে ৫ শতাংশ জিডিপি বৃদ্ধিৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। কিন্তু মেকুৱেৰীৰ মুখ্য অৰ্থনীতিবিদ লেৰী হুৰ মতে ট্ৰাম্পৰ ৩৪ শতাংশ শুল্কই চীনৰ জিডিপি ২ৰ পৰা ২.৫ শতাংশ অতিৰিক্ত হ্ৰাস কৰিব পাৰে। চাউথ চাইনা মৰ্নিং পোষ্টত প্ৰকাশিত গৱেষণা পত্ৰত হুৱে কয় যে এই প্ৰভাৱ আমেৰিকাৰ চাহিদা হ্ৰাস, বিশ্ব অৰ্থনীতিৰ প্ৰতি জোকাৰণি আৰু বিকল্প ৰপ্তানি পথৰ সমস্যাৰ জৰিয়তে হ’ব পাৰে। উল্লেখ্য যে, ট্ৰাম্পৰ নতুন ৩৪ শতাংশ শুল্কৰ সৈতে মুঠ শুল্ক ৫৪ শতাংশ। ইয়াৰ উত্তৰত চীনেও আমেৰিকাৰ ওপৰত ৩৪ শতাংশ শুল্ক আৰোপ কৰিছে, বিশেষকৈ কৃষিজাত সামগ্ৰীক লক্ষ্য কৰি এই শুল্ক আৰোপ কৰা হৈছে। ২০২৪ চনত আমেৰিকালৈ চীনৰ ৰপ্তানি আছিল ৪৩৮ বিলিয়ন ডলাৰ আৰু আমদানি ১৪৩ বিলিয়ন ডলাৰৰ সামগ্ৰী। এতিয়া দুয়োখন দেশৰ মাজত হোৱা এই শুল্ক বিৰোধী যুদ্ধৰ বাবেই বিশ্বজুৰি অৰ্থনৈতিক জোকাৰণিৰ আশংকা কৰিছে বিশেষজ্ঞসকলে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মোদী-শ্বাহৰ ৰাজ্যত কংগ্ৰেছৰ ৱৰ্কিং

পেটেলৰ ভূমি গুজৰাটৰ আহমেদাবাদত মঙলবাৰৰ পৰা আৰম্ভ হৈছে নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ বৰ্ধিত কাৰ্য্যকৰী সমিতিৰ বৈঠক। ৮ আৰু ৯ এপ্ৰিলত দুদিনীয়াকৈ অনুষ্ঠিত এই বৈঠকত গুৰুত্বপূৰ্ণ ৰাজনৈতিক আলোচনা আৰু আগন্তুক নিৰ্বাচনৰ কৌশল নিৰ্ধাৰণৰ পৰিকল্পনা কৰিব কংগ্ৰেছে। উল্লেখ্য যে, বিগত এটা দশকৰো অধিক সময় ধৰি কেন্দ্ৰৰ লগতে কেইবাখনো ৰাজ্যত ক্ষমতা হেৰুৱাইছে দেশৰ পুৰণি ৰাজনৈতিক দল কংগ্ৰেছে। পশ্চিম বংগৰ দৰে কেইবাখনো ৰাজ্যত বিধায়কৰ সংখ্যা শূন্যলৈ হ্ৰাস পাইছে। বিহাৰত বিধানসভাৰ নিৰ্বাচন আহি আছে, ২০২৬ চনত পশ্চিম বংগ, অসম, কেৰালা, আৰু তামিলনাডুতো নিৰ্বাচন অনুষ্ঠিত হ’ব। তাৰ পূৰ্বে এই দুদিনীয়া বৈঠকত মূলতঃ বিজেপিৰ একচেটিয়া অধিকাৰ ৰোধ কৰিবলৈ কি কৌশল গ্ৰহণ কৰা হ’ব সেই সন্দৰ্ভত আলোচনা কৰিব দলৰ নেতৃত্বই। ইয়াৰ উপৰি নেতৃত্বই ‘ইণ্ডিয়া’ মিত্ৰজোঁটৰ অংশীদাৰসকলৰ সৈতে আসন ভাগ-বতৰা, মিত্ৰতাৰ ৰূপৰেখা, সংগঠনটোক শক্তিশালী কৰাৰ উপায়ৰ ওপৰতো আলোচনা কৰিব। অন্যহাতে কংগ্ৰেছৰ ৱৰ্কিং কমিটীৰ এই বৈঠকৰ বাবে গুজৰাটৰ বাছনিক লৈ উত্থাপন হৈছে বহু প্ৰশ্নৰ। কাৰণ বিগত বৰ্ষৰ লোকসভা নিৰ্বাচনত ৰাজ্যৰ ২৬খন আসনৰ ভিতৰত কংগ্ৰেছে মাত্ৰ এখন আসনহে লাভ কৰিছিল। বিধানসভা নিৰ্বাচনত ১৮২খন আসনৰ ভিতৰত মাত্ৰ ১৭খন আসনহে লাভ কৰিবলৈ সক্ষম হৈছিল কংগ্ৰেছে। কিন্তু তাৰ পিছতো দলটোৱে গুজৰাটক বাছনি কৰাক লৈ ৰাজনৈতিক মহলত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই সন্দৰ্ভত আনুষ্ঠানিকভাৱে কংগ্ৰেছে কয় যে গুজৰাটক মহাত্মা গান্ধীৰ ১০০ বছৰীয়া মৃত্যু বাৰ্ষিকী আৰু চৰ্দাৰ বল্লভভাই পেটেলৰ ১৫০ সংখ্যক জন্ম জয়ন্তী উপলক্ষে বাছনি কৰা হৈছে। অৱশ্যে দলৰ ভিতৰ মহলৰ সুৰ বেলেগ। তেওঁলোকৰ মতে, বিজেপিক প্ৰত্যাহ্বান জনাবলৈ তেওঁলোকে নিজৰ ক্ষমতাৰ কেন্দ্ৰত থিয় দি বাৰ্তা প্ৰেৰণ কৰাটো প্ৰয়োজন। সেয়ে ৬৪ বছৰৰ পাছত গুজৰাটৰ মাটিত ‘ন্যায়িক বিচাৰপীঠঃ দৃঢ়তা, আত্মসমৰ্পণ আৰু সংঘাত’ শীৰ্ষক এক অধিৱেশনৰ আয়োজন কৰা হৈছে। প্ৰসংগক্ৰমে ১৮৮৫ চনত কংগ্ৰেছ গঠনৰ পিছত ১৯০২ চনত আহমেদাবাদত কংগ্ৰেছৰ প্ৰথম অধিৱেশন অনুষ্ঠিত হয়। তাৰ পিছত ১৯২১ আৰু ১৯৩৮ চনত ভাৱনগৰত আৰু দুখন ডাঙৰ কংগ্ৰেছ সন্মিলন অনুষ্ঠিত হয়, আৰু শেষবাৰৰ বাবে ১৯৬১ চনত সন্মিলন অনুষ্ঠিত হয়। এইবাৰ বহু বিৰতিৰ পিছত গুজৰাটত নতুন সংগ্ৰামৰ বাৰ্তা দিবলৈ সাজু হৈছে কংগ্ৰেছ নেতৃত্ব। অন্যহাতে, কংগ্ৰেছৰ এই বিশাল আয়োজনে সলনি কৰিছে সমগ্ৰ আহমেদাবাদৰ পৰিৱেশ। বিমানবন্দৰৰ পৰা আৰম্ভ কৰি চহৰৰ প্ৰায় সকলো ৰাজপথলৈকে বিয়পি পৰিছে ৰাহুল গান্ধী, খৰ্গে আৰু অন্যান্য কংগ্ৰেছ নেতাৰ সুদৃশ্য ছবিসম্বলিত হৰ্ডিং, পোষ্টাৰ আৰু বেনাৰ।

প্ৰথম পৃষ্ঠাৰ পৰা...

# চৰকাৰৰ সিদ্ধান্ত খাৰিজ কৰি উচ্চ

ন্যায়ালয়ে। ৰাজ্যৰ ২৫ হাজাৰ অনুকম্পামূলক নিযুক্তি পদ বাতিলৰ চৰকাৰী সিদ্ধান্ত নাকচ কৰি আদালতে কয় যে যিসকলৰ পৰিয়ালে ২০১৭ চনৰ পূৰ্বে চৰকাৰী কৰ্মচাৰী হেৰুৱাইছে তেওঁলোকক তেওঁলোকৰ যোগ্যতাৰ ওপৰত ভিত্তি কৰি নিযুক্তি দিয়া উচিত। উল্লেখ্য যে, চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে মুঠ ৮৬ গৰাকী লোকে আবেদন দাখিল কৰিছিল উচ্চ ন্যায়ালয়ত। আদালতে এই গোচৰৰ শুনানি গ্ৰহণ কৰি আজি নিৰ্দেশ দিয়ে যে তেওঁলোকৰ প্ৰত্যেককে অনুকম্পামূলক নিযুক্তি আঁচনিৰ অধীনত নিযুক্তি দিব লাগিব। তদুপৰি অহা ছমাহৰ ভিতৰত নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈও উচ্চ ন্যায়ালয়ে নিৰ্দেশ প্ৰদান কৰে। উল্লেখ্য যে, মূলতঃ যোৱা বছৰৰ ১৮ ছেপ্টেম্বৰত অসম চৰকাৰে কাৰ্যালয়ৰ স্মাৰকপত্ৰৰ জৰিয়তে এই অনুকম্পামূলক নিযুক্তি বন্ধ কৰাৰ সিদ্ধান্ত ঘোষণা কৰিছিল। প্ৰশাসনিক আৰু নীতিগত কাৰণত এই পদক্ষেপ লোৱা বুলি দাবী কৰে চৰকাৰে। কিন্তু ক্ষতিগ্ৰস্ত পৰিয়ালসমূহে চৰকাৰৰ এই সিদ্ধান্তক প্ৰত্যাহ্বান জনাই উচ্চ ন্যায়ালয়ত গোচৰ ৰুজু কৰে। আজি আদালতৰ এই ৰায়ে বছৰ বছৰ ধৰি অপেক্ষা কৰি থকা পৰিয়ালসমূহক সকাহ প্ৰদান কৰে। আজি উচ্চ ন্যায়ালয়ে উল্লেখ কৰে যে কেৱল প্ৰশাসনিক ভিত্তিত অনুকম্পামূলক নিযুক্তি বন্ধ কৰিব নোৱাৰি। এজন চৰকাৰী কৰ্মচাৰীৰ মৃত্যুৰ পিছত পৰিয়ালৰ আৰ্থিক কষ্ট দূৰ কৰাৰ উদ্দেশ্যে এই আঁচনিখন আৰম্ভ কৰা হৈছিল। কাৰোবাক সেই ন্যায্য সুযোগৰ পৰা বঞ্চিত কৰাটো সাংবিধানিক অধিকাৰ খৰ্ব কৰাৰ সমান। পৰ্যবেক্ষকৰ মতে এই ৰায়দানে ৰাজ্য চৰকাৰৰ নীতিৰ বিৰুদ্ধে জনমত অধিক শক্তিশালী কৰিব পাৰে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ফৰেনচিকলৈ প্ৰেৰণ মনোৰঞ্জনৰ কল

ধন দাবী কৰাৰ অভিযোগ উঠিছিল। ৰাজ্যজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰাৰ লগতে বিজেপিৰ বিধায়কে বিশেষাধিকাৰ ভংগৰ অভিযোগ আনিছিল। তাৰ পিছতে বিষয়টোক লৈ বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে এথিকছ সমিতিলৈ প্ৰেৰণ কৰে। আজি বিৰোধীৰ বিধায়ক মনোৰঞ্জন তালুকদাৰৰ বিৰুদ্ধে উত্থাপিত ধন দাবীৰ অভিযোগক লৈ অসম বিধানসভাৰ এথিকছ সমিতিৰ বিশেষ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত মনোৰঞ্জন তালুকদাৰৰ বিৰুদ্ধে বিজেপিৰ বিধায়ক মানৱ ডেকাই অনা বিশেষাধিকাৰ ভংগৰ অভিযোগক লৈ আলোচনা কৰা হয়। এথিকছ সমিতিৰ বৈঠকত বিষয়টোক লৈ আলোচনাৰ অন্তত ভাইৰেল অডিঅ'টোক ফৰেনছিক তদন্ত কৰাৰ সিদ্ধান্ত লয়। ফৰেনছিকৰ প্ৰতিবেদন লাভ কৰাৰ পিছতে পুনৰ বৈঠক অনুষ্ঠিত হ'ব। এই বৈঠকত বিধায়ক পদ থাকিব নে খাৰিজ হ'ব সেয়া সিদ্ধান্ত ল'ব এথিকছ সমিতিয়ে। চিপিআইএমৰ বিধায়ক মনোৰঞ্জন তালুকদাৰৰ এটা ভাইৰেল ফোন ৰেকৰ্ডিঙক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। জনৈক হৰ্ষ নামৰ এজন লোকৰ সৈতে টেলিফোনিক বাৰ্তালাপ কৰি শকত ধন বিচৰাৰ কল ৰেকৰ্ডিং ভাইৰেল হয়। ভাইৰেল অডিঅ' ভুৱা আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ দ্বাৰা নিৰ্মাণ কৰা বুলি দাবী কৰিছিল বিধায়ক তালুকদাৰে। এই দাবীৰ মাজতে ২৪ মাৰ্চত অসম বিধানসভাৰ মজিয়াত উত্থাপন কৰে বিজেপিৰ বিধায়ক মানৱ ডেকাই। বিধায়ক ডেকাই সদনৰ মজিয়াত বিষয়টো উত্থাপন কৰাত বাদ-বিবাদৰ অন্তত বিষয়টো বিধানসভাৰ এথিকছ সমিতিলৈ প্ৰেৰণৰ নিৰ্দেশ দিয়ে অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে। মানৱ ডেকাই বিধানসভাত কৈছিল যে তালুকদাৰে ছিণ্ডিকেটৰ বিষয়ে সদনত আলোচনাৰ সময়ত কেইজনমান লোকৰ নাম উল্লেখ কৰিছিল, কিন্তু আমোদজনকভাৱে একে কেইজন লোকৰ সৈতেই তেওঁ ধনৰ বিনিময়ৰ কথা-বতৰা পাতিছে। তালুকদাৰে নিজৰ ইচ্ছামতে কাম কৰিব পাৰে, কিন্তু সদনক ব্লেকমেইলৰ হাথিয়াৰ হিচাপে ব্যৱহাৰ কৰাটো গ্ৰহণযোগ্য নহয়। মনোৰঞ্জন তালুকদাৰে বিষয়টো সদনত উত্থাপনৰ বিৰোধিতা কৰি কৈছিল যে বিধানসভাত আলোচনাৰ বাবে উপযুক্ত নহয়। ভাইৰেল অডিঅ'টো কৃত্ৰিম বুদ্ধিমত্তাৰ দ্বাৰা সৃষ্টি আৰু সত্যতা প্ৰমাণৰ বাবে আদালতৰ কাষ চাপিব। যদি প্ৰমাণ কৰিব পাৰে যে মই ছিণ্ডিকেটৰ লোকৰ সৈতে কথা পাতি ধন দাবী কৰিছো, মই ৰাজনৈতিক জীৱন ত্যাগ কৰিম। এই অডিঅ' ৰেকৰ্ডিঙৰ প্ৰসংগত আদালতৰ দাৰস্থ হ'ব বুলিও বিধানসভাত পুনৰ স্পষ্ট কৰে সৰভোগৰ বিধায়কগৰাকীয়ে। তাৰ পূৰ্বে বিধানসভাত বিধায়ক তালুকদাৰে অসমত চলি থকা ছিণ্ডিকেটৰ সমালোচনা কৰি কৈছিল যে এক সমান্তৰাল অৰ্থনীতিৰ জৰিয়তে হাজাৰ কোটি টকা ব্যক্তিৰ পকেটত সোমাইছে। যিটো ৰাজহুৱা কোষাগাৰত থাকিব লাগিছিল। বিধায়ক তালুকদাৰৰ বিধায়ক পদ থাকিব নে খাৰিজ হ'ব সেই সিদ্ধান্ত ল'ব এথিকছ সমিতিয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এপেক্স বেংকৰ এমডি শইকীয়াক নিলম্বনৰ

ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে পুনৰ দাবী উত্থাপন কৰিছে। বেংক জালিয়াতিৰ মূল অভিযুক্ত ৰাজেশ বাজাজে শেহতীয়াকৈ বিজেপিৰ এজন প্ৰাক্তন মন্ত্ৰী আৰু এজন বিধায়ক এই জালিয়াতিত জড়িত বুলি অভিযোগ উত্থাপন কৰা বিষয়টো উল্লেখ কৰি অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই আজি কয় যে প্ৰাক্তন মন্ত্ৰী সঞ্জয় কিষাণ আৰু বিজেপিৰ বিধায়ক বিশ্বজিৎ ফুকনৰ বিৰুদ্ধে দলটোৱে এতিয়া কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব। জালিয়াতিৰ মূল অভিযুক্তজনে ৰাজহুৱা কৰা তথ্য অনুসৰি প্ৰাক্তন মন্ত্ৰী সঞ্জয় কিষাণে বাগিছাৰ কৰ্মচাৰীৰ পিএফৰ লেনদেনৰ ধন বন্ধ কৰি অভিযুক্তজনৰ পৰা বৃহৎ পৰিমাণৰ ধন দাবী কৰিছিল। তাৰে এটা অংশ ধন তেওঁ দিয়া বুলিও উল্লেখ কৰে। অন্যহাতে এপেক্স বেংকৰ অধ্যক্ষৰ লগত তেওঁৰ সু-সম্পৰ্ক আৰু তেওঁ বেংকৰ পৰা অনিয়মেৰে ঋণ হিচাপে লোৱা ২০ কোটি ৩০ লাখ টকাৰ লেনদেন অধ্যক্ষ বিশ্বজিৎ ফুকন আৰু পৰিচালন সঞ্চালক ডম্বৰু শইকীয়া অৱগত বুলি উল্লেখ কৰে। এই বিষয়টো তৎকালীনভাৱে তদন্তৰ আওতালৈ আনিব লাগে বুলি উল্লেখ কৰি বৰাই কয় যে অসমৰ এই জাতীয় অনুষ্ঠানটো অসমীয়া ৰাইজৰ গাঁঠিৰ ধনেৰে গঢ়ি তোলা। প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে এই বেংকটো উজ্জীৱিত কৰিবৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছিল আৰু তাৰ ফলশ্ৰুতিতেই এপেক্স বেংকে প্ৰাণ পাই আজিৰ অৱস্থা লাভ কৰিছে। এনে পৰিস্থিতিত বেংকটো ধ্বংস কৰিবলৈ চেষ্টা চলাই থকা লোকসকলৰ বিৰুদ্ধে উচিত তদন্ত হ'ব লাগে বুলি বৰাই দাবী কৰে আৰু নিকা তদন্তৰ অন্তত বেংকটোৰ পৰিচালন সঞ্চালক ডম্বৰু শইকীয়াক তৎকালে কাৰ্যকৰী হোৱাকৈ নিলম্বন কৰিব লাগে বুলি দাবী জনায়। একেদৰে চৰণজিৎ সিং গান্ধী নামৰ এজন ব্যৱসায়ীয়ে কেনেদৰে শিল-বালিৰ চিণ্ডিকেট চলাই আছে সেই কথা অভিযুক্ত ৰাজেশ বাজাজে উল্লেখ কৰি অসমত চিণ্ডিকেট চলি থকাৰ কথা প্ৰমাণিত কৰিছে বুলিও কয় বৰাই। এই বিষয়টো সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ স্থিতি কি হ'ব বুলিও বৰাই প্ৰশ্ন কৰে। ইপিনে বাজাজৰ সাক্ষাতকাৰ ভাইৰেল হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দেশজুৰি বলৱৎ হৈ পৰিল ৱাকফ আইন

বিতৰ্কিত ৱাকফ সংশোধনী আইন। সংসদত গৃহীত আৰু ৰাষ্ট্ৰপতিৰ অনুমোদনৰ পিছত এই আইনখনক লৈ ৰাজনৈতিক মহলত উত্তেজনা তুংগত উঠিছে। সংখ্যালঘু সম্প্ৰদায়ৰ ভূমি আৰু সম্পত্তি ব্যৱস্থাত কেন্দ্ৰীয় হস্তক্ষেপ আৰু বৈষম্যৰ অভিযোগ উত্থাপন কৰি উচ্চতম ন্যায়ালয়ত ৰুজু কৰা হৈছে কেইবাটাও গোচৰ। ১৬ এপ্ৰিলত শুনানি হ'ব এই গোচৰৰ। অন্যহাতে কেন্দ্ৰৰ মতামত গ্ৰহণ নকৰাকৈ কোনো অন্তৰ্বৰ্তীকালীন আদেশ জাৰি নকৰিলৈ আদালতক আহ্বান জনাইছে মোদী চৰকাৰে। সূত্ৰ মতে, উচ্চতম ন্যায়ালয়ত কমেও ১৫খন আবেদন দাখিল কৰা হৈছে। কংগ্ৰেছ, তৃণমূল, মুছলমান সংগঠনকে ধৰি কেইবাটাও বিৰোধী দলে অভিযোগ কৰিছে যে এই সংশোধনী আইনখনে সংখ্যালঘুৰ ভূমিৰ অধিকাৰ কাঢ়ি লোৱাৰ পথ মুকলি কৰিছে। অৱশ্যে ইয়াৰ বিপৰীতে মোদী চৰকাৰৰ যুক্তি হ'ল ই কাৰো ধৰ্ম বা সম্পত্তিত হস্তক্ষেপ কৰা নাই, বৰঞ্চ একচেটিয়া ব্যৱস্থাৰ সংস্কাৰহে কৰিছে। উল্লেখ্য যে, ইছলামৰ মতে ধৰ্মীয় বা সমাজ কল্যাণৰ উদ্দেশ্যে দান কৰা সম্পত্তিক ৱাকফ বুলি কোৱা হয়। এই সম্পত্তি বিক্ৰী বা ব্যক্তিগত ব্যৱহাৰৰ বাবে নিষিদ্ধ। এতিয়ালৈকে ৱাকফ ব'ৰ্ডৰ সিদ্ধান্তক লৈ প্ৰশ্ন উত্থাপন কৰাৰ কোনো সুযোগ নাছিল। নতুন আইনখনে সেই ব্যৱস্থাৰ সংশোধন কৰিছে। এই আইনখন গৃহীত হোৱাৰ পিছৰে পৰা উত্তৰ প্ৰদেশ, মণিপুৰকে ধৰি কেইবাখনো ৰাজ্যত সংখ্যালঘু সংগঠনৰ প্ৰতিবাদৰ সূত্ৰপাত ঘটিছে। এই আইনখন অসাংবিধানিক বুলি দাবী কৰিছে বিৰোধীয়ে। ১৬ এপ্ৰিলত সৰ্বোচ্চ আদালতে কি সিদ্ধান্ত গ্ৰহণ কৰে তাৰ ওপৰত নজৰ দিছে সমগ্ৰ দেশে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চিডিপিঅ' সূৰ্যক গ্ৰেপ্তাৰ, ৫৪ লাখ উদ্ধাৰ

আৰু কল্যাণৰ বাবে কেন্দ্ৰ-ৰাজ্য চৰকাৰে যোগান ধৰি টকা একাংশ বিষয়া আৰু ৰাজনেতাই লুটি-পুটি খায়। গৰিবৰ সন্তানৰ মুখৰ ভাতমুঠি কাঢ়ি খাবলৈ কুণ্ঠাবোধ নকৰা একাংশ বিষয়াৰে ভৰি পৰিছে এতিয়া ৰাজ্য। তাৰ মাজতে এজন শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ সম্পত্তিৰ তালিকা দেখি অসমবাসীৰ চকু কপালত উঠিব। ৬০ ৰ পৰা ৭০ হাজাৰ টকা দৰমহা পোৱা চাকৰিয়ালজনে গুৱাহাটী মহানগৰীত কোটি কোটি টকাৰ সম্পত্তি গঢ়ি তুলিছে। কোকৰাঝাৰ জিলাৰ দেৱীতোলাৰ শিশু উন্নয়ন প্ৰকল্প বিষয়া সূৰ্য বৰুৱাক আয়-বহিৰ্ভূত সম্পত্তিৰ গোচৰত গ্ৰেপ্তাৰৰ পিছতে পৰ্বতসম সম্পত্তি পোহৰলৈ আহিছে। সূৰ্য বৰুৱাক মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে গ্ৰেপ্তাৰ কৰিছে। ৮ এপ্ৰিলৰ নিশা গ্ৰেপ্তাৰ কৰি সূৰ্য বৰুৱাক মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে গ্ৰেপ্তাৰ কৰি কেইবাঘণ্টা জেৰা চলায়। নিশাই গুৱাহাটীৰ পৰা ধুবুৰীলৈ নিয়ে বৰুৱাক। ধুবুৰীৰ এনএছ ৰোডস্থিত ভাড়াঘৰত তদাৰকী কোষে অতৰ্কিতে অভিযান চলায়। ধুবুৰী ভাড়াঘৰৰ পৰা বহু নথি-পত্ৰ জব্দ কৰে। অভিযানৰ অন্তত সূৰ্য বৰুৱাক গুৱাহাটীলৈ অনা হয় আৰু পাণবজাৰ আৰক্ষী থানাত হাজিৰ কৰাই স্বাস্থ্য পৰীক্ষা কৰা হয়। সৰ্বমুঠ ১২ খন বিলাসী বাহন থকাৰ তথ্য উদ্ধাৰ কৰে। ফৰ্চুনাৰ, বিএমডব্লিউ, স্কৰপিঅ', হাৰ্লি বাইক থকাৰ তথ্য লাভ কৰে। আজি এখন স্কৰপিঅ' উদ্ধাৰ হয়। স্কৰপিঅ'ৰ পৰা নগদ ৪ লাখ টকা উদ্ধাৰ কৰা হয়। পত্নীৰ নামত আছে মৰিগাঁৱত তেল ডিপো। কেইবা কোটিটকীয়া নিৰ্মাণকাৰী সংস্থাৰ স্বত্বাধিকাৰী পত্নী। গুৱাহাটীৰ কেইবাঠাইত ঘৰ-মাটি আছে। বেংকৰ জৰিয়তে কোটি কোটি টকা অবৈধ লেনদেনৰ তথ্য লাভ কৰিছে। মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে আৰু সম্পত্তিৰ তথ্য লাভ কৰা বুলি জানিব পৰা গৈছে। ইয়াৰ পূৰ্বেও ২০ জানুৱাৰীত সূৰ্য বৰুৱাৰ গুৱাহাটীৰ ঘৰ আৰু কাৰ্যালয়ত অভিযান চলিছিল। দুৰ্নীতি সম্ৰাট কুখ্যাত কোকৰাঝাৰৰ দেৱীতোলা সংহত শিশু উন্নয়ন প্ৰকল্পৰ বিষয়া সূৰ্য কমল বৰুৱাৰ ঘৰত ২০ জানুৱাৰীৰ পুৱা ৭ বজাৰ পৰা চলিছিল অভিযান। ১২ জানুৱাৰীত মাঘ বিহুত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক শিলঘৰিয়া মাছ উপহাৰ দিছিল সূৰ্য বৰুৱাই। শিশুৰ নামত ৰূপায়ণ কৰা আঁচনিৰ ধন চানকাঢ়ি খোৱা সূৰ্য কমল বৰুৱাৰ গুৱাহাটীৰ দুই ঠিকনাত তদাৰকী কোষে অভিযান চলাইছিল। চিএম ভিজিলেন্সৰ প্ৰায় ১৫ জনীয়া দলে ভাগে ভাগে ব্যাপক নিৰপত্তাৰক্ষী লৈ জয়ানগৰ আৰু ভঙাগড়ত অভিযান চলোৱাকালত চকু কপালত উঠিছিল অভিযানকাৰী দলৰ। ভঙাগড়ৰ আনন্দনগৰস্থিত চাণক্য পথৰ এপাৰ্টমেণ্টৰ ফ্লেটত য'তে-ত'তে টকা উদ্ধাৰ হয়। কেইবা লক্ষ টকা একত্ৰিত কৰি গণনা কৰিবলৈ বেংকৰ পৰা মেচিন মগাবলগীয়া হৈছিল। টকা গণনা কৰি ভাগৰি পৰিছিল মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ বিষয়া। সন্ধিয়া ৭ বজা পৰ্যন্ত প্ৰায় ৫০ লাখ টকা উদ্ধাৰ হৈছিল। আজি তেওঁৰ স্কৰপিঅ'ৰ ভিতৰত উদ্ধাৰ হোৱাৰ ৪ লাখসহ এই পৰ্যন্ত বৰুৱাৰ পৰা ৫৪ লাখ টকা উদ্ধাৰ হোৱা বুলি জানিব পৰা গৈছে। কেৱল টকাই নহয় সূৰ্য কমল বৰুৱাৰ ঘৰত উদ্ধাৰ হৈছে অস্ত্ৰ। পিষ্টল এটা আৰু ৪৪ জাঁই সজীব গুলী উদ্ধাৰ হয়। জয়ানগৰৰ শিৱ মন্দিৰ পথত থকা এপাৰ্টমেণ্টৰ ফ্লেটত চলা অভিযানত সম্পত্তি ক্ৰয়-বিক্ৰয়ৰ নথি-পত্ৰ উদ্ধাৰ হৈছিল। কোকৰাঝাৰ জিলাৰ দেৱীতোলা সংহত উন্নয়ন বিষয়াৰ কাৰ্যালয়ত প্ৰকল্প বিষয়া হিচাপে কৰ্মৰত সূৰ্য বৰুৱা পূৰ্বে বিটিআৰৰ বাহিৰত ধুবুৰী জিলাত কৰ্মৰত আছিল। ধুবুৰীৰ পিছতে কোকৰাঝাৰ সীমান্তৱৰ্তী দেৱীতোলাত প্ৰকল্প বিষয়া হিচাপে যোগদান কৰি দুৰ্নীতিৰ বজাৰ বহুৱাইছিল। সমাজ কল্যাণ বিভাগে ৰূপায়ণ কৰা আঁচনিৰ ধন কোৰোণাৰে চপাইছিল। শিশুৰ মুখৰ পৰা খাদ্য কাঢ়ি খাইছিল। চৰকাৰে যোগান ধৰিবলৈ আবণ্টন দিয়া টকা উদৰস্থ কৰিছিল। দাইল, চেনি, বুট, মাহ, চাবোন, টাৱেলৰ নামত সংঘটিত কৰিছিল কোটি কোটি টকাৰ কেলেংকাৰী। শিশুৰ বাবে আবণ্টন দিয়া ধন শিশুৰ ভুৱা তালিকা প্ৰস্তুত কৰি বেংক একাউণ্টৰ পৰা উলিয়াইছিল। ধুবুৰী জিলাত সমাজ কল্যাণ বিষয়া হিচাপে অতিৰিক্ত দায়িত্বত আছিল এইজন সূৰ্য। ফলত দুয়োখন জিলাত অংগনবাড়ী কেন্দ্ৰৰ বাবে অহা ধন লুটিছিল সূৰ্যই। লাখ লাখ টকা লুটি সোঁৱে-বাঁৱে কেৱল সম্পত্তি গঢ়িছিল। ২০ জানুৱাৰীত মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ দল ফ্লেটত উপস্থিত হোৱাৰ সময়ত নাছিল সূৰ্য বৰুৱা। মাথোঁ ৮০ হাজাৰ টকা দৰমহা পোৱা সমাজ কল্যাণ বিভাগৰ বিষয়া সূৰ্য কমল বৰুৱাই তেনেকৈ গঢ়িছিল পাহাৰসম ধন-সম্পত্তি। আয়-বহিৰ্ভূত সম্পত্তিৰ তথ্য লাভ কৰি গুৱাহাটীত কেইবাটাও বিলাসী ফ্লেট, বিলাসী বাহন, বাণিজ্যিক ভূমি ক্ৰয় কৰিছিল। চিএম ভিজিলেন্সে প্ৰায় ১৫ কোটিতকৈ অধিক টকাৰ ধন-সম্পত্তি ক্ৰয়ৰ তথ্য লাভ কৰা বুলি জানিব পৰা গৈছে। দুৰ্নীতি সম্ৰাট সূৰ্য বৰুৱা ধুবুৰী জিলাত প্ৰকল্প বিষয়া হিচাপে কৰ্মৰত থকাৰ সময়তে দুৰ্নীতিৰ জাল পেলাইছিল। তাৰ পিছৰে পৰা লাখ লাখ টকা লুটিবলৈ আৰম্ভ কৰিছিল। ভঙাগড় আৰু জয়নগৰত বিলাসী ফ্লেট, ক্ষেত্ৰীত বিশাল মাটি, বিলাসীপাৰাত ঘৰ, ধুবুৰীত হোটেল, পেট্ৰ'ল পাম্প, চিটি বাছ, কোকৰাঝাৰত মাটি ক্ৰয়ৰ সম্পত্তিৰ তথ্য লাভ কৰিছে। ইমানেই নহয়, গুৱাহাটীত মাটি দালালি কৰাৰো অভিযোগ উত্থাপন হৈছে। ২০১১ চনত আনৰ মাটি জোৰ-জবৰদস্তি দখল কৰাৰ অভিযোগ উত্থাপন কৰিছিল বুলি জানিব পৰা গৈছে। মহানগৰীৰ এবিচি পইণ্টৰ চাণক্য পথৰ নিৰু দাস নামৰ মহিলাৰ এপাৰ্টমেণ্ট দখল কৰাৰ অভিযোগ উঠিছিল। নিৰু দাস আৰু স্বামী ভূপেন দাসক হত্যাৰ ভাবুকি দি দখল কৰা এপাৰ্টমেণ্টত আছিল সূৰ্যৰ পৰিয়াল। সেই ফ্লেটতে মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে অভিযান চলাই ৫০ লাখ টকা উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল। লগতে মাটি-সম্পত্তিৰ নথি আৰু ১০ তোলা সোণৰ আ-অলংকাৰ জব্দ কৰিছিল। উল্লেখযোগ্য যে বিগত প্ৰায় ডেৰ দশক ধৰি নামনি অসমৰ ধুবুৰী আৰু কোকৰাঝাৰ জিলাত সমাজ কল্যাণ বিভাগৰ বিভিন্ন পদত কাৰ্যনিৰ্বাহ কৰিছিল। ধুবুৰী আৰু কোকৰাঝাৰৰ প্ৰশাসন আৰু দল-সংগঠনে সূৰ্যক দুৰ্নীতিগ্ৰস্ত বিষয়া বুলি জানিছিল যদিও মাত মাতিবলৈ ভয় কৰিছিল সকলোৱে। কিয়নো বহুত ডাঙৰ ডাঙৰ মানুহৰ সৈতে হাত থকা বুলি জহাই ফুৰিছিল সূৰ্যই বৰুৱাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মদৰ দোকান নিশা ১১ বজালৈ

থকাৰ ফলত চৰকাৰী কৰ্মচাৰীক দৰমহা আদায় দিব নোৱাৰাৰ অভিযোগৰ মাজতে ৰাজ্য চৰকাৰে গ্ৰহণ কৰিছে বিশেষ সিদ্ধান্ত। ৰাজহ সংকটৰ সময়তে মদৰ দোকান নিশা ১১ বজালৈ খোলা ৰখাৰ নিৰ্দেশ প্ৰকাশ কৰিছে ৰাজ্য চৰকাৰে। এতিয়াৰ পৰা সুৰাপায়ীসকলে নিশা ১১ বজালৈ সুৰা ক্ৰয় কৰিব পাৰিব। নিশা ১০ বজাৰ পৰিৱৰ্তে নিশা ১১ বজালৈ খোলা থাকিব সুৰাৰ দোকান। আনহাতে, নিশা ১২.৩০ বজালৈকে খোলা থাকিব বাৰ কাম ৰেষ্টুৰাণ্টসমূহ। গুৱাহাটী মহানগৰীৰ ক্ষেত্ৰতহে প্ৰযোজ্য হ'ব এই নিৰ্দেশনা। আবকাৰী বিভাগে জাৰি কৰা নিৰ্দেশনা অনুসৰি নিশা ১১ বজালৈ গুৱাহাটী মহানগৰীত খোলা থাকিব সুৰাৰ বিপণী, নিশা ১২-৩০ বজালৈ খোলা থাকিব বাৰ-ৰেষ্টুৰাণ্টসমূহ। ইমানে নহয়, আবকাৰী বিভাগে প্ৰিমিয়াম ব্ৰেণ্ডৰ সুৰাৰ দামো হ্ৰাস কৰিছে। থলুৱা সুৰাৰ বিপণীতো বিলাতী সুৰা বিক্ৰীৰ অনুমতি প্ৰদান কৰিছে বিভাগটোৱে। ৭ এপ্ৰিলত আবকাৰী বিভাগৰ আয়ুক্ত-সচিব ৰাকেশ কুমাৰে জাৰি কৰা নিৰ্দেশনা অনুসৰি গুৱাহাটী পৌৰ নিগম এলেকাৰ সুৰাৰ বিপণীসমূহ নিশা ১১ বজালৈ আৰু বাৰ-ৰেষ্টুৰাণ্টসমূহ ১২-৩০ বজালৈ খোলা থাকিব। উল্লেখ্য যে, কিছুদিন পূৰ্বে কেবিনেটত নিশালৈকে ৱাইন শ্বপ, বাৰ খোলা ৰাখিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা-নকৰাক লৈ চৰকাৰ বিতৰ্কৰ আৱৰ্তত সোমাই পৰিছিল। পিছত চৰকাৰে তথা মুখ্যমন্ত্ৰীয়ে সেয়া সংবাদ মাধ্যমৰ ভুল বুলি দাবী কৰিছিল যদিও বিতৰ্ক শাম কটাৰ অন্তত অৱশেষত উক্ত সিদ্ধান্তকেই কিছু সাল-সলনি কৰি আবকাৰী বিভাগে ৰূপায়ণ কৰিবলৈ সকলো প্ৰস্তুতি ইতিমধ্যে সম্পূৰ্ণ কৰি তুলিছে। তাৰ মাজতেই এই নিৰ্দেশনা প্ৰকাশ।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223



নলবাৰীৰ মাজদিয়া-মুগকুছি পথৰ কেইবা লাখটকীয়া নলা নিৰ্মাণত ব্যাপক অনিয়মৰ অভিযোগ, ফটোঃ ই-সংবাদ ব্যুৰ', নলবাৰী

### আছু নেতাক ঘৰৰ পৰা চোঁচোৰাই আনি পিটিলে বহিৰাগতই

# য'তে-ত'তে কিল খাইছে থলগিৰিয়ে

**ই-সংবাদ, ৮ এপ্ৰিলঃ** নিজ গৃহভূমিতে লাঞ্ছিত-বঞ্চিত হৈ লাথ-ভুকু-গোৰ খাই জীয়াই থাকিবলগীয়া হৈছে থলগিৰিয়ে। অসমৰ থলগিৰি এতিয়া কিল খাবলৈ জীয়াই থকাৰ দৰে হৈছে। য'তে যেতিয়াই ইচ্ছা তাতেই বহিৰাগতই পিঠিত ঔকিল দিয়ে থলিগিৰিক। বিগত প্ৰায় ৮ৰ পৰা ৯ বছৰত অসমত য'তে-ত'তে কিল খাইছে থলুৱাই। বহিৰাগতৰ সংখ্যা দিনে দিনে বৃদ্ধি পোৱাত এতিয়া কিল-ভুকু খাই শেষাংশ ৭ পৃষ্ঠাত

# কচুতলীৰ উচ্ছেদত আৰক্ষীৰ গুলীত নিহতক লৈ কঠোৰ ন্যায়ালয়

### আৰক্ষীৰ গুলীত নিহতৰ সন্দৰ্ভত শপতনামা দাখিলৰ নিৰ্দেশ

**ই-সংবাদ, ৮ এপ্ৰিলঃ** গুৱাহাটীৰ সমীপৰৱৰ্তী সোণাপুৰৰ কচুতলীত উচ্ছেদৰ সময়ত আৰক্ষীৰ গুলীত নিহত হোৱা লোকৰ গোচৰ গুৱাহাটী উচ্চ ন্যায়ালয় পাইছে। নিহত ব্যক্তিৰ পৰিয়ালে ন্যায় দাবী কৰি এখন ৰিট আবেদন দাখিল কৰিছে উচ্চ ন্যায়ালয়ত। ৰিট আবেদন যোগে চৰকাৰৰ পৰা ক্ষতিপূৰণ দাবী কৰিছে। নিহত জুবেইৰ আলমে পৰিয়ালক আদালতৰ কাষ চাপি ক্ষতিপূৰণ দাবী কৰাৰ লগতে ঘটনাৰ উচিত তদন্তৰ দাবী কৰিছে। আজি বিষয়টোক লৈ উচ্চ ন্যায়ালয়ত শেষাংশ ৭ পৃষ্ঠাত

# নলবাৰীত নলা নিৰ্মাণত ব্যাপক অনিয়ম, তদন্তৰ দাবী ৰাইজৰ

**ই-সংবাদ ব্যুৰ', নলবাৰী, ৮ এপ্ৰিলঃ** নলবাৰীত মুখ্যমন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনিত ব্যাপক অনিয়ম হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হোৱাৰ সময়তে জিলাখনৰ লক্ষ লক্ষ টকা ব্যয় সাপেক্ষে একাংশ পথৰ দুয়ো কাষৰ পকী নলা নিৰ্মাণত শেষাংশ ৮ পৃষ্ঠাত

# ভৱানীপুৰত যুৱ-ছাত্ৰৰ নৱ-নিৰ্বাচিত সাঃ সম্পাদক বিজন বায়নক উষ্ম আদৰণি

### সমৰ্থকে উলিয়ালে সমদল

**ই-সংবাদ, ভৱানীপুৰ, ৮ এপ্ৰিলঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নৱনিৰ্বাচিত সাধাৰণ সম্পাদক বিজন বায়নক আজি বিপুলভাৱে পাঠশালা-ভৱানীপুৰ-সৰুপেটাত আজি উষ্ম আদৰণি জনায়। উল্লেখ্য, পৰিষদৰ গোলাঘাট অধিৱেশনত বিজন বায়নক কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচন কৰা হৈছিল। তেওঁ নিজ জিলাত শেষাংশ ৮ পৃষ্ঠাত

### দল-সংগঠনৰ শোক প্ৰকাশ

# জাতিটোক এৰি গুছি গ'ল প্ৰথিতযশা লেখিকা গীতালী বৰুৱা

**ই-সংবাদ, ৮ এপ্ৰিলঃ** ৰঙালী বিহুৰ প্ৰাকমুহূৰ্তত জাতিটোৱে হেৰুৱালে এগৰাকী স্বনামধন্য লেখিকাক। অসমৰ সাহিত্য জগতখনক সমৃদ্ধ কৰা বিশিষ্ট লেখিকা গীতালী বৰুৱাই আজি শেষাংশ ৭ পৃষ্ঠাত

# অঞ্জলি মহন চেতিয়ালৈ বীৰাংগনা মূলাগাভৰু বঁটা

**ই-সংবাদ, সোণাৰি, ৮ এপ্ৰিলঃ** প্ৰবল প্ৰতাপী তুৰ্বকৰ বিৰুদ্ধে যুঁজ দি প্ৰাণ ত্যাগ কৰা বীৰাংগনা মূলাগাভৰুৰ জীৱনাদৰ্শ, বলিষ্ঠ ভূমিকা আৰু ত্যাগক শ্ৰদ্ধা আৰু উচিত মৰ্যাদা দিয়াৰ উদ্দেশ্যে টাই আহোম যুৱ পৰিষদ অসমৰ চৰাইদেউ শেষাংশ ৮ পৃষ্ঠাত

# ক্লিনিকত মহিলাৰ গোপন অংগত হাত দি গ্ৰেপ্তাৰ ডাঃ সুব্ৰত দে'

**ই-সংবাদ, ৮ এপ্ৰিলঃ** গুৱাহাটীত এগৰাকী চিকিৎসকৰ বিৰুদ্ধে মহিলা ৰোগীৰ গোপন অংগত হাত দিয়াৰ অভিযোগৰ পিছতে আজি চিকিৎসকজনক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। গুৱাহাটীৰ ছয়মাইলস্থিত ব্যক্তিগত ক্লিনিকৰ চিকিৎসকৰ বিৰুদ্ধে শেষাংশ ৯ পৃষ্ঠাত

# ১৭ বছৰৰ মূৰত জয়পুৰ বোমা বিস্ফোৰণৰ ৰায়

**জয়পুৰ, ৮ এপ্ৰিলঃ** ২০০৮ চনৰ ১৩ মে'ত ধাৰাবাহিক বোমা বিস্ফোৰণে আতংক নমাই আনিছিল ৰাজস্থানৰ ৰাজধানী জয়পুৰলৈ। মাত্ৰ ২০ মিনিটৰ ভিতৰতে মহানগৰীৰ ত্ৰিপলিয়া বজাৰ, মানস চক, হনুমান মন্দিৰ, চট্টি চাউপাল, জেহেৰী শেষাংশ ৮ পৃষ্ঠাত

# 'ডিজিটেল পৃথিৱীত শিশুৰ অধিকাৰ'ক লৈ আলোচনা

**ই-সংবাদ, ৮ এপ্ৰিলঃ** ডিজিটেল পৃথিৱীত শিশুৰ অধিকাৰ ৰক্ষাৰ এক গুৰুত্বপূৰ্ণ প্ৰচেষ্টাক লৈ সোমবাৰে গুৱাহাটীত এখন বিশেষ আলোচনা-চক্ৰ অনুষ্ঠিত হয়। অসম আৰক্ষীয়ে শিশু মিত্ৰ কাৰ্যসূচীৰ জৰিয়তে পিআইআইআৰ ফাউণ্ডেচনৰ সহযোগত আৰু ইউনিচেফ ইণ্ডিয়াৰ সমৰ্থনত আয়োজন কৰা হয় উক্ত আলোচনা-চক্ৰৰ। মহানগৰীৰ নোভোটেলত শিশু অধিকাৰক লৈ অনুষ্ঠিত প্ৰথম ৰাষ্ট্ৰীয় সংলাপ আলোচনা-চক্ৰত ইণ্টাৰনেটে কেনেদৰে শৈশৱক নতুন ৰূপ দিছে শিশুৰ অধিকাৰ হনন কৰিছে তাক লৈ আলোচনা কৰা হয়। ডিজিটেল পৃথিৱীত শিশুৰ অধিকাৰ ৰক্ষাক লৈ দেশত তাৎক্ষণিক, সহানুভূতিৰ দৃষ্টিৰে সঁহাৰি দিয়াৰ শেষাংশ ১০ পৃষ্ঠাত

### সন্তানৰ সকলো কথা ফেচবুকত পোষ্ট কৰাৰ কোনো প্ৰয়োজন নাইঃ নেহা ধুপিয়া

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# কচুতলীৰ নিহতক লৈ কঠোৰ ন্যায়ালয়

শুনানি অনুষ্ঠিত হয়। বিষয়টো ন্যায়ালয়ে বিবেচনা কৰি ৰাজ্য চৰকাৰক এখন শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিছে। চৰকাৰক শপত দিবলৈ আদালতে তিনি সপ্তাহৰ সময়সীমা দিছে। তিনি সপ্তাহৰ ভিতৰত শপতনামা দাখিল কৰিব লাগিব। আশ্চৰ্যজনকভাৱে আৰক্ষীৰ গুলীচালনাৰ ফলত নিহত হোৱা সত্ত্বেও প্ৰশাসনে আইনৰ নিৰ্দেশ অনুসৰি ন্যায়িক তদন্ত কৰা নাছিল। তদন্তৰ ত্ৰুটিক লৈ আৱেদনকাৰীয়ে আদালতক দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ দিবলৈ আহ্বান জনাইছে। লগতে মৃতকৰ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন তাৎক্ষণিকভাৱে মুকলি কৰিবলৈ আহ্বান জনাইছে। জানিব পৰা মতে মৃতকৰ পৰিয়ালক মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন প্ৰদান কৰা হোৱা নাছিল। যাৰ ফলত গোচৰৰ তদন্তৰ স্বচ্ছতাক লৈ গুৰুতৰ প্ৰশ্ন উত্থাপন হৈছিল। সোণাপুৰৰ কচুতলীত উচ্ছেদ অভিযানৰ সময়ত আৰক্ষীৰ গুলীত দুজন ব্যক্তিৰ মৃত্যু হৈছিল। ১২ ছেপ্টেম্বৰত উচ্ছেদ অভিযানৰ সময়ত বেদখলকাৰী আৰু আৰক্ষীৰ মাজত এক বৃহৎ সংঘৰ্ষ হৈছিল। এই সংঘৰ্ষত আৰক্ষীৰ গুলীচালনাত দুজন নাগৰিক নিহত হয়। তদুপৰি এই হিংসাত কমেও ১৫ জন আৰক্ষী  জোৱান আহত হৈছিল।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# য'তে-ত'তে কিল খাইছে থলগিৰিয়ে

জীয়াই থাকিবলগীয়া হৈছে অসমীয়াই। বাৰে বাৰে থলুৱাৰ ওপৰত বহিৰাগতই আক্ৰমণ কৰি আহিছে। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে অস্তিত্বৰ সংকটত পৰা অসমৰ থলুৱাৰ বাবে আহি থকা দিনবোৰ কিমান ভয়ানক সেই কথাৰ এতিয়াই উমান পোৱা গৈছে। ২০১৭ চনৰ মাৰ্চ মাহত চিলাপথাৰত বাঙালী সংগঠনৰ একাংশ উত্তেজিত সদস্যই আছু কৰ্মীক আক্ৰমণ কৰি আছুৰ কাৰ্যালয় ভাঙি চুৰমাৰ কৰাৰ লগতে শ্বহীদ বেদীও খণ্ড-বিখণ্ড কৰিছিল। তেতিয়াৰ পৰাই থলগিৰিৰ ওপৰত ছেগা-চোৰোকাকৈ থলিগিৰিৰ ওপৰত আক্ৰমণ হৈয়ে আছে। সৌ সিদিনা শিৱসাগৰত বহিৰাগত থলুৱাক ঔকিল দিছিল। তিনিচুকীয়াত অনা-অসমীয়াই প্ৰত্যাহ্বান জনাই পাতিবলৈ গৈছিল বিহাৰ দিৱস। ঐতিহাসিক ন-পুখুৰী পাৰ্ক মৰুৎ নন্দন কাননত ষট পূজা পাতিবলৈ গৈছিল অনা-অসমীয়াই। খিলঞ্জীয়াক ঔকিল দিয়াতে ক্ষান্ত নাথাকি সাংস্কৃতিকভাৱেও আক্ৰমণ কৰি থকা হৈছে। তাৰ মাজতে এইবাৰ সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদকক বৰ্বৰভাৱে প্ৰহাৰ কৰিলে অনা-অসমীয়াই। ডিব্ৰুগড়ৰ মৰাণত অনা-অসমীয়াই সদৌ অসম ছাত্ৰ সন্থাৰ নেতাক প্ৰহাৰ কৰে। কালি বামুণবাৰীৰ ১ নং কেঁকুৰি বঙালীগাঁৱৰ আদি দেৱ নামৰ এজন যুৱকৰ নেতৃত্বত অহা ২০-২৫ জনীয়া দলে সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক তন্ময় বৰগোহাঁইক দলবদ্ধ আক্ৰমণ কৰে। তন্ময় বৰগোহাঁইক ঘৰৰ সন্মুখৰ পৰা চোঁচৰাই নি মাটিত বগৰাই বগৰাই প্ৰহাৰ কৰে অনা-অসমীয়া গুণ্ডাবাহিনীয়ে। বৰ্বৰভাৱে প্ৰহাৰ কৰাই নহয় আদি দেৱ গুণ্ডা বাহিনীয়ে তন্ময় বৰগোহাঁইৰ পৰিয়ালক হত্যা কৰা আৰু ঘৰ জ্বলাই দিয়াৰ ভাবুকি প্ৰদান কৰে। ঘটনা পোহৰলৈ অহাৰ পাছতে নিশা ৰাজপথলৈ ওলাই আহে বিভিন্ন দল-সংগঠনৰ নেতৃত্বত কেইবাশ লোক। তেনে সময়তে তন্ময় বৰগোহাঁইৰ পৰিয়ালে বামুণবাৰী আৰক্ষীক এজাহাৰ দাখিল কৰে। আছু নেতাক প্ৰহাৰ আৰু পৰিয়ালৰ লোকক প্ৰাণে মৰাৰ ভাবুকি দিয়া ঘটনাক লৈ সমগ্ৰ জিলাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। আজি পুৱাও বামুণবাৰীত সমৱেত হয় থলুৱা। কেইবা শ লোকে বামুণবাৰীত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। স্থানীয় জাতীয় দল-সংগঠনে দুৰ্বৃত্তক শীঘ্ৰে গ্ৰেপ্তাৰ কৰি উচিত শাস্তি প্ৰদানৰ দাবী জনায়। বামুণবাৰীৰ দোকান-পোহাৰ আৰু ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ কৰি ৰাইজ ৰাজপথলৈ ওলাই আহে। পৰিস্থিতি অধিক জটিল হৈ পৰে। সেই সময়তে আৰক্ষী মোতায়েন কৰা হয়। সংঘৰ্ষ হোৱাৰ আশংকাত নিৰাপত্তাৰক্ষীয়ে ঘেৰি লয় অঞ্চলটো। মৰাণ আৰক্ষী, টিংখাং আৰক্ষী, চক্ৰ বিষয়া উপস্থিত হয়। দল-সংগঠনৰ সৈতে আলোচনাত মিলিত হৈ আক্ৰমণৰ ঘটনাৰ সৈতে জড়িত আটাইকেইজন দুৰ্বৃত্তক শীঘ্ৰে গ্ৰেপ্তাৰ কৰাৰ আশ্বাস প্ৰদান কৰে। নিশাই আৰক্ষীয়ে মূল অভিযুক্ত আদি দেৱসহ তিনিজনক গ্ৰেপ্তাৰ কৰিছিল যদিও বাকীসকলক গ্ৰেপ্তাৰ কৰিব পৰা নাছিল। আৰক্ষীয়ে ৰাইজক বন্ধ উঠাই ল'বলৈ আহ্বান জনায়। আৰক্ষী-প্ৰশাসনৰ আহ্বান মানি ৰাইজে বন্ধ উঠাই লোৱা নাছিল যদিও অৱশেষত অভিযুক্তসকলৰ পৰিয়ালে ঘটনাক লৈ দুখ প্ৰকাশ কৰি বামুণবাৰী চাৰিআলিস্থিত শ্বহীদ বেদী পানীৰে ধুই শৰাই আগবঢ়াই ক্ষমা খোজে। আছুৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক বুলবুল দত্ত উপস্থিত হৈ ঘটনাক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। ঘটনাক গৰিহণা দি বুলবুল দত্তই কয় যে অসমত অসমীয়া জাতিৰ ওপৰত অনা-অসমীয়াৰ দাদাগিৰি-অত্যাচাৰ ছাত্ৰ সন্থাই কেতিয়াও সহ্য নকৰো।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# জাতিটোক এৰি গুছি গ'ল প্ৰথিতযশা

অচিনা দেশলৈ মেলানি মাগে। কবি, ঔপন্যাসিক, গল্পকাৰ, প্ৰবন্ধকাৰ অভিনেত্ৰী গীতালী বৰুৱাই গুৱাহাটীৰ এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৪ বছৰ। হৃদৰোগত আক্ৰান্ত হোৱাত পৰিয়ালে ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত ভৰ্তি কৰিছিল যদিও কেতিয়াও উভতি নহা বাটেৰে গুছি গ'ল। সাহিত্যৰ সাধক গীতালী বৰুৱা বিলাসীপাৰা নিবাসী আছিল। গল্প, কবিতা, উপন্যাস, নাটক ৰচনাৰে অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছিল। নিজৰ সৃষ্টিশীল সাহিত্যৰে সুপৰিচিত গীতালী বৰুৱাৰ চিৰ বিদায় অসমীয়া ভাষা-সাহিত্যৰ বাবে অপূৰণীয় ক্ষতি। আজি তেওঁৰ মৃত্যুৰ খবৰ প্ৰচাৰৰ পিছতে পঢ়ুৱৈ-গুণমুগ্ধৰে তেওঁৰ ঘৰ ভৰি পৰে। বিভিন্ন দল-সংগঠনে তেওঁৰ নশ্বৰদেহত শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বিভিন্ন দল-সংগঠনে তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি আত্মাৰ সদ্গতি কামনা কৰে। গীতালী বৰুৱাৰ জন্ম হৈছিল ১৯৬১ চনৰ ১ জুলাইত। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা কলা শাখাত স্নাতক ডিগ্ৰী লাভ কৰিছিল। ২০০২ চনত প্ৰথম কাব্য সংকলন 'একুৰি অনুভূতি'ৰে সাহিত্য জগতৰ পাতনি মেলে। পৰৱৰ্তী সময়ত তেওঁৰ কেইবাখনো কাব্য সংকলন, গল্প সংকলন, উপন্যাস আৰু প্ৰবন্ধ সংকলন প্ৰকাশ হয়। তৃতীয় শ্ৰেণীত পঢ়ি থাকোঁতেই 'অভিমান' নাটকযোগে প্ৰথমবাৰৰ বাবে অভিনয় জগতত প্ৰৱেশ কৰিছিল। পিছলৈ তেওঁ কেইবাখনো নাটক আৰু বোলছবিত অভিনয় কৰে। গীতালী বৰুৱাই ১৯৮৭ চনত প্ৰতিষ্ঠিত চিকিৎসক অখিল কুমাৰ বৰুৱাৰ সৈতে বিবাহপাশত আৱদ্ধ হয়। গীতালী বৰুৱাই অনুভৱ, এবুকু অনুকম্পা, যৌৱনৰ প্ৰেমৰ স্বপ্ন, পাহৰোঁ আহা, অদৃশ্য ডাকোৱাল, তুমি নাৰীৰে জন্মা, শান দিয়া জোন, সৰীসৃপ মৌনতা, উশাহৰ সীমনা, সাতখন গল্প সংকলন আৰু কেইবাখনো উপন্যাস লিখি অসমৰ সাহিত্য জগত সমৃদ্ধি কৰিছিল। গীতালী বৰুৱাই অসম সাহিত্য সভাৰ বিষ্ণুপ্ৰসাদ ৰাভা বঁটা, মাইকেল মধুসুদন বঁটা, অসম সাংস্কৃতিক মহোৎসৱৰ জীৱনজোৰা সাধনা বঁটা, এনাজৰী বঁটা আদি লাভ কৰিছিল।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ভৱানীপুৰত যুৱ-ছাত্ৰ পৰিষদৰ নৱ

উপস্থিত হোৱাত সংগঠনটোৰ সদস্য আৰু সমৰ্থকসকলে এক বৃহৎ সমদল উলিয়াই আদৰণি জনায়। সমদলটো পাঠশালাৰপৰা ভৱানীপুৰ হৈ সৰুপেটা যায়। ভৱানীপুৰ ছহিদ ভৱনত নৱ-নিৰ্বাচিত সাধাৰণ সম্পাদক বিজন বায়নৰ লগতে সহকাৰী সাধাৰণ সম্পাদক মৃদুল তালুকদাৰকো জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ভৱানীপুৰ আঞ্চলিক সমিতি, ভৱানীপুৰ আঞ্চলিক ছাত্ৰ সন্থা, ভৱানীপুৰ আঞ্চলিক ৰঙালী বিহু সন্মিলনীৰ বিষয়ববীয়া তথা সমৰ্থকসকলে ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। সম্বৰ্ধনা গ্ৰহণ কৰি যুৱ-ছাত্ৰ পৰিষদৰ নেতাগৰাকীয়ে অসমীয়া জাতিটোৰ সংকটৰ সময়ত দায়িত্ব বহন কৰি জাতিটোৰ হৈ প্ৰত্যাহ্বানমূলকভাৱে কাম কৰাৰ প্ৰেৰণা ৰাইজৰ পৰা পাব বুলি আশা প্ৰকাশ কৰে, লগতে তেওঁ এইক্ষেত্ৰত ছহিদ খৰ্গেশ্বৰ তালুকদাৰে শক্তি প্ৰদান কৰিব বুলিও আশা ব্যক্ত কৰে। ভৱানীপুৰ ছহিদ ভৱনত অনুষ্ঠিত সম্বৰ্ধনা অনুষ্ঠানত যুৱ-ছাত্ৰ পৰিষদৰ ভৱানীপুৰ আঞ্চলিক সমিতিৰ প্ৰাক্তন সভাপতি জিন্টু ডেকা, সাধাৰণ সম্পাদক নয়ন কলিতা, সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহ দীপক ঠাকুৰীয়া, ভৱানীপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি বিদ্যুত দাস, সাধাৰণ সম্পাদক সঞ্জীৱ বৈশ্য, ভৱানীপুৰ আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ স্থায়ী কমিটিৰ প্ৰধান সম্পাদক সুভাষ তালুকদাৰ, উদযাপন সমিতিৰ সম্পাদক নিলম কলিতাকে ধৰি ভালেসংখ্যক বিশিষ্ট লোকে  অংশগ্ৰহণ কৰে। ইয়াৰ আগতে নৱ-নিৰ্বাচিত সাধাৰণ সম্পাদক বিজন বায়নে ছহিদ বেদীত বন্তি প্ৰজ্বলন কৰি অসম আন্দোলনৰ ছহিদসকলক স্মৰণ কৰে। ইপিনে, নিশা সৰুপেটাতো যুৱ-ছাত্ৰ পৰিষদৰ নৱনিৰ্বাচিত সাধাৰণ সম্পাদকগৰাকীৰ লগতে নৱ নিৰ্বাচিত সহকাৰী সাধাৰণ সম্পাদকগৰাকীক সৰুপেটা আঞ্চলিক ছাত্ৰ সন্থা, সৰুপেটা দুৰ্গা পূজা মহোৎসৱ সমিতি, কলিতা আলপাইন গোষ্ঠী, বৰ্ণালী শিল্পী সমাজ, যুৱ-ছাত্ৰ পৰিষদৰ সৰুপেটা আঞ্চলিক সমিতি, সৰুপেটা ৰঙালী বিহু উদযাপন সমিতি আৰু শিৰম ডাঞ্চ একাডেমীকে ধৰি কেইবাটাও দল-সংগঠনে উম্ম সম্ভাষণ জনায়। ইয়াৰ পাছতেই জাতীয়তাবাদী নেতাজনক তেওঁৰ নিজ সৰুপেটাস্থিত বাসগৃহত পৰিয়ালৰ লোকে অসমীয়া ৰীতি-নীতিৰে বাসগৃহলৈ উম্ম আদৰণি জনায়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# নলবাৰীত নলা নিৰ্মাণত ব্যাপক

পয়মাল হোৱা কাৰ্যক লৈ স্থানীয় ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জিলাখনৰ নলবাৰী সমষ্টিৰ মাজদিয়া-মুগকুছি বিএড কলেজ সন্মুখৰে যোৱা গড়কাপ্তানি পথটোৰ দুয়োকাষে শেহতীয়াভাৱে পকী নলা নিৰ্মাণৰ কাম চলিছে যদিও নিৰ্মাণত ব্যাপক অনিয়ম-দুৰ্নীতি হোৱাৰ অভিযোগ উঠিছে। বৃহৎ লক্ষ টকা ব্যয় অনুসৰি ঠিকাদাৰী ব্যৱস্থাৰে নিৰ্মীয়মান অৱস্থাত থকা নলা নিৰ্মাণত ব্যাপক অনিয়ম সংঘটিত হোৱাৰ অভিযোগৰ পিছতো বিভাগীয়ভাৱে কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই উঠিছে। অভিযোগ অনুসৰি নলা নিৰ্মাণত অতি পালমৰা ধৰণে ৰড ব্যৱহাৰ কৰা হৈছে। এক-ডেৰ ফুটৰ মূৰে মূৰে ৰড গাঁঠি অতি বেপেৰুৱাভাৱে পকী ঢলাই কৰা হৈছে। য'ত ঠিকাদাৰে অধিক লাভৰ আশাৰে নিৰ্মাণ কৰা এনে নলা অতি কম দিনতে ভাঙি পৰাৰ আশংকা কৰিছে সচেতন ৰাইজে। আনহাতে উক্ত নলা নিৰ্মাণত ব্যাপক বিসংগতি হোৱাৰ অভিযোগ উঠিছে। জোখ-মাখত বিসংগতি আৰু বহু এলেকাত একাবেকাকৈ নলা নিৰ্মাণ কৰা হৈছে। যাক লৈ স্থানীয় ৰাইজে তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। ইপিনে উক্ত পথটো আজি দুবছৰে পকীকৰণ নোহোৱাত ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। লোক নিৰ্মাণ বিভাগ(পথ)ৰ নলবাৰীৰ কাৰ্যবাহী অভিযন্তাৰ সোপাটিলা ব্যৱস্থাৰ বাবে এনে পয়মালৰ সৃষ্টি হোৱা বুলি অভিযোগ উঠিছে। জানিব পৰা মতে, মুখ্যমন্ত্ৰীৰ পকী পথ নিৰ্মাণ আঁচনিৰ অধীনত ৭৪.৬৯ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া পথটোৰ কাম লাভ কৰে সৌৰভ আলুকদাৰ নামৰ ঠিকাদাৰজনে। পথটোৰ নিৰ্মাণৰ নামত মাটি, শিল-বালি পেলাই তাৰ ওপৰত কটা শিল পাৰিয়েই প্ৰায় দুবছৰ পাৰ কৰিলে সংশ্লিষ্ট ঠিকাদাৰজনে। নলবাৰী চ'ক বজাৰ-চান্দকুছি পথ, আনফালে হাজো-নলবাৰী পথ সংযোগী উক্ত পথটোৰ নিৰ্মাণ কাৰ্য অতি লেহেমীয়া হোৱাত ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। পথটোৰ ওপৰত ওলাই থকা ভঙা শিলে ৰাইজৰ যাতায়াতত অসুবিধাৰ সৃষ্টি কৰিছে। পথটোৰ কাম সময়মতে সম্পূৰ্ণ কৰাত বিভাগীয় কৰ্তৃপক্ষ আৰু পথটোৰ চোৰা-চিতাৰ দায়িত্বত থকা অভিযন্তা আৰু এছএ গৰাকীয়ে কৰ্তব্যত গাফিলতি কৰা বুলিও অভিযোগ উঠিছে। ৰাইজে এনে অনয়মৰ তদন্ত কৰাৰ দাবী জনাইছে। অকল এয়াই নহয়, উক্ত ঠিকাদাৰজনে কাম আবণ্টন পোৱা আন কেইবাটাও পথৰ কাম আধৰুৱা অৱস্থাত পেলাই থোৱাৰ অভিযোগ পোৱা গৈছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ১৭ বছৰৰ মূৰত জয়পুৰ বোমা

বজাৰকে ধৰি ৮টা স্থানত সংঘটিত হৈছিল ভয়াবহ বিস্ফোৰণ। এই ধাৰাবাহিক বিস্ফোৰণত প্ৰাণ হেৰুৱায় কমেও ৮০ জন লোকে, আৰু আহত হয় ১৭০ জন লোকে। সেই ভয়াবহ আক্ৰমণৰ সোতৰ বছৰৰ পাছত মঙলবাৰে জয়পুৰৰ বিশেষ আদালতে চাৰিজন অভিযুক্তক যাৱজ্জীৱন কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰে। সৰৱাৰ আজমী, শ্বাহবাজ হুছেইন, ছাইফুৰ ৰহমান আৰু মহম্মদ ছাইফক আদালতে শাস্তি প্ৰদান কৰিছে। এই গোচৰত আদালতে কয় যে ভাৰতীয় দণ্ডবিধি আৰু দেৱানী আইনৰ উপৰিও চাৰিওজন অভিযুক্তক অবৈধ কাৰ্যকলাপ (প্ৰতিৰোধ) আইন আৰু বিস্ফোৰক আইনৰ একাধিক ধাৰাত দোষী সাব্যস্ত কৰা হৈছে। উল্লেখ্য যে, এই চাৰিজন অভিযুক্তৰ ভিতৰত ২০১৯ চনত শ্বাহবাজ হুছেইনক “প্ৰমাণৰ অভাৱ”ৰ বাবে আদালতে মুকলি কৰি দিছিল। পিছত ২০২৩ চনত জয়পুৰ উচ্চ ন্যায়ালয়েও সকলোকে মুকলি কৰি দিয়ে। কিন্তু এই গোচৰৰ বিশেষ তদন্তৰ সময়ত নতুন প্ৰমাণ ওলোৱাত পুনৰ বিচাৰ মুকলি কৰা হয়। সুদীৰ্ঘ ১৭ বছৰৰ পিছত এই বিস্ফোৰণ কাণ্ডৰ ৰায়দানক লৈ স্বস্তিৰ নিশ্বাস এৰিছে ভুক্তভোগীৰ পৰিয়ালে। একে সময়তে দেশৰ গুৰুত্বপূৰ্ণ সন্ত্ৰাসবাদী গোচৰত ন্যায় পাবলৈ ইমান সময়ৰ প্ৰয়োজন হোৱা কাৰ্যই প্ৰশাসনিক ব্যৰ্থতা উদঙাই দিছে বুলিও বহুতে প্ৰশ্ন উত্থাপন কৰিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# অঞ্জলি মহন চেতিয়ালৈ বীৰাংগনা

জিলা সমিতিয়ে ২০১৩ চনৰ পৰা প্ৰদান কৰি আহিছে বীৰাংগনা মূলাগাভৰু বঁটা। সোণাৰিত বীৰাংগনা মূলাগাভৰু স্মৃতি দিৱস অনুষ্ঠিত কৰি ক্ৰমাগতভাৱে প্ৰদান কৰি অহা হৈছে বীৰাংগনা মূলাগাভৰু বঁটা। অসমৰ সমাজ-জীৱনত শিক্ষা, সাহিত্য আৰু নাৰীৰ উত্তৰণৰ বাবে বিশেষ অৱদান আগবঢ়োৱা কেইবাগৰাকীও বৰেণ্যা নাৰীক ইতিমধ্যে প্ৰদান কৰা হৈছিল বঁটা। চলিত বৰ্ষত এই বঁটা মৰাণৰ বিশিষ্ট সমাজসেৱিকা তথা ক্ৰীড়া সংগঠক অঞ্জলি মহন চেতিয়াক প্ৰদান কৰা হ'ব। টাই আহোম যুৱ পৰিষদ অসমৰ সভাপতি বিজয় ৰাজকোঁৱৰে এই সন্দৰ্ভত আজি এক সংবাদ মেল সম্বোধন কৰি জানিবলৈ দিয়ে এই কথা। সোণাৰিৰ ভগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত টাইপা কেন্দ্ৰীয় সমিতিৰ আহ্বানত চৰাইদেউ জিলা সমিতিৰ উদ্যোগত টাই আহোম মহিলা পৰিষদৰ চৰাইদেউ জিলা সমিতি তথা সোণাৰিবাসীৰ সহযোগত ৩০ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া বীৰাংগনা মূলাগাভৰু স্মৃতি দিৱসৰ দিনা প্ৰদান কৰা হ'ব বঁটাটো। উল্লেখ্য যে অঞ্জলি মহন চেতিয়াই অঞ্জলি ডান্স একাডেমী গঠন, প্ৰবীণ ক্ৰীড়া সন্থা, শিশুৰ প্ৰতিভা বিকাশৰ মঞ্চ গঠনৰ লগতে অসমত সুপ্ত হৈ থকা তৰাছিঙা বিহু পুনৰ উদ্ধাৰ, অসমৰ প্ৰথম অভিধান প্ৰণেতা ডাম চাও টেঙাই মহন পণ্ডিতৰ মৈদাম উদ্ধাৰকে ধৰি বৃহত্তৰ মৰাণ অঞ্চলত ক্ৰীড়া তথা আৰ্থ-সামাজিক ক্ষেত্ৰখনত বহু কাম-কাজ কৰিবলৈ সক্ষম হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘মিছলীয়া’ মোদীৰ জীৱনীৰ নাম ঘোষণা

কটাক্ষ কৰিলে কংগ্ৰেছৰ সাংসদ তথা লোকসভাৰ বিৰোধী নেতা ৰাহুল গান্ধীয়। সোমবাৰে পাটনাত ‘সংবিধান বচাও’ ৰেলীত ভাষণ দি তেওঁ মোদী চৰকাৰৰ ওপৰত তীব্ৰ আক্ৰমণ চলায়। ৰাহুল গান্ধীয়ে নিজৰ ভাষণত একে সময়তে বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰ, কেন্দ্ৰীয় চৰকাৰ আৰু আৰএছএছৰ মুৰব্বী মোহন ভাগৱতক আক্ৰমণ কৰি ৰাজধৰ্ম আৰু গণতান্ত্ৰিক মূল্যবোধৰ নামত "মিছা অপপ্ৰচাৰ" আৰু "অসাংবিধানিক কাৰ্যকলাপ"ৰ অভিযোগ উত্থাপন কৰে। ৰাহুলে কয়, "আৰএছএছে লোকপিয়ল নিবিচাৰে, কাৰণ ই তেওঁলোকৰ মতাদৰ্শৰ ভেটি জোকাৰি যাব।" কংগ্ৰেছ নেতাগৰাকীয়ে সহস্ৰাধিক লোকক সম্বোধন কৰি কয়, "সংবিধান হাতত ল'লে বুজি পায় যে ই গান্ধীজী, আম্বেদকাৰ আৰু নেহৰুৰ আদৰ্শৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে। ইয়াত সাৱৰকাৰৰ মতাদৰ্শ নাই।" ইয়াৰ পিছত তেওঁ মোদীক কটাক্ষ কৰি কয়, "গান্ধীজীয়ে তেওঁৰ আত্মজীৱনী 'মাই এক্সপেৰিমেণ্ট উইথ ট্ৰুথ' লিখিছিল, মোদীজীয়ে হয়তো এদিন 'মাই এক্সপেৰিমেণ্ট উইথ লাই' লিখিব।" তেওঁ আৰু কয়, "মই সংসদত প্ৰধানমন্ত্ৰীক কৈছিলো যে আপুনি '৫০ শতাংশ সংৰক্ষণ সীমা'ৰ আৱৰণ সৃষ্টি কৰিছে। এনডিএ চৰকাৰে এই সীমা কেতিয়াও ভংগ নকৰে। কিন্তু আমি ক্ষমতালৈ আহিলে ইয়াক ভংগ কৰিম। কাৰণ তেতিয়াহে দুখীয়া, পিছপৰা মানুহে নিজৰ প্ৰাপ্য লাভ কৰিব।" এই বক্তব্যৰ ব্যাখ্যা দি ৰাহুলে দাবী কৰে যে, "ভাৰতৰ কৰ্পৰেট খণ্ড ১০ কোটিপতিৰ হাতত বন্দী। আমোলাতন্ত্ৰতো একেখন ছবি স্পষ্ট, য'ত দলিত, অবিচি, ইবিচিৰ বিষয়াৰ কোনো প্ৰতিফলন নাই।" আনহাতে, বিহাৰত শেহতীয়া জাতি লোকপিয়লৰ তথ্যৰ উদ্ধৃতি দি ৰাহুলে এই প্ৰশ্ন উত্থাপন কৰে, "ইবিচি জনসংখ্যা ৩৬ শতাংশ, অবিচি ২৭ শতাংশ, দলিত ১৯ শতাংশ। কিন্তু সেইবোৰ ক'ত?" এই প্ৰশ্ন উত্থাপন কৰি তেওঁ দেশজোৰা লোকপিয়লৰ দাবীত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, "আমি স্বীকাৰ কৰোঁ যে আমি আগতেও ভুল কৰিছিলো, কিন্তু এইবাৰ আমি সেই ভুলবোৰ শুধৰাই দিম। আমি জাতি হিচাপে প্ৰাপ্য অধিকাৰ দিব লাগিব।" তেলেংগানা চৰকাৰৰ জাতি লোকপিয়লৰ উদাহৰণ দি ৰাহুলে কয় যে তেওঁলোকে যিদৰে সংগঠিতভাৱে লোকপিয়ল চলাইছে, সেইদৰেই আমি আগবাঢ়িব বিচাৰো। কংগ্ৰেছে ইতিমধ্যে বিহাৰত দলীয় নেতৃত্বৰ পৰিৱৰ্তন সাধন কৰিছে। দলিত নেতা ৰাজেশ কুমাৰক ৰাজ্যিক কংগ্ৰেছৰ সভাপতি হিচাপে নিযুক্তি দিয়া হৈছে। উচ্চবৰ্ণৰ ভূমিহাৰ সম্প্ৰদায়ৰ আৰু লালু প্ৰসাদৰ ঘনিষ্ঠ বুলি জনাজাত অখিলেশ প্ৰসাদ সিঙক অপসাৰণ কৰা হৈছে। ৰাহুলে আৰু কয় যে আমি দৰিদ্ৰ, কৰ্মসংস্থাপন আৰু প্ৰব্ৰজিত শ্ৰমিকৰ দুৰ্দশাৰ বাবে যুঁজিবলৈ ৰাজপথলৈ ওলাই আহিছো। পাটনা বৈঠকৰ পূৰ্বে তেওঁ বেগুছৰাইৰ কংগ্ৰেছৰ পদযাত্ৰাত অংশগ্ৰহণ কৰে, য'ত তেওঁৰ সৈতে জেএনইউৰ প্ৰাক্তন ছাত্ৰনেতা তথা কংগ্ৰেছ নেতা কানহাইয়া কুমাৰও উপস্থিত থাকে। বগা টি-চাৰ্ট পিন্ধি ৰাহুলে প্ৰায় ১০ হাজাৰ কৰ্মী আৰু সমৰ্থকৰ সৈতে ৰাজপথত পদযাত্ৰা কৰে। ইফালে, ৰাহুলৰ এই পদক্ষেপক আদৰণি জনাইছে আৰজেডিয়ে। দলৰ মুখপাত্ৰ মৃত্যুঞ্জয় তিৱাৰীয়ে কয়, "তেজস্বী যাদৱে ২০২০ চনৰ পৰাই এই বিষয়সমূহ উত্থাপন কৰি আহিছে। এইবাৰ ৰাহুল-তেজস্বীয়ে একেলগে বিজেপিক এক কঠিন প্ৰত্যাহ্বান দিব। আগন্তুক বিধানসভা নিৰ্বাচনত ইণ্ডিয়া মিত্ৰজোঁটে শক্তিশালী ভূমিকা পালন কৰিব।"

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# তামিলনাডুৰ ৰাজ্যপালক ছুপ্ৰিম কৰ্টৰ

তুলিলে উচ্চতম ন্যায়ালয়ে। বিধানসভাত গৃহীত হোৱা ১০ খন বিধেয়ক ৰাজভৱনত আৱদ্ধ কৰি ৰখা সন্দৰ্ভত তামিলনাডুৰ ৰাজ্যপাল আৰ এন ৰৱিৰ ভূমিকাক তীক্ষ্ণ সমালোচনা কৰি এয়া 'অবৈধ' আৰু 'স্বেচ্ছাচাৰী' আখ্যা দিয়ে সৰ্বোচ্চ ন্যায়ালয়ে। আদালতে স্পষ্ট কৰি দিয়ে যে ৰাজ্যপালে নিৰ্বাচিত চৰকাৰক আওকাণ কৰি এনে বিধেয়কক বাধা দিব নোৱাৰে। আদালতৰ মতে, এই পদক্ষেপ কেৱল “অবৈধ”ই নহয়, “স্বেচ্ছাচাৰী”ও। ন্যায়াধীশ জে বি পাৰ্দিৱালা আৰু ন্যায়াধীশ আৰ মহাদেৱনৰ এখন বিভাগীয় বিচাৰপীঠে ৰাজ্যপালৰ ভূমিকাক লৈ অসন্তুষ্টি প্ৰকাশ কৰি কয় যে ৰাজ্যপাল চৰকাৰৰ বাবে অনুঘটক, বাধা নহয়। উল্লেখ্য যে, দীৰ্ঘদিন ধৰি ৰাজভৱনত স্বাক্ষৰৰ বাবে ৰখাই থোৱা হৈছিল তামিলনাডু বিধানসভাই গৃহীত কৰা ১০খন বিধেয়ক। সেই বিধেয়কসমূহৰ ভিতৰত আছিল বিশ্ববিদ্যালয়ৰ উপাচাৰ্য নিযুক্তি সম্পৰ্কীয় এখন বিধেয়কো। ৰাজ্য চৰকাৰৰ পৰা বাৰে বাৰে অনুৰোধ জনোৱাৰ পাছতো ৰাজ্যপাল আৰ এন ৰৱিয়ে কোনো প্ৰতিক্ৰিয়া প্ৰদান কৰা নাছিল। এনে পৰিস্থিতিত ৰাজ্য চৰকাৰে আদালতৰ কাষ চাপে। আজি সেই গোচৰৰ শুনানিৰ সময়ত উচ্চতম ন্যায়ালয়ে উল্লেখ কৰে যে সংবিধানৰ ২০০ নং অনুচ্ছেদ অনুসৰি ৰাজ্যপাল মন্ত্ৰীসভাৰ পৰামৰ্শ অনুসৰি কাম কৰাটো বাধ্যতামূলক। ৰাজনৈতিক মতাদৰ্শ বা পূৰ্বনিৰ্ধাৰিত স্থিতিৰ ওপৰত নহয়, সাংবিধানিক শপতৰ ওপৰত ভিত্তি কৰি তেওঁ কাম কৰিব লাগিব।আদালতৰ পৰ্যবেক্ষণ অনুসৰি যেতিয়া বিলসমূহ গৃহীত কৰি পুনৰ বিবেচনাৰ অন্তত ৰাজ্যপালৰ ওচৰলৈ ঘূৰাই পঠিওৱা হয়, তেতিয়া ৰাষ্ট্ৰপতিৰ অনুমোদনৰ বাবে বিধেয়কখন প্ৰেৰণ কৰাৰ কোনো ভিত্তি নাথাকে। আদালতে কয় যে যদি ৰাজ্যপালে ৰাষ্ট্ৰপতিৰ অনুমোদন প্ৰয়োজনীয় বুলি অনুভৱ কৰে তেন্তে সৰ্বাধিক এমাহৰ ভিতৰত সিদ্ধান্ত ল’ব লাগিব। আৰু যদি ৰাজ্যপালে বিধেয়কখন মানি নলয়, তেন্তে তিনিমাহৰ ভিতৰত সিদ্ধান্ত ল’ব লাগিব। অন্যথা আদালতে স্পষ্ট কৰি দিছে যে বিধেয়কসমূহ অনিৰ্দিষ্টকাললৈ ৰখাৰ প্ৰথা সাংবিধানিক নীতি-নিয়ম উলংঘা কৰাৰ সমান। উল্লেখ্য যে, অ-বিজেপি শাসিত ৰাজ্যত ৰাজ্যপাল আৰু ৰাজ্য চৰকাৰৰ সংঘাত নতুন নহয়। ইয়াৰ পূৰ্বে পশ্চিমবংগৰ তদানীন্তন ৰাজ্যপাল জগদীপ ধনখড়ৰ কাৰ্যকালত কেইবাখনো বিধেয়ক দীৰ্ঘদিন ধৰি স্থবিৰ হৈ ৰখাৰ অভিযোগ উত্থাপন হৈছিল, যাৰ বাবে তীব্ৰ বিতৰ্কৰ সৃষ্টি হৈছিল। একেদৰে ৰাজ্যপালৰ স্থিতিৰ বিৰুদ্ধে দিল্লীত ধৰ্মঘট পৰ্যন্ত কৰিবলগীয়া হৈছিল তদানীন্তন আপ চৰকাৰৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে। এতিয়া তামিলনাডুতো একে ঘটনাৰ পুনৰাবৃত্তি হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যপাল ৰৱিয়ে উচ্চতম ন্যায়ালয়ৰ তিৰস্কাৰৰ সন্মুখীন হ’বলগীয়া হয়। এই ৰায়দান পোহৰলৈ অহাৰ পিছত নিৰ্বাচিত চৰকাৰৰ কামত বাধাৰ সৃষ্টি কৰিবলৈ ৰাজভৱনক এনেদৰে ব্যৱহাৰ কৰাটো আচলতে বৈধ নেকি সেই লৈ প্ৰশ্নৰ উত্থাপন হৈছে। উল্লেখ্য যে সঘনাই ৰাজ্যখনত ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰীৰ মাজত সংঘাতত লিপ্ত হয়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ক্লিনিকত মহিলাৰ গোপন অংগত হাত

এগৰাকী মহিলা ৰোগীয়ে চিকিৎসাৰ গইনা লৈ উৎপীড়ন চলোৱাৰ অভিযোগ উত্থাপন কৰিছে। সুব্ৰত দে’ নামৰ অভিযুক্ত চিকিৎসকজনক গ্ৰেপ্তাৰ কৰিছে গুৱাহাটী আৰক্ষীয়ে। জানিব পৰা মতে, যুৱতীগৰাকীয়ে পৰামৰ্শ ল’বলৈ গৈছিল। সেই সময়তে গোপন অংগত হাত দিয়াৰ লগতে সেই দৃশ্য ৰেকৰ্ড কৰাৰ অভিযোগ উত্থাপন কৰিছিল যুৱতীগৰাকীয়ে। ভুক্তভোগীয়ে ৭ মাৰ্চত দিছপুৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল। আৰক্ষীয়ে ঘটনাক গুৰুত্ব দি তাৎক্ষণিকভাৱে তদন্ত আৰম্ভ কৰিছিল। অভিযুক্ত চিকিৎসকজনক নিশা গ্ৰেপ্তাৰ কৰি জেৰাৰ বাবে জিম্মাত লয় আৰক্ষীয়ে। আজি চিকিৎসকজনক গ্ৰেপ্তাৰ কৰা হয়। ভুক্তভোগী যুৱতীগৰাকীৰ মতে, তেওঁ এমাহৰ পৰা পিঠিৰ বিষৰ চিকিৎসা গ্ৰহণ কৰি আছিল। পুনৰ বিষত ভোগাত অস্বস্তি অনুভৱ কৰাত পুনৰ চিকিৎসাৰ বাবে আহিছিলো। চিকিৎসাৰ বাবে অহাত তেওঁক থেৰাপী দিয়া হয়। থেৰাপী দিয়াৰ সময়ত চিকিৎসক সুব্ৰত দে’য়ে বিভিন্ন অংশত স্পৰ্শ কৰাত অস্বস্তি অনুভৱ কৰিছিল বুলি অভিযোগ আনে। মই নীৰৱ হৈ থাকিব নোৱাৰিলো। কিয়নো তেওঁ সীমা অতিক্ৰম কৰিছিল। মোৰ পিঠিত ভিডিঅ' ৰেকৰ্ডিং কৰি আছিল বুলি অভিযোগ উত্থাপন কৰিছিল মহিলা ৰোগীগৰাকীয়ে। এই ঘটনাই সমগ্ৰ ৰাজ্যতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ব্যক্তিগত ক্লিনিকত ৰোগীৰ সুৰক্ষা হনন কৰাৰ গুৰুতৰ অভিযোগ উঠিছে। ইপিনে আজি এই অভিযোগ নস্যাৎ কৰিছে চিকিৎসকজনে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ডিজিটেল পৃথিৱীত শিশুৰ অধিকাৰক

কথা আলোচনা কৰা হয়। অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান হৰমিত সিঙে ভাষণত কয় যে আমি ইণ্টাৰনেট ব্যৱহাৰ কৰি বহু লাভালাভ লওঁ। আনহাতে বিপদো আছে। যাতে ইণ্টাৰেনেটে আমাৰ সন্তানক প্ৰভাৱিত নকৰে সেয়া নিশ্চিত কৰিব লাগিব। এফালে অভিভাৱক, শিক্ষক আৰু আনফালে শিশুসকলৰ মাজত বিশ্বাস-আধাৰিত যোগাযোগ গঢ়ি তোলাত গুৰুত্ব দিয়া হয়। ডিজিপিগৰাকীয়ে জ্যেষ্ঠ আৰু যুৱসকলৰ মাজত বিশ্বাসেই মুক্ত যোগাযোগৰ আধাৰ আৰু সিয়ে শিশুসকলৰ বাবে সুৰক্ষা নিশ্চিত কৰে বুলি কয়। সিঙে আৰু কয় যে শিশুসকলৰ ডিজিটেল অধিকাৰ সুৰক্ষিত কৰাৰ বাবে এক গুৰুত্বপূৰ্ণ বাৰ্তালাপ আৰম্ভ কৰিবলৈ আমি প্ৰয়াস কৰিছো। প্ৰতিজন লোকক তেওঁলোকৰ ঘৰ, বিদ্যালয়, নিজ সম্প্ৰদায় আৰু সামগ্ৰিকভাৱে সমাজত আলোচনা কৰিবলৈ আহ্বান জনায় আৰক্ষীৰ মুৰব্বীগৰাকীয়ে। বলীউড অভিনেত্ৰী নেহা ধুপিয়াই এই আলোচনা-চক্ৰত অংশ লয়। ডিজিটেল পৃথিৱীত এগৰাকী মাতৃ হিচাপে নিজৰ যাত্ৰাৰ কথা উল্লেখ কৰে। আধুনিক পিতৃ-মাতৃয়ে তেওঁলোকৰ সন্তানৰ জীৱন অনলাইনত অতিবাহিত কৰাৰ ক্ষেত্ৰত সন্মুখীন হোৱা চাপৰ বিষয়ে স্পষ্টকৈ কয়। অভিনেত্ৰীগৰাকীয়ে কয় যে আপোনাৰ সন্তানৰ বিষয়ে সকলোবোৰ অনলাইনত পোষ্ট কৰাৰ প্ৰয়োজন নাই। অনলাইত শিশুক দেখুৱাই থকাৰ প্ৰয়োজন নাই বুলি কোৱাৰ লগতে শিশুৰ ডিজিটেল মৰ্যাদা সুৰক্ষিত কৰাৰ প্ৰয়োজনীয়তা আছে বুলি কয় নেহাই। নেহাই শিশুৰ অধিকাৰ সুৰক্ষিত কৰাত জোৰ দিয়ে। অভিনেতা কপিল বৰা আৰু জেৰিফা ৱাহিদে এক প্ৰদৰ্শন আগবঢ়ায়। আধুনিক যুগৰ শিশুৰ প্ৰতিপালনৰ আৱেগিক দৃশ্যপট প্ৰদৰ্শন কৰে। পিতৃ-মাতৃসকলে কেনেদৰে শিশুক ইণ্টাৰনেটৰ কাষ চপাই আনিছে তাক প্ৰতিফলিত কৰে। সেই বিষয়ে গভীৰভাৱে পুনৰ চিন্তা কৰাৰ আহ্বান জনাই প্ৰদৰ্শনত কোৱা হয় যে ডিজিটেল যুগত পিতৃ-মাতৃৰ ওচৰত সকলো বিষয়ক লৈ উত্তৰ নাথাকে। যাৰ ফলত প্ৰেম, ভয় আৰু আশাক লৈ বিভ্ৰান্তি হয় শিশু। অনুষ্ঠানটোত শিশুৰ অফলাইন আৰু অনলাইন জীৱনৰ মাজৰ ব্যৱধান কেনেদৰে দূৰ কৰিব পাৰি তাক কোৱা হয়। ডিজিটেল যুগত শিশুৰ অধিকাৰ বজাই ৰাখিবলৈ আৰু নিশ্চিত কৰিবলৈ আইনী পৰিকাঠামো, শিক্ষানুষ্ঠান আৰু পৰিয়ালে কেনেদৰে পদক্ষেপ ল'ব লাগিব সেই বিষয়ে এক অৰ্থপূৰ্ণ আলোচনা কৰা হয়।

# তিনিচুকীয়াত টাই আহোমৰ ৰে'ল অৱৰোধ কাৰ্যসূচী

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ৮ এপ্ৰিলঃ** টাই আহোম জনগোষ্ঠীৰ একমাত্ৰ ছাত্ৰ সংগঠন সদৌ টাই আহোম ছাত্ৰ সন্থা (আটাছু) ই জন্মলগ্নৰে পৰা জনগোষ্ঠীটোৰ জনজাতিকৰণ আৰু স্বায়ত্তশাসন বিচাৰি ৰাজপথত সংগ্ৰাম কৰাৰ লগতে বৌদ্ধিকভাৱেও সংগ্ৰাম কৰি আহিছে। কিন্তু এই সহজ-সৰল জনগোষ্ঠীটোৰ ৰাইজক সদায় প্ৰতিখন চৰকাৰে ৰাজনৈতিকভাৱে ব্যৱহাৰ কৰি আহিছে। গতিকে ৰাজপথৰ সংগ্ৰামখন অধিক সবলৰূপে আগবঢ়াই নিয়াৰ পোষকতা কৰি ৰাইজ ওলাই অহা পৰিলক্ষিত হৈছে বুলি ৰজাঘৰে বুজি পাইছে। আটাছুৰ দাবীৰ প্ৰতি সঁহাৰি জনাই অসমৰ বিভিন্ন ঠাইত টাই আহোম জনগোষ্ঠীৰ ৰাইজে প্ৰতিবাদ কৰি অহাৰ লগতে আটাছুৰ কেন্দ্ৰীয় সমিতিৰ আহ্বানমৰ্মে আজি তিনিচুকীয়া জিলা টাই আহোম ছাত্ৰ সন্থাৰ উদ্যোগত তিনিচুকীয়া ৰে'ল ষ্টেচনত "ৰে'ল অৱৰোধ" কাৰ্যসূচী ৰূপায়ণ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। শ শ ৰাইজে অংশগ্ৰহণ কৰা কাৰ্যসূচীটোত জনজাতিকৰণ আমাক লাগিবই, We want ST, No ST, No vote, No ST, No rest, মিথ্যাচাৰী নৰেন্দ্ৰ মোদী নিপাত যাওক, বিজেপি চৰকাৰ হায় হায়, বিজেপি চৰকাৰ পতন হওক, হিমন্ত বিশ্ব শৰ্মা মিছলীয়া আদি বিভিন্ন প্ৰতিবাদী শ্লʼগানে তিনিচুকীয়াৰ আকাশ-বতাহ কঁপাই তোলে। প্ৰতিবাদী কাৰ্যসূচীৰ অন্তত এখন প্ৰতিবাদী সভা অনুষ্ঠিত কৰি আটাছুৰ জিলাৰ মুখ্য উপদেষ্টা নৰজিত বৰুৱা, সভাপতি নয়ন বুঢ়াগোহাঁই, কাৰ্যকৰী সভাপতি ধ্ৰুৱজ্যোতি গগৈ আৰু সাধাৰণ সম্পাদক সৌমাৰজিত কোঁৱৰে জনগোষ্ঠীটোৰ ৰাইজক আগন্তুক পঞ্চায়ত নিৰ্বাচনত সন্থাৰ দাবীসমূহৰ বিষয়ে উত্থাপন নকৰা প্ৰতিটো ৰাজনৈতিক দলৰ কৰ্মকৰ্তাক পশুখেদা দিবলৈ আহ্বান জনায়। কাৰ্যসূচীত অংশগ্ৰহণ কৰি আটাছুৰ কেন্দ্ৰীয় সভাপতি চাও মিলন বুঢ়াগোহাঁয়ে উদাত্ত কণ্ঠেৰে বিজেপি চৰকাৰক কঠোৰ সমালোচনা কৰি কয় যে টাই আহোম জনগোষ্ঠীৰ দুখ-দুৰ্দশা আৰু দাবীসমূহৰ বিষয়ে গুৰুত্ব দিবলৈ বিজেপি চৰকাৰৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সময় নাই। বিগত লোকসভা নিৰ্বাচনত যোৰহাট আৰু ডিব্ৰুগড় সমষ্টিত মুখথেকেচা খাই মুখ্যমন্ত্ৰীয়ে কেৱল আহোম জনগোষ্ঠীৰ ৰাইজক হিতাধিকাৰী সজাবলৈ অহৰহ চেষ্টা কৰি বিভিন্ন পন্থা অৱলম্বন কৰিছে। প্ৰয়োজন হলে টাই আহোমক ক্ষন্তেকীয়াকৈ বিভিন্ন সুবিধা দিব কিন্তু জনগোষ্ঠীটোক ৰাজনৈতিকভাৱে সুৰক্ষিত হোৱাকৈ জনজাতিকৰণ নিদিয়ে। কাৰণ জনজাতিকৰণ দিলে মুখ্যমন্ত্ৰীৰ আসন থৰক-বৰক হ'ব। টাই আহোমৰ যিসকল নেতা-কৰ্মী বিজেপি দলত আছে সিহঁতেও দুদিনীয়া সুবিধাৰ স্বাৰ্থত নিজ জনগোষ্ঠীটোক মাহী আইৰ চকুৰে চোৱাৰ লগতে মুখ্যমন্ত্ৰীৰ প্ৰিয়পাত্ৰ বুলি নিজকে গণ্য কৰি মুখ্যমন্ত্ৰীয়ে ৰচা টাই আহোমৰ ধ্বংসযজ্ঞত সহযোগ কৰি আছে। যিদিনা মুখ্যমন্ত্ৰীৰ আসনখন হিমন্ত বিশ্ব শৰ্মাৰ পৰা চিৰদিনৰ বাবে গুচি যাব, সেইদিনাৰ পৰা জনগোষ্ঠীটোৰ এই বদনবোৰৰো সমাজত স্থান নাইকিয়া কৰি দিব সিহঁতৰ গুৰুসদৃশ ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীয়ে আহোম জনগোষ্ঠীৰ দক্ষ বিধায়কক মন্ত্ৰিত্ব প্ৰদান নকৰে কাৰণ আহোমৰ দক্ষতাক তেওঁ ভয় কৰে। যোগেন মোহনৰ দৰে অকৰ্মণ্য এজনক সেয়েহে তেওঁ মন্ত্ৰিত্ব প্ৰদান কৰি থৈছে, যিজনে একো এটা সিদ্ধান্ত নিজে ল'বও নোৱাৰে, কামো কৰিব নোৱাৰে। ৰাজহ মন্ত্ৰী হৈ থাকোঁতে বানৰ কবলত পৰি কাঁইটীয়া শিবিৰত বছৰ বছৰ ধৰি বসবাস কৰি থকা ২১ টা পৰিয়ালক ভূমি প্ৰদান কৰিম বুলি ৰাজহুৱাকৈ মিছা মতা যোগেন মোহনক মুখ্যমন্ত্ৰীয়ে সৰ্বকালৰ বাবে মন্ত্ৰিত্ব দি থাকিব কাৰণ তেওঁ য়েছ ছাৰ কৈ থকা মন্ত্ৰী। তেওঁকো এইবাৰ ভালকৈ এসেকা দিব লাগিব। টাই ভাষাৰ শিক্ষক প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ কাৰ্যকালত ২০০ জনক নিযুক্তি দিছিল। সেইগৰাকী হিতেশ্বৰ শইকীয়াৰে ৰাজনৈতিক শিষ্য ড° হিমন্ত বিশ্ব শৰ্মাই আজিলৈকে এগৰাকীও টাই ভাষা শিক্ষকক নিযুক্তি দিয়া নাই। অনতিপলমে টাই ভাষা শিক্ষক নিযুক্তি নিদিলে আহোম জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলেও হিমন্ত বিশ্ব শৰ্মাক বেঁকা চকুৰে চাবলৈ আৰম্ভ কৰিব। মুঠৰ ওপৰত এইসমূহ সমস্যাৰ সমাধান হিচাপে টাই আহোম জনগোষ্ঠীয়ে ৰাজনৈতিক সংগ্ৰাম কৰিব লাগিব। এইবাৰ পঞ্চায়ত নিৰ্বাচনত বিজেপিক আহোম অধ্যুষিত অঞ্চলত তিতা-কেঁহা দেখুৱাবলৈ ৰাইজক আহ্বান জনাই আগন্তুক ২০২৬ ৰ বিধানসভা নিৰ্বাচনৰ আগত ৰাজনৈতিকভাৱে বিজেপি দলটোক এশিকনি দিবৰ বাবে সাজু হ'বলৈ আহ্বান জনায়। আটাছুৰ সাধাৰণ সম্পাদক ভাস্কৰজ্যোতি বৰগোহাঁয়ে প্ৰতিবাদী সভাত বক্তব্য প্ৰদান কৰি কয় যে আহোম জনগোষ্ঠীৰ ৰাইজ পঞ্চায়ত নিৰ্বাচনৰ বাবে সাজু হওক, যাতে বিজেপিয়ে ভোট বিচাৰি আহোঁতে আমাৰ জনগোষ্ঠীক প্ৰতাৰণা কৰা লোকক উচিত শিক্ষা দিব পাৰে। আহোমৰ নামত কেৱল ৰাজনীতি কৰি নিজৰ উন্নয়ন কৰিছে। গতিকে ৰাইজ সময় থাকোঁতে বুজি উঠক আৰু জাতিৰ বদনসকলক চিনি থওক। আটাছুৰ উপদেষ্টা অনিল গগৈয়ে কাৰ্যসূচীত উপস্থিত থাকি গাঁৱে গাঁৱে প্ৰতিবাদ কৰিবলৈ সকলোকে একগোট কৰি জনগোষ্ঠীটোৰ লাখ লাখ লোকক লগত লৈ অহৰহ প্ৰতিবাদ কৰিলেহে এইখন মিছলীয়া বিজেপি চৰকাৰে আহোম জনগোষ্ঠীলৈ ভয় কৰিব বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। কাৰ্যসূচীৰ অন্তত তিনিচুকীয়া জিলা টাই আহোম ছাত্ৰ সন্থাই টাই আহোম জনগোষ্ঠীক অনতিপলমে জনজাতিৰ মৰ্যাদা আৰু স্বায়ত্ত শাসন প্ৰদান কৰা, অসমৰ ঐতিহাসিক কীৰ্তিচিহ্নসমূহৰ সৌন্দৰ্যবৰ্ধন আৰু বিজ্ঞানসন্মত সংৰক্ষণৰ ব্যৱস্থা কৰা, প্ৰাথমিক বিদ্যালয়সমূহত টাই ভাষাৰ পাঠদানৰ বাবে পুনৰ টাই ভাষা শিক্ষক নিযুক্তি দিয়া, অৰুণাচল প্ৰদেশত বসবাস টাই আহোম জনগোষ্ঠীৰ লোকক অৰুণাচল চৰকাৰৰ দ্বাৰা স্থায়ী বাসিন্দাৰ প্ৰমাণ-পত্ৰ প্ৰদান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা আৰু ডুমডুমাত অস্থায়ীভাৱে শিবিৰ পাতি বসবাস কৰি থকা ২৭টা টাই আহোম জনগোষ্ঠীৰ পৰিয়ালক ভূমি প্ৰদান কৰাৰ দাবীৰে এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰে।

# নগাঁৱত বিজেপিৰ পঞ্চায়ত নিৰ্বাচনৰ তৎপৰতা

**ই-সংবাদ, বেবেজীয়া, ৮ এপ্ৰিলঃ** ৰাজ্যত দুটা পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলবোৰে ব্যাপক তৎপৰতা অব্যাহত ৰাখিছে। জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়ত সদস্য পদৰ বাবে অনুষ্ঠিত হ'বলগীয়া এই পঞ্চায়ত নিৰ্বাচনৰ বতাহ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে নগাঁও জিলাতো বলিছে। অৱশ্যে বৰ্তমানলৈকে শাসক-বিৰোধীৰ কোনো এটা দলেই প্ৰাৰ্থীৰ নামৰ তালিকা ঘোষণা কৰা নাই যদিও সম্ভাব্য প্ৰাৰ্থীয়ে ইতিমধ্যে নিজাববীয়াকৈ প্ৰচাৰ অভিযানত নামি পৰিছে। জিলাখনৰ নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টিৰ অন্তৰ্গত কাছমাৰী জিলা পৰিষদ সদস্য পদৰ প্ৰাৰ্থীৰ বাবে ইতিমধ্যে শাসকীয় বিজেপি দলৰ তিনিগৰাকী প্ৰাৰ্থীৰ নাম সঘনে উচ্চাৰিত হৈছে। শেনচোৱা, কাছমাৰী, মাজ জাজৰি-দৰঙীয়াল, ৰাইদঙীয়া-বৰদোৱা আৰু আইভেটি গাঁও পঞ্চায়তক সামৰি গঠিত কাছমাৰী জিলা পৰিষদৰ সদস্যৰ প্ৰাৰ্থিত্বৰ বাবে মহিলাকে ধৰি বহুকেইজনে তৎপৰতা চলাইছে যদিও এইক্ষেত্ৰত জিলা পৰিষদটোৰ বাবে পংকজ বৰা, ৰাহুল মেধী আৰু ৰিপুঞ্জয় শইকীয়াৰ নামত চৰ্চিত হৈছে। ইয়াৰে পংকজ বৰা বিগত দুটাকৈ কাৰ্যকালত কাছমাৰী গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য আৰু সভাপতি হিচাপে নিৰ্বাচিত হৈছিল। ইয়াৰ বিপৰীতে ৰিপুঞ্জয় শইকীয়া দলংঘাট মণ্ডল যুৱ মৰ্চাৰ সভাপতি, ৰাজ্যিক যুৱ মৰ্চাৰ কাৰ্যকৰী সদস্য, বিজেপিৰ কলিয়াবৰ জিলা সমিতিৰ সম্পাদক হিচাপে দায়িত্ব পালন কৰি আহিছে। ঠিক সেইদৰে ৰাহুল মেধি এজন সক্ৰিয় যুৱ সমাজকৰ্মী। অঞ্চলৰ বহুকেইটা সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ লগত জড়িত থাকি সমাজৰ হকে সেৱা আগবঢ়াই আহিছে। কিন্তু এইকেইজন সম্ভাব্য প্ৰাৰ্থীৰ ভিতৰত কৰ্মদক্ষতাৰ ক্ষেত্ৰত পংকজ বৰা আন দুজনতকৈ বেছ অভিজ্ঞতা সম্পন্ন। কিয়নো বিগত দুটাকৈ কাৰ্যকালত পংকজ বৰাই অতি দক্ষতাৰে সুচাৰুৰূপে পঞ্চায়তৰ কাম-কাজ চলাইছিল। আনকি স্থানীয় বিধায়কৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আছে নম্ৰ প্ৰকৃতিৰ পংকজ বৰাৰ। সেয়ে পঞ্চায়তৰ সাধাৰণ শ্ৰেণীৰ লোকৰ লগত সু-সম্পৰ্ক বৰ্তাই ৰখা পংকজ বৰাই প্ৰাৰ্থিত্ব লাভ কৰিলে জয়ী হোৱাৰ সম্ভাৱনা যথেষ্ট বুলি সচেতন মহলে মন্তব্য কৰিছে। ইয়াৰ বিপৰীতে কাছমাৰী জিলা পৰিষদৰ প্ৰাৰ্থিত্বৰ বাবে বিৰোধী দলবোৰৰ তৎপৰতা আজিও বিশেষ চকুত লগা হোৱা নাই। তদুপৰি বিৰোধীৰ ফালৰ পৰা উচ্চাৰিত হোৱা নাই বিশেষ জনপ্ৰিয়তা থকা প্ৰাৰ্থিত্ব প্ৰয়াসীৰ নাম। বিশেষকৈ প্ৰধান বিৰোধী দল কংগ্ৰেছেও প্ৰাৰ্থীৰ নাম অদ্যপি ঠিৰাং নকৰাত নিৰ্বাচনী যুঁজখন পোহৰলৈ অহা নাই।

# সাতখলি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক হৰিচন্দ্ৰ নাথৰ বিদায় সম্বৰ্ধনা অনুষ্ঠান সম্পন্ন

**ই-সংবাদ, দুমুনিচকী, ৮ এপ্ৰিলঃ** দৰং জিলাৰ ছিপাঝাৰ শিক্ষাখণ্ডৰ অধীনস্থ ১৪৪ নং সাতখলি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক হৰিচন্দ্ৰ নাথৰ অৱসৰকালীন বিদায় সম্বৰ্ধনা সভাখন আজি অনুষ্ঠিত হৈ যায়। অৱসৰপ্ৰাপ্ত শিক্ষক আলহাজ মৌলানা আজমল হুছেইনৰ সভাপতিত্বত অনুষ্ঠিত ৰাজহুৱা বিদায় সম্বৰ্ধনা সভাখনিত দৰং জিলা পৰিষদৰ প্ৰাক্তন সভাপতি ইনামুল মজিদ মুখ্য অতিথি হিচাপে উপস্থিত থাকি শিক্ষকৰ কৰ্তব্য আৰু বিদায় শিক্ষক হৰিচন্দ্ৰ নাথ সম্পৰ্কে মননশীল বক্তব্য প্ৰদান কৰে। বিদায় সম্বৰ্ধনা অনুষ্ঠানটি আড়ম্বৰপূৰ্ণভাৱে আয়োজনেৰে ৰাজহুৱাভাৱে নিষ্ঠাৱান শিক্ষকগৰাকীলৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰি বিদ্যালয় পৰিচালনা সমিতি তথা স্থানীয় ৰাইজে এক মহৎ উদাহৰণ দাঙি ধৰা বুলি কৈ তেওঁ এই প্ৰয়াসৰ শলাগ লয়। সভাত মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক বিনোদ হাজৰিকা সহিতে কেইবাগৰাকী বিশিষ্ট লোক উপস্থিত থাকে। সমাজকৰ্মী নজমল হুছেইনে আঁত ধৰা সভাখনত বিদ্যালয়খনৰ শিক্ষক গোট, ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, অভিভাৱক-অভিভাৱিকা তথা বিদ্যালয় পৰিচালনা সমিতি তৰফৰ পৰা হৰিচন্দ্ৰ নাথক উষ্ম অভিনন্দন তথা বিদায় সম্বৰ্ধনা জনোৱা হয়। একেদৰে শিক্ষক হৰিচন্দ্ৰ নাথৰ বাসগৃহত অনুষ্ঠিত হয় আন এখন বিদায় সম্বৰ্ধনা সভা। অৱসৰপ্ৰাপ্ত অধ্যক্ষ উপেন্দ্ৰ কুমাৰ নাথৰ সঞ্চালনাত অনুষ্ঠিত সভাখনত স্থানীয় ৰাইজ তথা শুভাকাংক্ষীয়ে শিক্ষকগৰাকীক উষ্ম অভিনন্দন জ্ঞাপন কৰে। উল্লেখ্য যে, ১৯৮৫ চনত গণেশকুঁৱৰীৰ মাজৰ চুবা প্ৰাথমিক বিদ্যালয়ৰ পৰা শিক্ষকতা জীৱন আৰম্ভ কৰা হৰিচন্দ্ৰ নাথে যোৱা ৩১ মাৰ্চত অৱসৰ গ্ৰহণ কৰে। ইতিমধ্যে শিক্ষক নাথে দৰং জিলা কৃতী শিক্ষকৰ বঁটা, ওদালগুৰি জিলাৰ আধ্যাত্মিক বিজ্ঞান কেন্দ্ৰ, দৰং জিলা যোগী সম্মিলন আদিৰ পৰাও বঁটা লাভ কৰিছে।

# ৪২সংখ্যক ৩২প্ৰহৰ নাম কীৰ্তন আৰু মহোৎসৱৰ সামৰণি

**ই-সংবাদ, ফুলনি, ৮ এপ্ৰিলঃ** কাৰ্বি আংলং জিলাৰ লাংহিন নগৰস্থিত লাংহিন বাৰোৱাৰী পূজা মন্দিৰ প্ৰাংগণত তথা লাংহিন সাৰ্বজনীন শ্ৰী শ্ৰী কৃষ্ণ চৈতন্য মহাপ্ৰভুৰ বাৰ্ষিক উৎসৱ উদযাপন সমিতিৰ উদ্যোগত ৬ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত ৪২ সংখ্যক ৩২ প্ৰহৰ নাম কীৰ্তন আৰু মহোৎসৱৰ মঙলবাৰে পুৱা সফল সামৰণি পৰে। ৬ দিনীয়াকৈ অবিৰতভাৱে চলি থকা নাম কীৰ্তন ভাগিত জাতি-ধৰ্ম নিৰ্বিশেষে হাজাৰ হাজাৰ ভক্তপ্ৰাণ লোকে অংশগ্ৰহণ কৰি মহাপ্ৰসাদ গ্ৰহণ কৰে। আনহাতে, উক্ত নাম কীৰ্তন আৰু মহোৎসৱ সাফল্য মণ্ডিত কৰাৰ বাবে ভক্তপ্ৰাণ ৰাইজক ধন্যবাদ জ্ঞাপন কৰিছে সাৰ্বজনীন নাম কীৰ্তন আৰু মহোৎসৱ কমিটীৰ সভাপতি কমল ব্ৰহ্ম, কাৰ্যকৰী সভাপতি প্ৰবিৰ দত্ত আৰু সম্পাদক চংকু দাসে।

# ৱাকফ সংশোধনী আইন-২০২৫ৰ সন্দৰ্ভত ৰাইজলৈ অসম ৰাজ্যিক জমিয়ত উলামাৰ আহ্বান

**ই-সংবাদ, মৈৰাবাৰী, ৮ এপ্ৰিলঃ** সংসদত গৃহীত হোৱা ৱাকফ সংশোধনী আইন-২০২৫ সম্পৰ্কত অসম ৰাজ্যিক জমিয়ত উলামাৰ সভাপতি মৌলানা মুস্তাক আনফৰ আৰু সাধাৰণ সম্পাদক মৌলানা আব্দুৰ ৰশ্বিদ কাছিমীয়ে এক প্ৰেছ বিবৃতিযোগে নিজৰ স্থিতি স্পষ্ট কৰি কয় যে সৰ্বভাৰতীয় জমিয়ত উলামা-ই-হিন্দৰ সভাপতি হজৰত মৌলানা ছৈয়দ আৰ্শাদ মদনী চাহাবে উক্ত আইনৰ তীব্ৰ বিৰোধিতা কৰি আইনখন দেশৰ সংবিধান বিৰোধী আৰু মুছলমান সকলৰ সংবিধান প্ৰদত্ত ধৰ্মীয় স্বাধীনতাত হস্তক্ষেপ বুলি অভিহিত কৰি আইনী যুঁজ আৰম্ভ কৰিছে। লগতে এই আইনখন কেৱল মুছলমানসকলৰেই নহয় বৰং ধৰ্মনিৰপেক্ষ কোনো এজন ব্যক্তিৰ বাবে গ্ৰহণযোগ্য নহয় বুলি নিজৰ মতামত ব্যক্ত কৰি মদানী চাহাবে ইতিমধ্যে আইনখন বাতিলকৰণৰ বাবে ন্যায় বিচাৰি দেশৰ উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হৈছে বুলি অসম ৰাজ্যিক জমিয়ত উলামাৰ নেতাদ্বয়ে বিবৃতিযোগে জানিবলৈ দিয়ে। তদুপৰি জমিয়ত উলামা-ই-হিন্দৰ এটি ৰাজ্যিক পৰ্যায়ৰ শাখা সংগঠন হিচাপে অসম ৰাজ্যিক জমিয়ত উলামায়ো মাদানী চাহাবৰ উক্ত স্থিতি আৰু পদক্ষেপক পূৰ্ণ সমৰ্থন জনাই এই ক্ষেত্ৰত জমিয়ত উলামা-ই হিন্দৰ সভাপতি মাদানী চাহাবৰ পদক্ষেপৰ প্ৰতি সমৰ্থন আগবঢ়াই যাব বুলি অসম ৰাজ্যিক জমিয়ত উলামাৰ নেতৃবৃন্দই বিবৃতিযোগে জানিবলৈ দিয়ে। আনহাতে, উক্ত আইনখনৰ বিৰোধিতা কৰাৰ ক্ষেত্ৰত মাদানী চাহাবে পথত নামি কোনো ধৰণৰ ধৰ্ণা, প্ৰতিবাদী সমদল, বন্ধ আদি অনুষ্ঠিত কৰাৰ পোষকতা কৰা নাই। মাদানী চাহাবৰ উক্ত দূৰদৰ্শী আহ্বানৰ প্ৰতি সমৰ্থন জনাই অসম ৰাজ্যিক জমিয়ত উলামাই তেওঁৰ চিন্তাধাৰা স্বাগতম জনাই তেওঁৰ সময়োপযোগী পদক্ষেপক সমৰ্থন জনাইছে।

# ছিপাঝাৰত লোক-কৃষ্টিৰ আংগিকেৰে 'জনক নন্দিনী'ৰ সফল মঞ্চায়ন

**ই-সংবাদ, ছিপাঝাৰ, ৮ এপ্ৰিলঃ** অসমৰ লোক পৰিৱেশ্য কলাৰ সঁফুৰা স্বৰূপ দৰং জিলা। এই দৰঙী লোক-কৃষ্টিকেই নাটকৰ মাধ্যমত উজলাই তোলাৰ এক প্ৰয়াস চলিল ছিপাঝাৰৰ এখন নাট্য মঞ্চত। সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বৰ্তমান ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড০ পৰমানন্দ ৰাজবংশী ৰচিত নাট 'জনক নন্দিনী'ৰ মঞ্চায়নত দৰ্শকে উপভোগ কৰিলে অগতানুগতিক আংগিক তথা বৰ্ণময় অভিনয়। বিশিষ্ট নাট্যকৰ্মী দিলীপ নাথৰ সুদক্ষ পৰিচালনাত প্ৰাণ পাই উঠিল লোককৃষ্টিৰ ৰসেৰে পুষ্ট এক সুন্দৰ নাট। উল্লেখ্য যে, গুৱাহাটীস্থিত সাংস্কৃতিক প্ৰকল্প, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, ৰবীন্দ্ৰ ভৱনকে আদি কৰি অসমৰ বিভিন্ন মঞ্চত ৰাইজৰ সমাদৰৰ মাজেৰে মঞ্চায়িত এই 'জনক নন্দিনী' ৰামায়ণৰ এক বিশেষ খণ্ডৰ ওপৰত ৰচনা কৰা হৈছে। মহাকাব্য ৰামায়ণৰ চিৰ পৰিচিত চৰিত্ৰ ৰাম, লক্ষ্মণ,ভৰত, শত্ৰুঘ্ন, ৰাৱন আদিক অন্য এক দৃষ্টিৰে বিশ্লেষণ কৰাৰ লগতে বিশেষভাৱে সীতাক লৈনাট্যকাৰগৰাকীয়ে এই 'জনক নন্দিনী'ত আন এক সম্পৰীক্ষাৰ সফল ৰূপায়ণ কৰিছে। উল্লেখ্য যে, নাটখনিৰ নাট্যকাৰ ড০ ৰাজবংশীৰ জন্মস্থান পাতিদৰঙৰ অৰ্ধ নাৰীশ্বৰ মন্দিৰ প্ৰাংগণত যোৱা পাঁচ এপ্ৰিলত মঞ্চায়ন কৰা এই নাটখনিৰ দুকুৰি অভিনয় শিল্পীৰ সকলোৰেই আছিল নৱাগত। শাৰীৰিক অৱয়বৰ দ্বাৰাই সুন্দৰ দৃশ্যপট সৃষ্টি আছিল নাটখনিৰ মঞ্চায়নৰ অন্য এক ব্যতিক্ৰমী দিশ। এক সুন্দৰ সাংস্কৃতিক পৰিৱেশত মঞ্চস্থ হোৱা এই 'জনক নন্দিনী'ৰ মূল চৰিত্ৰ সীতাৰ ভাওত অৱতীৰ্ণ হৈছিল প্ৰিয়ংকা শইকীয়া। ৰাৱনৰ চৰিত্ৰত অনুপ ৰাজবংশী, ৰামৰ চৰিত্ৰত নিহাৰ ৰঞ্জন ডেকাই অভিনয় কৰিছিল। আন পাৰ্শ্ব চৰিত্ৰৰ শিল্পীসকল আছিল ক্ৰমে প্ৰবীণ ডেকা, মৃদুস্মৃতা শৰ্মা, দৰদী শইকীয়া, অভিজিত শইকীয়া, গগণ শইকীয়া, চুমলিৰাজকুমাৰী, ধৰিত্ৰী শইকীয়া, ডলী কাশ্যপ, জনাৰ্দ্দন ডেকা, মুনীন্দ্ৰ শইকীয়া, পংকীপ্ৰিয়া ৰাজবংশী, জিতুল ডেকা, মৃগাংক শইকীয়া, ৰাহুল শইকীয়া, হিম ৰাজকুমাৰ, লাকিশ্ৰী ৰাজবংশী, কল্যাণী শইকীয়া, যুক্তা ৰাজকুমাৰী, ৰিমলি শইকীয়া, হিমজ্যোতি শইকীয়া, তৃষাৰাণী শইকীয়া, মনপ্ৰীত শাণ্ডিল্য, প্ৰিয়াংশু ডেকা, দিশান্ত ডেকা, অভিপ্সা ৰাজবংশী, জংকীপ্ৰিয়া কলিতা, মিতালী ডেকা, অনামিকা শইকীয়া, পৰাগ শইকীয়া, অংকুৰ ডেকা, ধীৰাজ ডেকা, হিমাংশু শইকীয়া, অংশুমান শইকীয়া আৰু নয়নজ্যোতি শইকীয়াই। নাটখনিৰ সামগ্ৰীক ব্যৱস্থাপনা আছিল দুলাল ৰাজবংশী, প্ৰবীণ ডেকা আৰু হিতেশ ডেকাৰ। নৃত্য-গীতৰ পৰিচালনাত আছিল দেৱযানী নাথ। সংগীত হিতেশ শইকীয়া, অতুল ডেকা, কিৰণ ডেকা আৰু ধৰ্মেশ্বৰ শইকীয়াৰ।

## সৰুছলা নৱোদয় যুৱক সংঘৰ উদ্যোগত খেল-ধেমালি আৰু সাংস্কৃতিক অনুষ্ঠান

**ই-সংবাদ, মৈৰাবাৰী, ৮ এপ্ৰিলঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰীৰ অন্তৰ্গত সৰুছলাত পবিত্ৰ ঈদ উপলক্ষে দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায় খেল-ধেমালি আৰু সাংস্কৃতিক অনুষ্ঠান। সৰুছলা আঞ্চলিক খেলপথাৰত ৫ আৰু ৬ এপ্ৰিলত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা অনুষ্ঠানটোত বিভিন্ন কাৰ্যসূচীৰ লগতে অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰতিযোগিতামূলক খেল-ধেমালি, নৃত্য-গীত, আলোচনা চক্ৰ, সম্বৰ্ধনা অনুষ্ঠান আদিৰ আয়োজন কৰা হয়। দ্বিতীয় দিনৰ কাৰ্যসূচীত অঞ্চলটোৰ বহু কেইগৰাকী বিশিষ্ট জ্যেষ্ঠ ব্যক্তিক সৰুছলা নৱোদয় যুৱক সংঘৰ তৰফৰ পৰা আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱা হয়। আলোচনা চক্ৰ আৰু সম্বৰ্ধনা অনুষ্ঠানৰ অন্তত ৬ এপ্ৰিলত সন্ধিয়া সংগীতানুষ্ঠানত বিলাসীপাৰাৰ জনপ্ৰিয় কণ্ঠশিল্পী আব্দুল জব্বাৰ, ধুবুৰীৰ কণ্ঠশিল্পী গোলচানা পাৰবিন, স্থানীয় কণ্ঠশিল্পী মাণিক চান্দ'কে আদি কৰি অঞ্চলটোৰ কেইবাগৰাকী শিল্পীয়ে নৃত্য-গীত পৰিৱেশন কৰে। উক্ত অনুষ্ঠানটি ত আগ ভাগ লয় সৰুছলা নৱোদয় যুৱক সংঘৰ সভাপতি ছাইফুল ইছলাম, সম্পাদক দিলদাৰ হুছেইন, অন্যান্য সদস্য তথা অঞ্চলটোৰ সচেতন ৰাইজে

## গেলেকী প্ৰেছ ক্লাবৰ সম্বৰ্ধনা অনুষ্ঠান

**ই-সংবাদ, গেলেকী, ৮ এপ্ৰিলঃ** অসম-নাগালেণ্ড সীমান্তৱৰ্তী বৃহত্তৰ অঞ্চল গেলেকী। এই বৃহত্তৰ অঞ্চলত বিগত বৰ্ষৰ মে' মাহৰ ২০ তাৰিখে গঠন কৰা হয় গেলেকী প্ৰেছ ক্লাব। গেলেকী অঞ্চলৰ পৰা দীৰ্ঘদিন দিন ধৰি সংবাদসেৱা আগবঢ়াই অহা সংবাদকৰ্মী, বিশিষ্ট লেখক, সাহিত্যিক, সমাজকৰ্মীক লৈ গঠন কৰা হয় গেলেকী প্ৰেছ ক্লাব। জন্মলগ্নৰে পৰা প্ৰতিমাহে গেলেকী প্ৰেছ ক্লাবে গেলেকী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ এনে কিছু ব্যক্তিক সম্বৰ্ধনা জনাই আহিছে, যিয়ে সমাজ জীৱনৰ বাবে আহোপুৰুষাৰ্থ কৰি গৈছে বা এনে আদৰ্শ দেখুৱাইছে যি আদৰ্শ বৰ্তমান উঠি অহা প্ৰজন্মই গ্ৰহণ কৰাটো নিতান্তই প্ৰয়োজন হৈ পৰিছে। এই ব্যক্তিসকলৰ ভিতৰত আছে শিক্ষক, সমাজকৰ্মী, ক্ৰীড়াবিদ, সাংস্কৃতিক কৰ্মী, সাহিত্যিক, কৃষক আদি। আজি গেলেকী প্ৰেছ ক্লাবৰ মাহেকীয়া সম্বৰ্ধনা অনুষ্ঠানত এসময়ত গেলেকী অঞ্চলত ফুটবল, কেৰম আদি খেলৰ জৰিয়তে একজাগৰণ সৃষ্টি কৰা প্ৰাক্তন সুদক্ষ খেলুৱৈ প্ৰায় ৮০ বছৰীয়া গেলেকী ৰঙাগড়াৰ নিবাসী শ্বেখ ধন আলী, এসময়ত আঠখেল বাগিচাত জন্মগ্ৰহণ কৰা বৰ্তমান গেলেকী মৰাণ গাঁও নিবাসী প্ৰায় ৭৫ বছৰীয়া প্ৰাক্তন সুদক্ষ ফুটবলৰ লগতে বিভিন্ন ক্ৰীড়াৰ লগত জড়িত হৈ সন্মান বুটলিবলৈ সক্ষম হোৱা ললিত বৰুৱাক সম্বৰ্ধনা জনোৱা হয়। গেলেকী প্ৰেছ ক্লাবৰ সম্বৰ্ধনা গ্ৰহণ কৰাৰ সময়ত অতীতক সুঁৱৰি যথেষ্ট আৱেগিক হৈ পৰে দুয়োগৰাকী সম্বন্ধিত ব্যক্তি। আজিৰ এই সম্বৰ্ধনা অনুষ্ঠানত গেলেকী প্ৰেছ ক্লাবৰ হৈ সভাপতি ৰাহিদ আলী, উপ-সভাপতি গুণ মৰাণ, সম্পাদক হাফিজ আলী, উপদেষ্টা সুৰেশ চেতিয়া, আব্দুল হেলিম, দিলিপ দত্ত, ৰেকিবুল হুছেইন, ৰবীন বৰঠাকুৰ, কোষাধক্ষ বাণীকান্ত গগৈ, সদস্য প্ৰৱাল বৰঠাকুৰকে ধৰি ভালেকেইজন গণ্য মান্য ব্যক্তি আৰু সম্বন্ধিত ব্যক্তিৰ পৰিয়ালৰ সদস্য উপস্থিত থাকে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 9088
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক

## কামৰূপ জিলাত ধঁপাতজাতীয় দ্ৰব্যৰ সেৱনকাৰীক জৰিমনা

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ৮ এপ্ৰিলঃ** কামৰূপ জিলাৰ সংহত জিলা কাৰ্যালয় পৰিসৰত ধঁপাতজাতীয় সামগ্ৰীৰ সেৱনকাৰীৰ বিৰুদ্ধে অভিযান চলাই চিগাৰেট আৰু অন্যান্য ধঁপাতজাতীয় সামগ্ৰী আইন, ২০০৩ ৰ ৪ নং ধাৰাৰ অধীনত আজি মুঠ ৮ জন ব্যক্তিক জৰিমনা বিহা হয়। উল্লেখ্য যে এক পৰিষ্কাৰ আৰু সুস্থ কৰ্মৰ পৰিৱেশ বজাই ৰখাৰ উদ্দেশ্যৰে সংহত জিলা কাৰ্যালয় চৌহদত যিকোনো প্ৰকাৰৰ ধঁপাতজাতীয় সামগ্ৰীৰ ব্যৱহাৰ আৰু সেৱনত নিষেধাজ্ঞা জাৰি কৰি জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই শেহতীয়াকৈ এক নিৰ্দেশ জাৰি কৰিছিল। এই নিষেধাজ্ঞা উলংঘা কৰাৰ বাবে আজি ৮ জন ব্যক্তিক ২০০ টকাকৈ মুঠ ১৬০০ টকা জৰিমনা বিহা হয়। কামৰূপ জিলা ধঁপাত নিয়ন্ত্ৰণ কোষৰ নডেল বিষয়া ডাঃ অৰবিন্দ দাসৰ নেতৃত্বত এটা দলে আজি এই অভিযান চলোৱাৰ লগতে সংহত জিলা কাৰ্যালয় চৌহদত ধঁপাতজাতীয় সামগ্ৰী বিক্ৰী কৰা এখন দোকানৰ পৰা দলটোৱে বিক্ৰীৰ বাবে ৰখা ধঁপাতজাতীয় সামগ্ৰী জব্দ কৰে।




তিনিচুকীয়াত টাই আহোমৰ 'ৰেল অৱৰোধ কাৰ্যসূচী ৰূপায়ন, ফটোঃ ই-সংবাদ, তিনিচুকীয়া

# কামৰূপত পোষণ পষেক দিৱসৰ শুভাৰম্ভ

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ৮ এপ্ৰিলঃ** সমগ্ৰ ৰাজ্যৰ লগতে কামৰূপ জিলাতো জিলা সমাজ কল্যাণ বিভাগৰ উদ্যোগত জিলাভিত্তিক পোষণ পষেকৰ কাৰ্যসূচী আজিৰে পৰা আৰম্ভ হয়। আজি আমিনগাঁৱৰ লোক নিৰ্মাণ বিভাগৰ পৰিদৰ্শন বঙলাৰ সভাগৃহত অনুষ্ঠিত পোষণ পষেকৰ শুভাৰম্ভ কৰে কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই। সভাত জিলা আয়ুক্তগৰাকীয়ে বছৰৰ সকলো দিনতে জিলাখনৰ শিশুসকলক স্বাস্থ্যৰ যতন আৰু সুৰক্ষা ল'বলৈ জিলাখনৰ প্ৰতিটো বিভাগত আহ্বান জনায়। পোষণ পষেকৰ আদৰণি ভাষণ আগবঢ়ায় জিলা সমাজ কল্যাণ বিষয়া ভুপেন ভট্টাচাৰ্যই। পোষণ দিৱসত জিলাখনৰ আয়ুস, স্বাস্থ্য, জনস্বাস্থ্য কাৰিকৰী, শিক্ষা বিভাগৰ বিষয়া কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানত অহা ১৫ দিনৰ ভিতৰত জিলাখনৰ মাতৃ গৰ্ভত থকা আৰু নৱজাতক শিশুৰ পঞ্চামৃত আৰু অন্নপ্ৰাসন্ন অনুষ্ঠিত কৰা হ'ব বুলি সমাজ কল্যাণ বিভাগৰ বিষয়া গৰাকীয়ে জানিবলৈ দিয়ে। লগতে পোষণ পষেকত জিলাখনত থকা ৩১১৭ টা অংগনবাদী কেন্দ্ৰত যি কোনো শিশু, গৰ্ভৱতী মাতৃ আৰু প্ৰসূতি মাতৃ, কিশোৰী সকলে নিজাববীয়াকৈ নাম পঞ্জীয়ন কৰিব পাৰিব বুলি সভাত উল্লেখ কৰে। লগতে জিলাখনত থকা প্ৰায় ৩০০০ মেদ বহুলতা থকা শিশুৰ স্বাস্থ্যৰ ক্ষেত্ৰত পোষণ পষেকতে অধিক গুৰুত্ব প্ৰদান কৰা হ'ব বুলি জিলা সমাজ কল্যাণ বিষয়া ভট্টাচাৰ্যই সভাত উল্লেখ কৰে। পোষণ পষেকত জিলাখনৰ ১৪টা প্ৰকল্পৰ শিশু উন্নয়ন প্ৰকল্প বিষয়াসকল, মুখ্যসেৱিকাসকল উপস্থিত থাকে।

# পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত ৰাজনৈতিক দলৰ সৈতে ডিব্ৰুগড় জিলা প্ৰশাসনৰ সভা

**ই-সংবাদ, ডিব্ৰুগড়, ৮ এপ্ৰিলঃ** ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ সভাপতিত্বত ৭ এপ্ৰিলত স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ প্ৰতিনিধিৰে সৈতে পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত এখনি গুৰুত্বপূৰ্ণ সভা জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। সভাত নিৰ্বাচনী বিষয়া প্ৰাঞ্জীল গগৈয়ে পাৱাৰ পইণ্ট প্ৰেজেণ্টেচনৰ জৰিয়তে পঞ্চায়ত নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিল, প্ৰাৰ্থীৰ নিৰ্বাচনী চিহ্নৰ বাছনি তথা পঞ্চায়ত নিৰ্বাচনৰ বিভিন্ন নিয়মাৱলী সন্দৰ্ভত বিতং ব্যাখ্যা আগবঢ়ায়। জিলা আয়ুক্তই উপস্থিত ৰাজনৈতিক দলৰ প্ৰতিনিধিৰে সৈতে পঞ্চায়ত নিৰ্বাচনৰ বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰাৰ লগতে নিৰ্বাচন প্ৰক্ৰিয়া সুচাৰুৰূপে কোনোধৰণৰ আইন-শৃংখলাজনিত পৰিস্থিতিৰ সৃষ্টি নোহোৱাকৈ অনুষ্ঠিত কৰাত সহযোগিতা আগবঢ়াবলৈ উপস্থিত সকলোকে আহ্বান জনায়। ডিব্ৰুগড় জিলাত ২২ খন জিলা পৰিষদ, ৭ খন আঞ্চলিক পঞ্চায়ত আৰু ৯৩ খন গাঁও পঞ্চায়তৰ অন্তৰ্গত ৯৩০ টা ৱাৰ্ডৰ সদস্য পদৰ বাবে ১,১৬৫ টা



ভোটগ্ৰহণ কেন্দ্ৰত পঞ্চায়ত নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। পঞ্চায়ত নিৰ্বাচনৰ মনোনয়ন পত্ৰসমূহ ৩ এপ্ৰিলৰ পৰা ১১ এপ্ৰিললৈ দিনৰ ১১ বজাৰ পৰা বিয়লি ৩ বজালৈ গ্ৰহণ কৰা হ'ব। ১২ এপ্ৰিলত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু উক্ত দিনাই বৈধ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। প্ৰাৰ্থীসকলে ১৭ এপ্ৰিল দিনৰ ৩ বজালৈ মনোনয়ন পত্ৰসমূহ প্ৰত্যাহাৰ কৰিব পাৰিব আৰু উক্ত দিনাই দিনৰ ৩ বজাৰ পাছত চূড়ান্ত প্ৰাৰ্থীৰ তালিকা প্ৰকাশ পাব। পঞ্চায়ত নিৰ্বাচনত গাঁও পঞ্চায়তৰ সদস্যৰ বাবে ব্যয়ৰ সীমা ২৫ হাজাৰ টকা, আঞ্চলিক পঞ্চায়ত সদস্যৰ বাবে ২,৫০,০০০ টকা আৰু জিলা পৰিষদৰ বাবে ১০,০০,০০০ টকা ধাৰ্য কৰা হৈছে।

# অসম প্ৰদেশ সাংবাদিক সন্থাৰ নলবাৰী জিলা সমিতিৰ উদ্যোগত 'অন্তৰংগ আলাপ'

**ই-সংবাদ, নলবাৰী, ৮ এপ্ৰিলঃ** অসমীয়া নৱবৰ্ষ তথা ৰঙালী বিহুৰ প্ৰাকমুহূৰ্তত নলবাৰীৰ পাগলদিয়া ৰিজৰ্টৰ নৈসৰ্গিক পৰিৱেশৰ মাজত আজি অসম প্ৰদেশ সাংবাদিক সন্থা(আপজু)ৰ নলবাৰী জিলা সমিতিৰ উদ্যোগত এক অন্তৰংগ আলাপ তথা প্ৰতিনিধি সভা অনুষ্ঠিত হয়। আপজুৰ নলবাৰী জিলা সমিতিৰ সাধাৰণ সম্পাদক প্ৰণৱজ্যোতি কলিতাই আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ তথা চামতাৰ কামৰূপ কলেজৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ড০ সঞ্জীৱ কুমাৰ গোস্বামী, বিশিষ্ট নাট্যকাৰ ধ্ৰুৱজ্যোতি শৰ্মা, বিশিষ্ট নিবন্ধকাৰ, বৰভাগ কলেজৰ অধ্যাপক সুশান্ত কুমাৰ কাশ্যপ, বিশিষ্ট ক্ৰীড়া সংগঠক সত্যেন শৰ্মা, অসম প্ৰদেশ সাংবাদিক সন্থাৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি, সাধাৰণ সম্পাদক চম্পক বৈশ্য উপস্থিত থাকি সাংবাদিকৰ স'তে মত বিনিময় কৰে। আপজুৰ নলবাৰী জিলা সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি শশাংক শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত উক্ত অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ তথা চামতাৰ কামৰূপ কলেজৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ড০ সঞ্জীৱ কুমাৰ গোস্বামীয়ে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত কয় যে মুক্ত সাংবাদিকসকল কোনো সংবাদ গোষ্ঠীৰ অধীনৰ নহয়। মুক্ত সাংবাদিকসকলক জনসংযোগে স্বীকৃতি নিদিয়ে। চৰকাৰে সাংবাদিকক স্বীকৃতি নিদিলেও সাংবাদিক হ'ব নোৱাৰে নেকি বুলিও প্ৰশ্ন কৰে বিশিষ্ট শিক্ষাবিদগৰাকীয়ে। বিশিষ্ট নাট্যকাৰ ধ্ৰুৱজ্যোতি শৰ্মাই অসম সাহিত্য সভাত নাথাকিলেও কোনো লেখকে সাহিত্যিক হ'ব নোৱাৰিব নেকি বুলিও প্ৰশ্ন কৰে। অনুষ্ঠানত শেহতীয়াকৈ মুখ্যমন্ত্ৰীয়ে প'ৰ্টেলৰ সাংবাদিকসকল সাংবাদিক নহয় বুলি কৰা মন্তব্য সন্দৰ্ভত বিশিষ্ট ব্যক্তিসকলে নিজৰ নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। আজিৰ উক্ত অনুষ্ঠানত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ নলবাৰী জিলা সমিতিৰ সাধাৰণ সম্পাদক প্ৰাঞ্জল কলিতাইও উপস্থিত হৈ নিজৰ মত ব্যক্ত কৰে। আনহাতে, ইয়াৰ পূৰ্বে অসম প্ৰদেশ সাংবাদিক সন্থাৰ কেন্দ্ৰীয় কমিটীৰ কাৰ্যনিবাহক সভাখন অনুষ্ঠিত হয়। আপজুৰ কেন্দ্ৰীয় কমিটীৰ সভাপতি কুন্তল কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত সংগঠনটোৰ আগন্তুক কেন্দ্ৰীয় দ্বি-বাৰ্ষিকনলবাৰী অধিৱেশন সন্দৰ্ভতো বিস্তৃত আলোচনা কৰা হয়। পূৰ্বে সিদ্ধান্ত গ্ৰহণ কৰা মৰ্মে নলবাৰীত অনুষ্ঠিত হ'ব লগা আপজুৰ কেন্দ্ৰীয় অধিৱেশনখন অহা ১৮ মে'ৰ দিনা দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰাৰ দিনটো ঠিৰাং কৰা হয়। উক্ত সভাত আপজুৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি প্ৰশান্ত কুমাৰ দাস প্ৰমুখ্যে আপজুৰ কেন্দ্ৰীয়, জিলা সমিতিৰ কেবাগৰাকী সদস্য উপস্থিত থাকে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# দুয়োটা বৃক্কই বিকল চাবুৱাৰ ছবছৰীয়া শিশু দেৱ দিহিঙীয়াৰ

## দৰিদ্ৰ পিতৃ-মাতৃক লাগে সহায়

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ৮ এপ্ৰিলঃ** নিজৰ ছবছৰীয়া শিশুটোৰ মুখখনলৈ চাই কেৱল চকুলো টুকি সময় পাৰ কৰিছে পিতৃ-মাতৃয়ে। সন্তানটোৱে ভূমিষ্ঠ হৈ চকু মেলি ৰঙীণ পৃথিৱীখন দেখিছিলহে মাত্ৰ। কিন্তু বিধিৰ কি যে বিপাক ছবছৰ বয়সতে মৃত্যুৰ সৈতে যুঁজিবলগীয়া হৈছে সন্তানটোৱে। পখিলা খেদাৰ বয়সতে দুয়োটা বৃক্ক বিকল হৈছে সন্তানটোৰ। চাবুৱা হাতীআলিৰ ৬ বছৰীয়া কণমানি দেৱ দিহিঙীয়াই মৃত্যুৰ সৈতে যুঁজ দিছে। দুৰ্ভগীয়া পবিত্ৰ দিহিঙীয়া আৰু নয়ন্তি দিহিঙীয়াৰ সন্তান দেৱৰ দুয়োটা বৃক্ক বিকল হৈছে। ছবছৰ বয়সত দুয়োটা কিডনী বিকল হোৱাত এতিয়া জীৱন-মৃত্যুৰ সন্ধিক্ষণত উপনীত হৈছে শিশুটি। মাতৃ নয়ন্তি দিহিঙীয়াই কয় যে আমি চিকিৎসা কৰি সকলো শেষ কৰিলো। আমাৰ সন্তানটোক বচাবলৈ উন্নত চিকিৎসা কৰিব লাগে। আমি পৰা নাই। আমি দৰিদ্ৰ মানুহ আমাৰ হাতত টকা নাই। অসমৰ সুহৃদয়ৱান ৰাইজ আৰু মুখ্যমন্ত্ৰী মহোদয়ে দয়া কৰি আমাক সহায় কৰক। পিতৃ পবিত্ৰ দিহিঙীয়াই উল্লেখ কৰা মতে, চিকিৎসকে শিশুটিৰ জীৱন ৰক্ষা কৰিবলৈ শীঘ্ৰে কিডনী প্ৰত্যাৰোপণ কৰিব লাগিব বুলি কয়। দিহিঙীয়া পৰিয়ালৰ আৰ্থিক সম্বল নাই। সুহৃদয়ৱান ব্যক্তিসকল আগবাঢ়ি আহি শিশুটি সুস্থ হৈ উঠিব বুলি আশা প্ৰকাশ কৰিছে। আমি একেবাৰে অসহায়। চিকিৎসাৰ ব্যয় বহন কৰিব পৰা নাই। মুখ্যমন্ত্ৰী আৰু দয়ালু জনসাধাৰণলৈ আহ্বান আমাক সহায় কৰক বুলি কয় পিতৃয়ে। পিতৃয়ে সাহায্যৰ বাবে 6002536630 নম্বৰত যোগাযোগ কৰিবলৈ কাতৰ আহ্বান জনাইছে। PABITRA DIHINGIA, IFSC:- SBIN0011796, ACCOUNT NO:- 31983396843-ত সহায় কৰিব পাৰিব।

# অৱসৰপ্ৰাপ্ত শিক্ষক আব্দুৰ ৰছিদৰ বিয়োগ

**ই-সংবাদ, খাৰুপেটীয়া ৮ এপ্ৰিলঃ** দৰং জিলা জমিয়তৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা অৱসৰপ্ৰাপ্ত শিক্ষক আব্দুৰ ৰছিদ আহমেদৰ আজি আবেলি প্ৰায় ২.৪০ বজাত নিজা বাসভৱনত মৃত্যু হয়। তেখেত আজি কিছুদিনৰপৰা অসুস্থ হৈ আছিল। আহমেদৰ মৃত্যুত দলগাঁও সমষ্টিৰ বিধায়ক মজিবুৰ ৰহমান, দৰং জিলা জমিয়তৰ সভাপতি আবু বক্কৰ চিদ্দিক, আমছুৰ মুখ্য উপদেষ্টা আইনুদ্দিন আহমেদ, অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ সভাপতি মহম্মদ খলিফা, খাৰুপেটীয়া সাহিত্য সভাৰ সভাপতি ইমদাদুল ইছলাম প্ৰমুখ্যে বিভিন্ন দল-সংগঠনৰ নেতৃবৃন্দই অৱসৰপ্ৰাপ্ত শিক্ষকগৰাকীৰ মৃত্যুত শোকপ্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালক সমবেদনা জ্ঞাপন কৰে। উল্লেখ্য যে প্ৰয়াত শিক্ষকজনে সুস্থ অৱস্থালৈকে বিভিন্ন সমাজ সেৱামূলক কামত জড়িত হৈ আছিল। নিশা ৮ বজাত খাৰুপেটীয়া টাউন কবৰস্থানত তেওঁৰ জানাজা সম্পন্ন হয়।

# প্ৰেৰণা পুথিভঁৰালত ফৰাচী বিপ্লৱ বিষয়ক বক্তৃতানুষ্ঠান

**ই-সংবাদ, নলবাৰী, ৮ এপ্ৰিলঃ** প্ৰেৰণা পুথিভঁৰালৰ ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে বিশ্ব-বুৰঞ্জীৰ প্ৰধান ঘটনাসমূহৰ বিষয়ে এলানি বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হৈছে। সেই মতে যোৱা ৬ এপ্ৰিল, দেওবাৰে পুথিভঁৰালৰ সুৰেন্দ্ৰ মঞ্চত অনুষ্ঠিত প্ৰথমটো বক্তৃতাত কামৰূপ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক তিলক শৰ্মাই 'ফৰাচী বিপ্লৱৰ শিকনি' শীৰ্ষক বক্তৃতাত কয় যে ১৭৮৯ চনৰ ফৰাছী বিপ্লৱ পৃথিৱীৰ ইতিহাসৰ এক যুগান্তকাৰী ঘটনা। ফ্ৰান্সত যেতিয়া ৰাজতন্ত্ৰই স্বেচ্ছাচাৰীতাৰ চৰম ৰূপ লৈছিল তেতিয়াই মুক্তিকামী ফৰাছী জনতাই বিপ্লৱ কৰিবলৈ ৰাজপথলৈ ওলাই আহিছিল আৰু ফ্ৰান্সৰ পৰা বুৰবন ৰাজতন্ত্ৰক ওফৰাই পেলাইছিল। স্বাধীনতা, সমতা, একতা আৰু ভাতৃত্ববোধ আছিল ফৰাছী বিপ্লৱৰ মহামন্ত্ৰ। এই মহাযন্ত্ৰেৰে অনুপ্ৰাণিত হৈ অৱহেলিত, নিষ্পেষিত, নিপিড়ীত জনতাই শাসক আৰু শোষকৰ প্ৰৱঞ্চনাৰ বিৰুদ্ধে ঐক্যবদ্ধ সংগ্ৰাম কৰিছিল। সেইফালৰ পৰা ফৰাছী বিপ্লৱ আছিল পৃথিৱীৰ মুক্তিকামী জনতাৰ বাবে পথনিৰ্দেশনা। এই বিপ্লৱে বৰ্তমানেও শাসক আৰু শোষকৰ বিৰুদ্ধে যুঁজিবলৈ বিশ্বৰ বিভিন্ন প্ৰান্তৰ জনতাক উৎসাহিত কৰি আহিছে। বক্তৃতানুষ্ঠানৰ পূৰ্বে কিতাপৰ আদান-প্ৰদানৰ লগতে অনুষ্ঠিত




গণিতৰ পাঠদান কাৰ্যসূচীত ত্ৰিভুজ আৰু ইয়াৰ বিভিন্ন প্ৰকাৰ তথা অন্তঃকেন্দ্ৰ, ভৰকেন্দ্ৰ, পৰিকেন্দ্ৰ আৰু লম্বকেন্দ্ৰৰ বিষয়ে বুজাই কয় চন্দন দাসে। সাধাৰণ জ্ঞান বিষয়ক কুইজ প্ৰতিযোগিতা পৰিচালনা কৰে অংগৰাজ বৰ্মনে। কুইজত প্ৰথম হয় অভিৰাজ বৰ্মন আৰু ৰাজপ্ৰতীম পাটোৱাৰীয়ে। দ্বিতীয় স্থান দখল কৰে মৃগাংশু মেধিয়ে। তৃতীয় হয় অংকুৰ বৰ্মন আৰু অংকুৰজ্যোতি নাথ। চতুৰ্থ হয় মন্দ্ৰীতা তালুকদাৰ আৰু প্ৰপাঞ্জলি তালুকদাৰ। আনহাতে, তেলেংগানাৰ 'অৰণ্যত বুলড'জাৰ' শীৰ্ষক মূল বক্তব্য ৰাখে পৰিৱেশকৰ্মী ভূপেন কুমাৰ দাসে।

# কৰুণাধাৰা ন্যাসৰ দিব্যাংগৰ আশ্ৰয় গৃহ নিৰ্মাণত ৰঙালী বিহু উদযাপন সমিতিসমূহক সহায়ৰ আহ্বান

**ই-সংবাদ বিশেষ, মঙলদৈ, ৮ এপ্ৰিলঃ** বৰ্তমান অসমৰ চুকে কোণে তথা দেশ বিদেশত ৰঙালী বিহু উদযাপনৰ ব্যাপক প্ৰস্তুতি চলিছে। ইয়াৰ বাবে বৃহৎ পৰিমাণৰ বাজেট ধাৰ্য কৰি ৰাইজৰ পৰা বৰঙণি সংগ্ৰহত বিহু উদযাপন সমিতি ব্যস্ত হৈ পৰিছে। তেনে এক সময়তে হৃদয়ৰ আন্দোলনেৰে শত সহস্ৰজনৰ আপোন হৈ পৰা কৰুণাধাৰা ন্যাসে বিহু উদযাপন সমিতিসমূহক অলপ ধন ৰাহি কৰি কৰুণাধাৰা ন্যাসলৈ দিবলৈ এক বিনম্ৰ আহ্বান জনাইছে। কৰুণাধাৰা ন্যাসৰ সভাপতি প্ৰতুল চন্দ্ৰ ফুকন, সাধাৰণ সম্পাদক নৱজ্যোতি ভূঞা আৰু ডাঃ নৰেশ্বৰ শৰ্মাই এক বিজ্ঞপ্তিত প্ৰকাশ কৰা মতে, পিতৃ-মাতৃ বা অভিভাৱকহীন দিব্যাংগ ল'ৰা-ছোৱালীৰ বাবে এটি নিৰাপদ আশ্ৰয়স্থল নিৰ্মাণ কৰাত এই ধন ব্যয় কৰা হ'ব। বিগত বৰ্ষত দক্ষিণ বৰসজাই মৈদাম দুৰ্গা মন্দিৰ ন্যাসৰ উদ্যোগত অনুষ্ঠিত হোৱা ৰঙালী বিহু উদযাপন সমিতিয়ে কৰুণাধাৰালৈ ৫০ হাজাৰ টকা টকা আগবঢ়াই এক নিদৰ্শন দাঙি ধৰা কথা উল্লেখ কৰি কৰুণাধাৰা ন্যাসৰ পৰা কোৱা হয় যে, বিশিষ্ট সাহিত্যিক, শব্দশিল্পৰ খনিকৰ, সাংবাদিক হোমেন বৰগোহাঞিৰ প্ৰচেষ্টাত ২০১১ চনৰ ১২ ফেব্ৰুৱাৰীত অংকুৰিত কৰুণাধাৰা ন্যাসে বিগত চৈধ্য বছৰে আৰ্থিকভাৱে দুৰ্বল তথা দুৰাৰোগ্য ৰোগত আক্ৰান্ত ব্যক্তি আৰু বিশেষভাৱে সক্ষম লোকসকলৰ বাবে নিঃস্বাৰ্থ সেৱা আগবঢ়াই আহিছে। বৰ্তমানলৈ কৰুণাধাৰা ন্যাসে ৰাইজৰ পৰা সংগ্ৰহ কৰা প্ৰায় ৪,৭৩,৩৮,৭৮১ টকা১৫১১ জন দুখীয়া ৰোগী আৰু ১২০৭ জন দিব্যাংগ লোকৰ মাজত বিতৰণ কৰি তেওঁলোকৰ মুখত হাঁহি বিৰিঙাই জীৱনৰ উত্তৰণ ঘটাবলৈ সক্ষম হৈছে। আনহাতে, কৰুণাধাৰাৰ ভৱিষ্যৎ কাৰ্যপন্থাক লৈ মানৱ দৰদী হোমেন বৰগোহাঞিৰ এটি সপোন আছিল যে পিতৃ-মাতৃ বা অভিভাৱকহীন দিব্যাংগ ল'ৰা-ছোৱালীৰ বাবে এটি নিৰাপদ আশ্ৰয়স্থল নিৰ্মাণ কৰা, য'ত তেওঁলোকে উপযুক্ত চিকিৎসা আৰু সেৱা শুশ্ৰূষা লাভ কৰাৰ উপৰি নিজ নিজ দক্ষতাৰ বিকাশ ঘটাই সমাজত নিজকে প্ৰতিষ্ঠিত কৰিব পাৰিব। এই সপোনটো সাকাৰ কৰিবলৈ বৰ্তমানৰ চৰকাৰে গুৱাহাটীৰ নিকটৱৰ্তী বোন্দাৰ চপাইদাং অঞ্চলত ২ বিঘা ভূমি কৰুণাধাৰা ন্যাসৰ নামত ইতিমধ্যে আবণ্টন দিছে। কিন্তু এই আশ্ৰয় গৃহ নিৰ্মাণৰ বৃহৎ ৰাজহুৱা স্বাৰ্থ পূৰণৰ অৰ্থে কৰুণাধাৰা পৰিয়ালক এতিয়া প্ৰয়োজন এক মোটা অংকৰ ধনৰাশিৰ। বিগত বছৰবোৰত কেৱল মাত্ৰ সহৃদয় ৰাইজৰ দান-বৰঙণিৰে বৰ্তমানৰ স্থিতি লাভ কৰিবলৈ সক্ষম হোৱা কৰুণাধাৰা আশাবাদী আৰু নিশ্চিত যে চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠান আৰু সাধাৰণ ব্যক্তি বিশেষৰ দান-অনুদানে এই বৃহৎ কাৰ্য সম্পাদনত এশ শতাংশই অৰিহণা যোগাব। সমগ্ৰ অসমত কৰুণাধাৰা ন্যাসৰ মুঠ ৩৪ খন জিলা সহায়ক সমিতি আছে। এই সহায়ক সমিতিৰ জৰিয়তে ৰঙালী বিহু উদযাপন সমিতি তথা সদাশয় ৰাইজে সাৰ-পানী যোগাই আশ্ৰয় গৃহটো পূৰ্ণাংগ ৰূপ দিবলৈ কৰুণাধাৰাৰ দৰং জিলা সহায়ক সমিতিৰ প্ৰধান সচিব গণেশ দত্তই আহ্বান জনাইছে।

# মঙলদৈৰ বাটে-পথে অবৈধ পাৰ্কিং চকু মুদা কুলিৰ ভাৱত আৰক্ষী-প্ৰশাসন




**ই-সংবাদ বিশেষ, মঙলদৈ, ৮ এপ্ৰিলঃ** দৰং জিলাৰ সদৰ মঙলদৈ চহৰৰ বাট-পথসমূহত যান-বাহনৰ অবৈধ পাৰ্কিঙে যাতায়াতত যথেষ্ট অসুবিধাৰ সৃষ্টি কৰি আহিছে। চহৰখনত দিনকদিনে যান-বাহনৰ সংখ্যা বৃদ্ধি পাই আহিছে যদিও সেই অনুপাতে বাট-পথসমূহ বহল হোৱা নাই। কিন্তু ঠেক পথবোৰতেই সামগ্ৰী কঢ়িওৱা বাণিজ্যিক বাহনৰ লগতে ব্যক্তিগত চাৰিচকীয়া বাহন, অটো-ৰিক্সা আদি দীৰ্ঘদিন ধৰি অবৈধভাৱে পাৰ্কিং কৰি আহিছে। এই সকলোবোৰ দেখি শুনিও মঙলদৈ সদৰ থানাৰ যান-বাহন নিয়ন্ত্ৰণ শাখাৰ আৰক্ষীয়ে চকু মুদা কুলিৰ ভাও ধৰি আহিছে। তেওঁলোকে এই যান-বাহনসমূহৰ ওপৰত কোনো ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। উল্লেখযোগ্য যে মঙলদৈ গান্ধী ময়দানৰ কাষেৰে ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথলৈ যোৱা পথটোৰ একাষে অবৈধভাৱে বাণিজ্যিক বাহনসমূহ ৰখাই থোৱাৰ ফলত পথটোৰে এখন গাড়ী পাৰ হওঁতেই যথেষ্ট অসুবিধা হয়। এই পথটোত দুটা দিশৰপৰা দুখন গাড়ী আহিলে যান-জঁটৰ সৃষ্টি হয়। ফলত স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে কাৰ্যালয়, চিকিৎসালয় আদিলৈ যোৱাত অসুবিধাৰ সন্মুখীন হৈ আহিছে লোকসকল। আনহাতে, মঙলদৈ অসামৰিক চিকিৎসালয় আৰু দৰং জিলা পৰিষদৰ কাৰ্যালয়ৰ সন্মুখেৰে যোৱা পথটোতো অবৈধ পাৰ্কিং কৰাৰ ফলত চিকিৎসালয়লৈ ৰোগী কঢ়িওৱা এম্বুলেন্সৰ লগতে অন্যান্য গাড়ীসমূহৰ চলাচলত যথেষ্ট অসুবিধা হৈ আহিছে। ইফালে, মঙলদৈ ইউথ ক্লাবৰ সন্মুখেৰে ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথলৈ যোৱা পথটোতো ব্যক্তিগত বাহনৰ লগতে অটো-ৰিক্সাসমূহ পাৰ্কিং কৰাৰ ফলত এই পথটোৰে অহা-যোৱা কৰাতো অসুবিধা হৈ আহিছে। লাখ লাখ টকা ব্যয় কৰি চৰকাৰে পথ নিৰ্মাণ কৰিছে যদিও এতিয়া এই পথসমূহ অবৈধ পাৰ্কিঙলৈ পৰ্যৱশিত হোৱাত সমস্যাৰ সৃষ্টি হৈছে। এই অবৈধ পাৰ্কিংসমূহ আৰক্ষীয়ে কিয় উচ্ছেদ কৰিব পৰা নাই তাক লৈ চিন্তিত হৈছে চহৰখনৰ সচেতন নাগৰিকসকল। এই ক্ষেত্ৰত যান-বাহন নিয়ন্ত্ৰণ শাখাৰ আৰক্ষীৰ গা-এৰা মনোভাৱে সকলোকে সন্দিহান কৰি তুলিছে।

# কালদি ৰঙালী বিহু উদযাপন সমিতিৰ উদ্যোগত মুকলি বিহু

**ই-সংবাদ, মুকালমুৱা, ৮ এপ্ৰিলঃ** বিগত বছৰৰ দৰেই অহা ২৬ এপ্ৰিল (১২ ব'হাগ) তাৰিখে এদিনীয়া কাৰ্যসূচীৰে মুকলি বিহু সন্মিলনীৰ বাবে প্ৰস্তুতি তুংগত কৰি ৰাখিছে বৃহত্তৰ কালদি ৰঙালী বিহু উদযাপন সমিতিয়ে। সমিতিৰ সম্পাদক ৰূপম মজুমদাৰ আৰু প্ৰণৱ বৈশ্যই জানিব দিয়া মতে বিহুৰ পতাকা উত্তোলন, ছহিদ তৰ্পণ, স্মৃতি তৰ্পণ, বন্তি প্ৰজ্বলন, গছপুলি ৰোপণ, মুকলি কুইজ প্ৰতিযোগিতা, চিত্ৰাংকন প্ৰতিযোগিতা, অসমীয়া আধুনিক নৃত্য প্ৰতিযোগিতা, পৰম্পৰাগত খেল-ধেমালি প্ৰতিযোগিতা আৰু মুকলি বিহু প্ৰতিযোগিতা, জলপান গ্ৰহণ, আশিস প্ৰদান অনুষ্ঠান আদিকে ধৰি কেইবাটাও কাৰ্য্যসূচী হাতত লৈছে। বিহু সন্মিলনীৰ বাকৰিতে বৰক্ষেত্ৰী অঞ্চলৰ বিশিষ্ট সাংবাদিক, বৃহত্তৰ কালদিৰ আদৰ্শ খেতিয়ক, লোকশিল্পী, জ্যেষ্ঠ নাগৰিক, প্ৰখ্যাত খেলুৱৈ, কৃতী ছাত্ৰ-ছাত্ৰী তথা সমাজ সেৱাৰ লগত জড়িত থকা মহান ব্যক্তিসকলকো সম্বৰ্ধনা জনোৱা হ'ব। বিহু বাকৰি উদ্বোধন কৰিব গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ নাৰায়ণ ডেকাই, মুকলি বিহু প্ৰতিযোগিতা উদ্বোধন কৰিব অসম যুৱ আয়োগৰ উপাধ্যক্ষ অনুপ বৰ্মনে, অসমীয়া আধুনিক নৃত্য প্ৰতিযোগিতা উদ্বোধন কৰিব বৰক্ষেত্ৰী আঞ্চলিক পঞ্চায়তৰ প্ৰাক্তন সভাপতি প্ৰীতম গোস্বামীয়ে, চহা জীৱনৰে সমৃদ্ধ ব্যক্তি আৰু জ্যেষ্ঠ ব্যক্তিক সম্বৰ্ধনা আৰু আশিস আদান-প্ৰদান অনুষ্ঠান মুকলি কৰিব বিশিষ্ট লেখক, উদ্যোগী শ্যামকানু মহন্তই, অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব ভাৰতীয় জনতা পাৰ্টীৰ নলবাৰী জিলাৰ সভাপতি জয়ন্ত বুজৰবৰুৱা, সদৌ অসম কৰ্মচাৰী পৰিষদৰ সম্পাদক প্ৰধান পংকজ বৰ্মনকে প্ৰমুখ্য কেইবাজনো বিশিষ্ট অতিথি। অতিথি শিল্পী হিচাপে উপস্থিত থাকিব জনপ্ৰিয় অভিনেত্ৰী প্ৰিয়ংকা বৈশ্য আৰু বিশিষ্ট নাট্যকাৰ তথা কৌতুক অভিনেতা ভাস্কৰ বৰ্মন। অসমীয়া আধুনিক নৃত্য আৰু মুকলি বিহু প্ৰতিযোগিতাৰ বাবে ৯৮৬৪৭২১৭৩৯, ৮৬৩৮০৯৬১৮৫ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে সমিতিয়ে। কালদি ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া উক্ত অনুষ্ঠানৰ প্ৰতিটো কাৰ্য্যসূচীতে শুভকাংক্ষী তথা ৰাইজৰ উপস্থিতি কামনা কৰিছে উদযাপন সমিতিয়ে।

# মাৰ্ঘেৰিটাত ৰেড ক্ৰছ ছ'চাইটী বিনামূলীয়া চিকিৎসা শিবিৰ সম্পন্ন

ই-সংবাদ, মাৰ্ঘেৰিটা, ৮ এপ্ৰিলঃ বিশ্ব স্বাস্থ্য দিৱস উপলক্ষে ভাৰতীয় ৰেড ক্ৰছ ছ'চাইটীৰ মাৰ্ঘেৰিটা শাখাৰ উদ্যোগত মাৰ্ঘেৰিটা সম-জিলাৰ অতি ভিতৰুৱা আৰু বানপানী পিড়িত অঞ্চল উলুপ পথাৰ (ডুমপানী) মধ্য ইংৰাজী বিদ্যালয়ত এক বিনামূলীয়া চিকিৎসা শিবিৰ সম্পন্ন হয়। ৰেড ক্ৰছ ছ'চাইটী মাৰ্ঘেৰিটা শাখাৰ সম্পাদক পবিত্ৰ বৰগোহাঞিয়ে আদৰণি ভাষণ আৰু উদ্দেশ্য ব্যাখ্যা কৰি কয় যে গ্ৰাম্যাঞ্চলত বাস কৰা গৰিষ্ঠসংখ্যক লোকেই আমাৰ দেশৰ চালিকা শক্তি। কিন্তু চালিকা শক্তিস্বৰূপ লোকসকলে নানান সমস্যাৰে জৰ্জৰিত। গ্ৰামাঞ্চলৰ বিভিন্ন সমস্যাৰ ভিতৰত স্বাস্থ্য সমস্যাই প্ৰধান। এই সমস্যাৰপৰা সকাহ দিয়াৰ বাবেই আজি উলুপ পথাৰ মধ্য ইংৰাজী বিদ্যালয়ত স্ত্ৰী আৰু প্ৰসূতি, স্নায়ু, চকু, দন্ত আৰু সাধাৰণ ৰোগৰ এক বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত কৰাৰ লগতে ৰোগীসকলৰ ব্লাড ছুগাৰ আৰু উচ্চ ৰক্তচাপ পৰীক্ষা কৰাৰ উপৰিও বিনামূলীয়াকৈ ঔষধ আৰু চশমাও প্ৰদান কৰা হয়। শিবিৰটো উদ্বোধন কৰে মাৰ্ঘেৰিটা অসামৰিক চিকিসালয়ৰ অধীক্ষক ডাঃ সনৎ দত্তই।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# ছিপাঝাৰ ৰাজহ চক্ৰ কাৰ্যালয়ৰ আন এক ভূমি কেলেংকাৰিৰ অভিযোগত কুৰুৱাত চাঞ্চল্য

**ই-সংবাদ, ছিপাঝাৰ, ৮ এপ্ৰিলঃ** দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰ বিষয়াগৰাকীৰ বিৰুদ্ধে ভূমি কেলেংকাৰিত জড়িত থকাৰ অভিযোগৰ চাঞ্চল্যকৰ বাতৰিৰ প্ৰতিক্ৰিয়া মাৰ নাযাওঁতেই ভুৱা তথ্যৰে নামজাৰিৰ লগতে এই সম্পৰ্কে সামাজিক মাধ্যমত অপপ্ৰচাৰ চলাই থকাৰ খবৰে আকৌ খলকনি তুলিছে বৃহত্তৰ ছিপাঝাৰত। অভিযোগ অনুসৰি এগৰাকী বৃদ্ধৰ বিৰুদ্ধে এনে চক্ৰান্তমূলক অপপ্ৰচাৰ চলোৱাত আগভাগ লৈছে খোদ নিজৰ ভতিজাকেই। উল্লেখ্য যে বৃদ্ধগৰাকী জীৱীত থাকোতেই ভুৱা তথ্য দাখিল কৰি ক'-পট্টাদাৰ হ'ব বিচাৰিছিল ভটিজাক বুলেন দাসে। ঘটনা অনুসৰি, ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত উপৰ কুৰুৱাৰ ৩১২ নং পট্টাৰ ১৩৭ নং দাগ আৰু ২৯০ নং পট্টাৰ ৭৫৩ নং দাগৰ মুঠ ১১ বিঘা মাটিৰ স্বত্বাধিকাৰী জাবৰুৰ দুই পুত্ৰ ক্ৰমে ৰহো আৰু তপোধনৰ মাজত চাৰে পাঁচ বিঘাকৈ মাটি ভগাই দিয়া হৈছিল। সেইমৰ্মে ৰহোৰ ছয় পুত্ৰ আৰু তপোধনৰ তিনি পুত্ৰই উক্ত মাটি ভোগ কৰি আহিছিল। ইমানলৈ সকলো ঠিকেই আছিল। কিন্তু ৰহোৰ এগৰাকী নাতিনীয়েক বুলেন দাসে পট্টাদাৰ তেওঁৰ খুড়াক লক্ষেশ্বৰ কটকী জীৱীত থাকোতেই ছিপাঝাৰ ৰাজহ বিষয়াৰ কাৰ্যালয়ত উল্লেখিত দাগৰ সমগ্ৰ ১১ বিঘা জমিত নিজৰ নাম ভুৱা তথ্যৰে সন্নিৱিষ্ট কৰি লয়। কিন্তু পিছত এই সন্দৰ্ভত পট্টাদাৰ লক্ষেশ্বৰ কটকী অৱগত হোৱাত ছিপাঝাৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত সমগ্ৰ ঘটনাটোৰ বিষয়টো তদন্তৰ বাবে আবেদন জনায়। লক্ষেশ্বৰ কটকীৰ এই আবেদনৰ ভিত্তিত বিষয়টো চৰজমিন তদন্ত কৰি ছিপাঝাৰ ৰাজহ চক্ৰ কাৰ্যালয়ে ভুৱা তথ্যৰে সন্নিৱিষ্ট কৰা বুলেন দাসৰ নামটো পট্টাৰপৰা কৰ্তন কৰি পুনৰ প্ৰকৃত পট্টাদাৰ লক্ষেশ্বৰ কটকীৰ নাম অন্তৰ্ভুক্ত কৰে। কিন্তু এই ঘটনাটোকে সামাজিক মাধ্যমযোগে বুলেন দাসে তেওঁৰ নামটো চক্ৰান্তমূলকভাৱে কৰ্তন কৰা হৈছে বুলি অপপ্ৰচাৰ চলাই আছে। ইপিনে, ছিপাঝাৰ ৰাজহ বিষয়াৰ কাৰ্যালয়ত পট্টাদাৰৰ অজ্ঞাতেই ভুৱা ক'-পট্টাদাৰৰ নাম অন্তৰ্ভুক্ত কেনেকৈ হ'বলৈ পালে সেই লৈ এক উচ্চপৰ্যায়ৰ তদন্তৰ দাবী জনাইছে ভুক্তভোগী পৰিয়ালটোৰ লগতে সচেতন লোকসকলে।

# গেলেকীত বিহুনাচৰ আখৰাৰ সামৰণি

**ই-সংবাদ, গেলেকী, ৮ এপ্ৰিলঃ** গেলেকী ন-পুখুৰী শাখা সাহিত্য সভাৰ কুঁহি উপ-সমিতি আৰু সাংস্কৃতিক উপ-সমিতিৰ যৌথ উদ্যোগত আৰু বৰহোলা, সোণাপুৰ, চৰাইসজীয়া, নেপালী গাঁৱৰ স্থানীয় ৰাইজৰ সহযোগত যোৱা ২৬ মাৰ্চৰপৰা ৪ এপ্ৰিললৈ আয়োজিত বিহুনাচৰ আখৰাৰ আজি সামৰণী পৰে। পুৱাৰ কাৰ্য্যসূচী অনুসৰি স্থানীয় ৰাইজে পৰিৱেশ নিকাকৰণৰ লগতে গছপুলি ৰোপণ কৰে গাঁওপ্ৰধান মিন বাহাদুৰ লামাৰ সহযোগত। পতাকা উত্তোলন কৰে ন-পুখুৰী শাখা সাহিত্য সভাৰ উপ-সভাপতি হেমন্ত গগৈয়ে। বৰহোলা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক সঞ্জীৱ বৰুৱাই আঁতধৰা অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন আৰু কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। পৰিচালনা কৰে উমা শৰ্মা, দুৰ্লভ গগৈ, সুশীল শইকীয়া, নয়নমণি হাজৰিকা তৰুণ নায়কে। প্ৰতিযোগিতাখনি উদ্বোধন কৰে গেলেকী সমল কেন্দ্ৰৰ সমন্বয় হিতেশ্বৰ কোঁৱৰে। ন-পুখুৰী শাখা সাহিত্য সভাৰ সম্পাদক দিপালী ৰাধিকা দুৱৰাই আঁতধৰা অনুষ্ঠানত বিহুনাচৰ আখৰা প্ৰদৰ্শনৰ বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানৰ মঞ্চ স্থানীয় নেপালী গাঁৱৰ যুৱক-যুৱতীসকলে চিৰ চেনেহী মোৰ ভাষা জননীৰ আদৰণি গীতেৰে মুকলি কৰে আৰু ন-পুৰণি বিহুনামেৰে লোকশিল্পী অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰিয়ৰাম শইকীয়াই উদ্বোধন কৰে। শিৱসাগৰ জিলা সাহিত্য সভাৰ সাংস্কৃতিক উপ-সমিতিৰ উপ-সভাপতি অমৰ শৰ্মা আৰু ন-পুখুৰী শাখা সাহিত্য সভাৰ সভাপতি দিলীপ মহন্তই সহযোগিতা আগবঢ়ায়। বুবুল গগৈ আৰু সংগীবৃন্দৰ পৰিচালনাত বিহুনাচৰ আখৰা প্ৰদৰ্শন কৰে আৰু বাৰেৰহণীয়া অনুষ্ঠানত ঝুমুৰ নৃত্য, চুতীয়া বিহু, দেখনা গাভৰু বিহু দল, নেপালী দেউচী নৃত্য, সৃষ্টিশীল নৃত্য গীত-মাতেৰে প্ৰদৰ্শন কৰি অনুষ্ঠানটো জীপাল কৰি তুলে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে শিৱসাগৰ জিলা সাহিত্য সভাৰ উপ-সভাপতি ডও জীৱন কলিতা, সম্পাদক মনোজ কুমাৰ গগৈ, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য ডও সীমান্ত বৰুৱা, ন-পুখুৰী সমল কেন্দ্ৰৰ সমন্বয় কুমুদ কলিতা, শিৱসাগৰ জিলা সাহিত্য সভাৰ চাহ জনগোষ্ঠী সাংস্কৃতিক আৰু ভাষা বিকাশ সমিতিৰ উপ-সভাপতি শিক্ষক ৰাম নায়ক। তেওঁলোকক ন-পুখুৰী শাখা সাহিত্য সভা আৰু উদ্যোক্তাসকলৰ তৰফৰপৰা নেপালী টুপী খদাৰে আদৰণি জনোৱা হয়। অনুষ্ঠানৰ শেষত কুইজ, চিত্ৰাংকন প্ৰতিযোগিতাৰ প্ৰতিযোগী আৰু বিহুনাচৰ আখৰা প্ৰশিক্ষাৰ্থীসকলক মান-পত্ৰ প্ৰদান কৰা হয়।দীপক ৰায়, বালাকৃষ্ণ শৰ্মা, জয়ন্ত কুমাৰ ৰায়, নিতেশ ৰায়, শক্তি ৰায় তত্ত্বৱধানত আৰু সমূহ স্থানীয় নেপালী গাঁৱৰ ৰাইজৰ সহযোগত অনুষ্ঠানটো সম্পন্ন হয়। কুঁহি উপ-সমিতিৰ আহ্বায়ক অৱন্তী ৰাজখোৱাই শলাগৰ শৰাই আগবঢ়োৱাৰ পিছতে অসম সংগীতেৰে অনুষ্ঠানৰ সামৰণী পৰে।

# পলাশবাৰীত পঞ্চায়ত আৰু জিলা পৰিষদ নিৰ্বাচনৰ প্ৰাৰ্থিত্বপ্ৰত্যাশীৰ ব্যাপক তৎপৰতা

**ই-সংবাদ, মিৰ্জা, ৮ এপ্ৰিলঃ** পঞ্চায়ত আৰু জিলা পৰিষদৰ নিৰ্বাচনৰ তাৰিখ ঘোষণা হোৱাৰ পাছতে পলাশবাৰী সমষ্টিত নিৰ্বাচনকেন্দ্ৰিক তৎপৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। সমান্তৰালকৈ বিজেপি, কংগ্ৰেছ, আজাপ, অগপ আদি ৰাষ্ট্ৰীয় আৰু আঞ্চলিক দলসমূহে পঞ্চায়ত নিৰ্বাচনত প্ৰাৰ্থিত্ব প্ৰদান কৰাৰ ক্ষেত্ৰত উঠিপৰি লগা দেখা গৈছে। পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াৰ লগতে অসম ফুটবল সংস্থাৰ যুটীয়া সম্পাদক হিমাংশু শেখৰ বৈশ্য, অগপ নেতা কমলা কলিতা, অসম প্ৰদেশ কংগ্ৰেছৰ উপ-সভাপতি নৃপেন্দ্ৰ নাৰায়ণ ঠাকুৰীয়া, নতুন ঐক্য মঞ্চ, পলাশবাৰীৰ সভাপতি তথা প্ৰাক্তন শিক্ষামন্ত্ৰী যতীন মালী, এসময়ৰ পলাশবাৰীৰ সমষ্টিৰ বিধায়ক মোহন বসুমতাৰী, আজাপ নেতা পংকজ লোচন গোস্বামীৰ লগতে সমষ্টিটোৰ সমূহ নেতা-পালিনেতাই এতিয়া আগন্তুক পঞ্চায়ত আৰু জিলা পৰিষদৰ নিৰ্বাচনত প্ৰাৰ্থিত্ব প্ৰক্ষেপিত কৰাৰ ক্ষেত্ৰত একপ্ৰকাৰে যুদ্ধকালীন পৰিৱেশৰ সৃষ্টি হৈছে। পলাশবাৰী সমষ্টিত বৰ্তমান পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাক লৈ প্ৰাৰ্থীসমূহৰ মাজত হেতাওপৰা লাগিছে। পলাশবাৰী সমষ্টিৰ এটা পঞ্চায়তৰ ৱাৰ্ডত ১০ৰপৰা ১২ জন প্ৰাৰ্থিত্বপ্ৰত্যাশী হোৱাৰ অনুমান কৰিব পৰা গৈছে। বিগত ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনত পলাশবাৰীৰ ৪ টা সমষ্টিতে বিজেপি দলৰ প্ৰক্ষেপিত প্ৰাৰ্থীয়ে বিপুল ভোটত জয়লাভ কৰাৰ পাছত আগন্তুক পঞ্চায়ত নিৰ্বাচনতো বিজেপিয়ে সুন্দৰ প্ৰদৰ্শন কৰি জয়লাভ কৰিব বুলি সম্পূৰ্ণভাৱে নিশ্চিত থকা দেখা পোৱা গৈছে। আনহাতে, পলাশবাৰী সমষ্টিৰ কিছু নেতা, পালিনেতাই নোটৰ পৰিৱৰ্তে ভোটৰ অংক কৰাত ব্যস্ত হৈ পৰিছে। উল্লেখযোগ্য যে আগন্তুক পঞ্চায়ত নিৰ্বাচনত পলাশবাৰী সমষ্টিৰ ৰাজনৈতিক দলৰ নেতাসকলৰ খোৱা-কামোৱা অব্যাহত থকাৰ মাজতে কোন দলৰ কোন প্ৰাৰ্থীয়ে শেষ হাঁহি মাৰিব এতিয়া সচেতন ৰাইজৰ মাজত সৰ্বত্ৰে চৰ্চা আৰম্ভ হোৱা দেখিবলৈ পোৱা গৈছে।

# কলগাছিয়াৰ মনাকচা-হালধীয়া গাঁৱৰ বিধ্বস্ত পথে জীয়াতু ভোগাইছে ৰাইজক

**ই-সংবাদ, কলগাছিয়া, ৮ এপ্ৰিলঃ** বৰপেটা জিলাৰ কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত তথা পূৰ্বৰ জনীয়া সমষ্টিৰ অন্তৰ্গত মনাকচা-হালধীয়া গাঁৱৰ প্ৰধান মন্ত্ৰী গ্ৰাম চৰক যোজনাৰ পথটো বিগত প্ৰায় পাঁচ বছৰ ধৰি জৰাজীৰ্ণ অৱস্থাত থকাৰ বাবে যমৰ-যাতনা ভুগিছে ৰাইজে। জৰাজীৰ্ণ পথটোৰে মনাকচা, হালধীয়া, ডিমাপুৰ, দেউকুৰা আৰু বঙাইগাঁও জিলাৰ চাকলা, কোকিলা আদি গাঁৱৰ ৰাইজক কন্দুৱাইছে যদিও ৰাস্তাটো মেৰামতি কৰাৰ কাৰণে স্থানীয় বিধায়ক ডঃ হাফিজ ৰফিকুল ইছলাম আৰু বৰপেটাৰ সাংসদ ফণীভূষণ চৌধুৰী, ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনৰ কোনো এজনেও গুৰুত্ব আৰোপ কৰা নাই বুলি অভিযোগ উত্থাপন হৈছে। উল্লেখযোগ্য যে ৰাস্তাটোৰে চাকলাৰ চি কে কলেজ, চাকলা উচ্চতৰ মাধ্যমিক বিদ্যালয়, চাকলা বজাৰ, কোকিলা বজাৰ, কলগাছিয়া বজাৰ, কলগাছিয়াৰ নৱজ্যোতি মহাবিদ্যালয়, খৰিচালাৰ জনপ্ৰিয় উচ্চতৰ মাধ্যমিক বিদ্যালয়



আদিলৈ দৈনিক হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰী, কৃষক ৰাইজ যাতায়াত কৰাৰ লগতে শ শ গাড়ী-মটৰ চলাচল কৰে। এনে গুৰুত্বপূৰ্ণ ৰাস্তাটোত ঠায়ে ঠায়ে ব্লেক টেপিং উঠি যোৱাৰ ফলত দ' গাঁতৰ সৃষ্টি হৈছে। ৰাস্তাটোত অহৰহ দুৰ্ঘটনা সংঘটিত হৈ মৰণফান্দত পৰিণত হৈ পৰিছে। ফলত গাঁওসমূহলৈ এম্বুলেন্স, অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী আদি জৰুৰীকালীন বাহনৰ চলাচল প্ৰায় ব্যাহত হৈ পৰিছে। সেয়ে জনপ্ৰতিনিধিসকলৰ ওপৰত ক্ষুব্ধ হৈ মনাকচা-হালধীয়া গাঁৱৰ ৰাইজে আগন্তুক পঞ্চায়ত নিৰ্বাচন বৰ্জন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি জানিব পৰা গৈছে।

# অৱসৰপ্ৰাপ্ত শিক্ষক লক্ষ্য চহৰীয়াৰ বিদায় সম্বৰ্ধনা সভা

**ই-সংবাদ, দুনী, ৮ এপ্ৰিলঃ** পশ্চিম দৰঙৰ বিষ্ণুপুৰস্থ বাপুজী বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সদ্য অৱসৰপ্ৰাপ্ত শিক্ষক লক্ষ্য চহৰীয়াৰ ৰাজহুৱা বিদায় সম্বৰ্ধনা সভাখন আজি বিদ্যালয় চৌহদত অনুষ্ঠিত হৈ যায়। বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি মদন মোহন কাকতিৰ সভাপতিত্বত অনুষ্ঠিত সভাত উদ্দেশ্য ব্যাখ্যা কৰে শিক্ষক-কৰ্মচাৰী গোটৰ সম্পাদক হিৰণ্য কুমাৰ নাথে। বিদ্যালয়ৰ সহকাৰী শিক্ষক দিগন্ত চহৰীয়াই আঁতধৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত শিক্ষক-ছাত্ৰী, কৰ্মচাৰী, ছাত্ৰী একতা সভা, মাতৃ গোট, প্ৰাক্তন ছাত্ৰী সম্মিলনী, পৰিচালনা সমিতি, প্ৰতিবেশী বিদ্যালয় তথা ৰাইজৰ তৰফৰপৰা অৱসৰী শিক্ষক লক্ষ্য চহৰীয়াক ফুলাম গামোচা, ধৰ্মপুথি, সম্বৰ্ধনা-পত্ৰ, শৰাই, চেলেং, জাপি, ফুলৰ থোপা আদিৰে সম্বৰ্ধনা জনোৱা হয়। এই সভাতেই বুঢ়া হাইস্কুলৰ প্ৰধান শিক্ষক ভুষণ চহৰীয়া আৰু বোনমাঝা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দিলীপ কুমাৰ কলিতা সহকৰ্মীসহ উপস্থিত থাকি বিদ্যালয়ৰ তৰফৰপৰা সম্বৰ্ধনা জ্ঞাপন কৰে। শৈক্ষিক ক্ষেত্ৰখনৰ উত্তৰণত বিদায়ী শিক্ষক চহৰীয়াই আগবঢ়োৱা অৱদানৰ বাবে সভাত কেইবাগৰাকী বক্তাই আলোকপাত কৰে। সভাখনত বুঢ়া গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি হেমচন্দ্ৰ কলিতা, বিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি দীনেশ্বৰ ৰাজবংশীৰ লগতে বিদ্যালয়ৰ অৱসৰী প্ৰধান শিক্ষক শান্তি ৰাম ডেকাৰ লগতে বিদ্যালয়ৰ কেইবাগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক উপস্থিত আছিল। আৰম্ভণিতে বিদ্যালয়ৰ প্ৰধান শিক্ষক পলাশ চমুৱাই আদৰণি ভাষণ আগবঢ়াই শিক্ষকগৰাকীৰ কৰ্মৰত দিনবোৰত আগবঢ়োৱা শৈক্ষিক তথা সহঃ পাঠ্যক্ৰমিক ক্ৰিয়াকলাপত যোগোৱা অৰিহণাৰ শলাগ লয়। উল্লেখ্য যে বিদ্যালয়খন প্ৰাদেশীকৰণ হোৱাৰ পূৰ্বেই ১৯৯২ চনত অবৈতনিকভাৱে সেৱা আগবঢ়াই অহা শিক্ষকগৰাকীয়ে বিগত বৰ্ষৰ ৩১ ডিচেম্বৰত অৱসৰগ্ৰহণ কৰিছিল। শিক্ষক হিচাপে চহৰীয়া এজন সৎ আৰু নিষ্ঠাৱান লোক হিচাপে পৰিচিত শিক্ষক আছিল। ছাত্ৰী, সহকৰ্মী, অভিভাৱক আৰু স্থানীয় ৰাইজৰ সৈতে সু-সম্পৰ্ক ৰক্ষা কৰি বিদ্যালয়ৰ শৈক্ষিক উন্নয়নৰ বাবে অহোপুৰুষাৰ্থ কৰি যোৱা শিক্ষকজনক ৰাইজে তেওঁৰ সুস্বাস্থ্য আৰু দীৰ্ঘজীৱন কামনা কৰি বক্তব্য প্ৰদান কৰে। সভাৰ মাজতে বিদ্যালয়ৰ কেইবাগৰাকী ছাত্ৰীয়ে গীত-নৃত্য পৰিৱেশন কৰি অনুষ্ঠানটি সজীৱ কৰি তোলে। শেষত বিদায়ী শিক্ষক লক্ষ্য চহৰীয়াই তেওঁৰ কৰ্মময় জীৱনৰ বিষয়ে আলোকপাত কৰে।

# বছাপথাৰত বিহুনাচ কৰ্মশালাৰ সফল সামৰণি

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ৮ এপ্ৰিলঃ** ডিব্ৰুগড় জিলাৰ লাহোৱালৰ বছাপথাৰ ৰাজহুৱা খেলপথাৰত যোৱা ২৫ মাৰ্চৰপৰা অনুষ্ঠিত হোৱা ১৫ দিনীয়া বিহুনাচৰ কৰ্মশালাখনি আজি সফলভাৱে সামৰণি পৰে। অসম উন্নয়ন পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত আৰু শ্ৰীমন্ত যুৱক সংঘৰ সহযোগত অনুষ্ঠিত হোৱা ১৫ দিনীয়া এই বিহুনাচ কৰ্মশালাখনিত মুখ্য প্ৰশিক্ষকৰূপে বৰবিহুৱতী কাশ্মীৰী চেতিয়া আৰু বৰবিহুৱাৰূপে ৰাগ সেনাপতিয়ে অংশগ্ৰহণ কৰি প্ৰশিক্ষাৰ্থীসকলক প্ৰশিক্ষণ দিয়ে। কৰ্মশালাখনিত শতাধিক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। অসম উন্নয়ন পৰিষদ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি বিপ্লৱ গোহাঁয়ে আঁতধৰা কৰ্মশালাখনিত অসমীয়া যুৱ মঞ্চৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি যুগল বৰুৱা, অসম অনুসূচিত জাতি সংযুক্ত মৰ্চাৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি বিপিন বড়া, ডিব্ৰুগড়ৰ নৃত্যশিল্পী নিয়ন্ত দাস, সমাজসেৱক জিতুল গগৈ, ৰাজেশ দত্ত, স্বৰূপজ্যোতি গগৈ, সাংবাদিক তপন কুমাৰ শইকীয়া, দিবাকৰ দত্ত আৰু হৰি দাস আদি কেইবাগৰাকীও বিশিষ্ট লোকে অংশগ্ৰহণ কৰি বক্তব্য আগবঢ়ায়।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# ছোট’কাই কাৰাটে চেম্পিয়নশ্বিপত বেবেজীয়াৰ সাফল্য

**ই-সংবাদ, বেবেজীয়া, ৮ এপ্রিলঃ** অসম ছোট’কাই কাৰাটে এছ’চিয়েছন আৰু লখিমপুৰ জিলা ছোট’কাই কাৰাটে এছ’চিয়েছনৰ ব্যৱস্থাপনাত যোৱা ৫ আৰু ৬ এপ্রিলত দুদিনীয়াকৈ আয়োজিত তৃতীয় সদৌ অসম ছোট’কাই কাৰাটে চেম্পিয়নশ্বিপত নগাঁও জিলাৰ বেবেজীয়া কাৰাটে একাডেমীয়ে বিশেষ সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। লখিমপুৰ জিলাৰ বিহপুৰীয়াস্থিত জনজাতি কৃষ্টি বিকাশ কেন্দ্ৰত অনুষ্ঠিত হোৱা এই প্ৰতিযোগিতাত চিহান পংকজ মুদৈৰ প্ৰশিক্ষণপুষ্ট বেবেজীয়া কাৰাটে একাডেমীৰ খেলুৱৈসকলে কাটা আৰু কুমিটেৰ বিভিন্ন শাখাত অংশগ্ৰহণ কৰি মুঠ পাঁচটাকৈ পদক আজুৰি আনিবলৈ সক্ষম হয়। জানিব পৰা মতে, প্ৰতিযোগিতাখনিৰ ল’ৰাৰ চাব জুনিয়ৰ ১০ বছৰ শাখাৰ কাটা আৰু কুমিটেৰ দুয়োটাতে নিবিড় হাজৰিকাই ব্ৰঞ্জ, ৰিচিক নাথে কুমিটেত ব্ৰঞ্জ লাভ কৰাৰ বিপৰীতে প্ৰিন্সি শইকীয়াই জুনিয়ৰ শাখাৰ কাটাত সোণ আৰু কুমিটেত ৰূপৰ পদক লাভ কৰি বেবেজীয়ালৈ গৌৰৱ কঢ়িয়াই আনিছে। বেবেজীয়া কাৰাটে একাডেমীৰ এনে সাফল্যত বেবেজীয়াবাসী ৰাইজ উৎফুল্লিত হৈ পৰাৰ বিপৰীতে সকলো খেলুৱৈলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

# অধিনায়ক পাটিদাৰক বিহা হ’ল জৰিমনা

**মুম্বাই, ৮ এপ্রিলঃ** ১০ বছৰৰ পাছত মুম্বাইত জয়ৰ আনন্দ উপভোগ কৰিও শাস্তিৰ পৰা ৰেহাই নহ’ল বেংগালুৰুৰ অধিনায়ক ৰজত পাটিদাৰৰ। লেহেমীয়া বলিঙৰ বাবে বিচিচিআইয়ে তেওঁক ১২ লাখ টকাৰ জৰিমনা বিহিছে। নিৰ্ধাৰিত সময়ত এটা অভাৰ মিছ কৰাৰ বাবে এই জৰিমনা বিহা হৈছে অধিনায়কজনক। এইবাৰৰ আই পি এলত লেহেমীয়া অভাৰ ৰেটৰ বাবে পাটিদাৰকে ধৰি চাৰিজন অধিনায়কক জৰিমনা বিহা হৈছে। ইয়াৰ পূৰ্বে হাৰ্দিক পাণ্ডিয়া, ঋষভ পন্ত আৰু ৰিয়ান পৰাগকো শাস্তি প্ৰদান কৰা হৈছিল। অৱশ্যে খেলপথাৰত পাটিদাৰৰ প্ৰদৰ্শন আছিল উৎকৃষ্ট। চাৰি নম্বৰ স্থানত আহি তেওঁ ৩২টা বলত ৬৪ ৰান সংগ্ৰহ কৰি মেন অৱ দ্য খিতাপো লাভ কৰে। এইবাৰ আইপিএলত দুৰ্দান্ত প্ৰদৰ্শন কৰিছে আৰচিবিয়ে।




আইপিএল ২০২৫: পঞ্জাৱৰ বিৰুদ্ধে ক্ৰীড়াঙ্গণত নমাৰ পূৰ্বে অনুশীলনত ব্যস্ত চেন্নাইৰ কেপ্টেইন ৰিতুৰাজৰ

## পুলিন দাস আন্তঃজিলা ক্ৰিকেটৰ মধ্য অসম মণ্ডলৰ খেল সমাপ্ত

# দিব্যমৰ শতকেৰে মৰিগাঁৱক হৰুৱাই মূল ৰাউণ্ডত প্ৰৱেশ হোজাইৰ

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ৮ এপ্রিলঃ** এচিএ ক্ৰিকেট একাডেমীৰ সৌজন্যত নগাঁও ক্ৰীড়া সংস্থাৰ নুৰুল আমিন ষ্টেডিয়ামত সোমবাৰে সামৰণি পৰা দ্বিতীয় পুলিন দাস অনূৰ্ধ্ব-১৪ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ চেণ্ট্ৰেল অসম মণ্ডলৰ কোৱালিফায়াৰ খেলত গ্ৰুপ- 'বি’ৰ শীৰ্ষস্থানৰ দল হোজাইয়ে গ্ৰুপ- 'এ’ৰ শীৰ্ষস্থানৰ দল মৰিগাঁৱক দিব্যম কুমাৰৰ শতৰাণৰ সহায়ত ১৩৩ ৰাণত সহজেই হৰুৱাই প্ৰতিযোগিতাৰ মূল ৰাউণ্ডত খেলাৰ যোগ্যতা অৰ্জন কৰিছে। সোমবাৰৰ গুৰুত্বপূৰ্ণ খেলখনত হোজাই দলে টছত জিকি পোনতে বেট ধৰি দিব্যম কুমাৰৰ-১০১, যমন মিশ্ৰৰ-২৫ আৰু অধিনায়ক ৰাজদ্বীপ দে’ৰ-১৩ ৰাণৰ উল্লেখনীয় বৰঙনিৰে ৩৭ অভাৰত সকলোকেইটা উইকেটৰ বিনিময়ত-১৯৬ ৰাণ সংগ্ৰহ কৰে। বলিঙত মৰিগাঁৱৰ হৈ জয়জিৎ দাসে চাৰিটা, কৃষ্ণ বিশ্বাসে তিনিটা, ৰাজা ডেকাই দুটা আৰু ভাৰ্গৱ প্ৰতিম বৰাই এটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত মৰিগাঁও দলটোৱে বিপক্ষৰ খেলুৱৈৰ বিধ্বংসী বলিঙৰ প্ৰকোপত ২৭ অভাৰত মাত্ৰ ৬৩ ৰাণ সংগ্ৰহ কৰোঁতেই আটাইকেইটা উইকেট হেৰুৱাবলগীয়াত পৰে। বলিঙত হোজাইৰ হৈ অনুৰাগ দাসে চাৰিটা (৪/১৯), ব্ৰাটিন শৰ্মাই তিনিটা (৩/১২), যমন মিশ্ৰই দুটা (২/১০) আৰু শিৱম মজুমদাৰে এটা উইকেট দখল কৰে। দিগন্ত বৰ্মন আৰু ভাস্কৰ বৰা আম্পায়াৰৰূপে থকা খেলখনৰ অন্তত হোজাইৰ শতৰানকাৰী দিব্যম কুমাৰক ক্ৰীড়া সংগঠক তপন কুমাৰ দাসে প্লেয়াৰ অব দ্যা মেচৰ বঁটা বিতৰণ কৰে বুলি নগাঁও ক্ৰীড়া সংস্থাৰ বিষয়ববীয়া অসীম কুমাৰ ভাৰাল আৰু মৃনাল কুমাৰ হাজৰিকাই জানিবলৈ দিয়ে। এই খেলখন ভালেসংখ্যক ক্ৰীড়াপ্ৰেমীয়ে উপভোগ কৰে।




newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি